(Not for Issue)
Inside Library

# Assam

# Legislative Assembly Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. II
## NO. 25

The 12th May 1970

सत्यमेव जयते

1988

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

4. Announcement of the Result of Election to the Committee on Estimates 72

5. Voting on Demands for Grants—
Demand No. 17—"23—Police." 72

6. Motion to consider the Report of the Privileges committee relating to the arrest of Shri Nameswar Pegu, M. L. A. 103

7. Re: Working of the Posts and Telegraphs Department in the State. 106

8. Re: Hunger-Strike by the Employees of Khadi Board. 109

REFERENCE

PROCEEDINGS OF THE NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN REPUBLICAN CONSTITUTION OF INDIA.

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M., the 12th May, 1970.

## PRESENT

Shri Mohi Kanta Das, M.A., B.L., Speaker, in Chair, ten Ministers, six Ministers of State, one Deputy Minister and sixty-seven Members.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Re : Procedure for selcetion of members to Municipal Board

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*২১৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে -

(ক) অসমৰ নগৰপালিকা ( মিউনিচিপালিটি ) সমূহলৈ সদস্য মনোনীত কৰা নিয়ম কি আৰু সদস্যসকলৰ অৰ্হতা কি কি বুলি ঠাৱৰ কৰা হৈছে ?

(খ) অসমৰ নগৰপালিকাসমূহলৈ মনোনীত কৰা সদস্যসকল প্ৰত্যেকেই বিধিসম্মত লোক নে ?

(গ) যোৱা ৫ (পাঁচটা) টাৰমত অসমৰ বিভিন্ন নগৰপালিকাসমূহলৈ প্ৰত্যেক টাৰমতে কিমানজন সদস্য মনোনীত হৈছিল ?

(ঘ) গোলাঘাট নগৰপালিকাৰ (মিনিচিপালিটি) হৈ যোৱা পাঁচটা টাৰমত কোন কোন লোকক সদস্য মনোনীত কৰা হ'ল জনাবনে ?

(ঙ) বৰ্ত্তমান গোলাঘাট নগৰপালিকাৰ নতুন ব'ৰ্ডখনলৈ কাক কাক সদস্য মনোনীত কৰা হৈছে তাকো জনাবনে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছে :

২১৩। (ক)—নগৰ পালিকাসমূহলৈ মনোনীত প্ৰাৰ্থী বাছিবৰ কাৰণে কোনো বিধি বা যোগ্যতাৰ মাপকাঠী নিৰ্দ্ধাৰণ কৰা হোৱা নাই। সদস্যসকল মনোনীত কৰা হয় অসম মিউনিচিপালিটি এক্টৰ (১৯৫৬) (Assam Municipal Act, 1956) ১১ (৩) আৰু ১১ (৪) ধাৰা অনুযায়ী, যাতে তপশীল সম্প্ৰদায় আৰু অনুন্নত সম্প্ৰদায় লোকৰ প্ৰতিনিধিত্ব কৰিব পাৰে।

(খ)—ওপৰৰ (ক) ৰ উত্তৰ দিয়াত এই প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়োজন নাই।

(গ)—যোৱা পাঁচটা টাৰমত (term) অসমৰ বিভিন্ন নগৰ-পালিকাসমূহলৈ প্ৰত্যেক টাৰমতে দুজনকৈ সদস্য মনোনীত কৰা হৈছিল।

(ঘ)—১৯৪৫—(১) শ্ৰীভৈৰব চন্দ্ৰ দাস।

(২) শ্ৰীএম, আলি।

১৯৪৭—(১) শ্ৰীৰামধনি ৰায় কছু।

(২) শ্ৰীআব্দুস চাত্তাৰ।

১৯৫৪—(১) শ্ৰীএইচ, সি, দাস।

(২) শ্ৰীএ, ৰাজ্জাক।

১৯৬০—(১) শ্ৰীডি, হাজৰীকা।

(২) শ্ৰীবি, কাকতী।

(৩) শ্ৰীপূৰ্ণ বৰা (শ্ৰীবি, কাকতীয়ে পদত্যাগ কৰাৰ পাচত)।

১৯৬৩—(১) শ্ৰীযোগেন্দ্ৰ নাথ বৰা।

(২) শ্ৰীমহেন্দ্ৰ নাথ দাস।

(ঙ) -বৰ্ত্তমানলৈকে কোনো সদস্য মনোনীত কৰা হোৱা নাই। মনোনয়নৰ কাৰণে আৱশ্যকীয় প্ৰস্তাৱ গোলাঘাট মহকুমাধিপতিৰ পৰা বিচৰা হৈছে।

### Re Annual Confidential Reports of Government Servant

Shri PHANI BORA asked:

*217. Will the Chief Minister pleased to state—

(a) What exactly are the effects of unfavourable or adverse Annual Confidential Reports of a Government servant on his future prospects?

(b) What is the difficulty if sub stance of Annual Confidential Report of a Government servant irrespective of the fact that such a report is favourable or unfavourable to the Government servant concerned is communicated to him within a rigid time limit specially when such a step leaves no scope for manipulation of past records thereby eliminating possibility of an intrusion into the fundamental rights of the members of the services?

(c) Will Government propose to consider that adverse remarks of any year comunicated after 30 days from the end of the year will not be given any credence at all?

Shri BIMALA PRASAD CHALIHA (Chief Minister) replied:

217. (a)—The unfavourable or adverse Annual Confidential Reports on a Government servant may affect the crossing of Efficiency Bar, confirmation and promotion of such a Government servant reported on.

(b) —There is a long standing Government circular which provides for communication of substance of unfavourable remarks from Annual Confidential Report of Government

servant reported upon. There is no provision regarding communication of favourable remarks to Government servant at present. The matter may, however, be considered afresh in the light of the recomendations of the Administrative Reforms Commission.

Shri Gaurisankar Bhattacharyya—Does Government not consider it to be more convenient and judicious that instead of communicating only the substance, the whole of the adverse remarks is made known to the officer concerned ?

Shri Bimala Prasad Chaliha—Actually the remarks in the Confidential Rolls are very brief.

Shri Gaurisankar Bhattacharyya—Why the substance and not the whole remark is given ?

Shri Bimala Prasad Chaliha—I agree that it is quite brief and the who e may be sent.

Shri Phani Bora - In answer to (c) the Chief Minister has replied "No". May I ask the Government whether they will consider this aspect also that within 30 days if the remark is not made known to the person concerned, it will not be given any credence at all ?

Shri Bimala Prasad Chaliha—Sir, the difficulty is that these remarks sometimes have to go through more than one officer as in course of service one may be serving under various Departments. Therefore, the various officers have to give their views to be entered into the Annual Cofidential Reports of the person concerned. Therefore, a period of 30 days is too short to circulate theise Reports to all of them.

Shri Dulal Chandra Barua—These Annual Confidential Reports on a Government servant are written annually. It may be that

one particular person is serving under different Departments. But at last the confidential report is written by the last officer under whom he served. Does Govt. not consider it proper to inform the person who was adversely affected by the remarks or otherwise so that he can rectify his defects or get an incentive in case of good remarks for doing work more efficiently ?

Shri Bimala Prasad Chaliha—Sir, the question is that within 30 days, the remark is to be communicated to the person concerned Otherwise the reports should be treated as not giving any credence at all. Therefore, on that point I am saying that it is too short a period to communicate the report.

Shri Dulal Chandra Barua—Is Government aware of the fact that even after a lapse of three to four years these Confidential Reports against some officers were not communicated to them ? As such they were not aware of their defects ? On the other hand they were also deprived of the legitimate rights to represent their cases and get those defects rectified.

Shri Bimala Prasad Chalia—Some such cases have come to the notice of the Government.

Re : Flood-affected area under Ahatguri Mauza

শ্ৰীমহিধৰ পেগুৱে সুধিছে :

*২১৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বন্যাপীড়িত মাজুলীৰ তিনিটা মৌজাৰ ভিতৰতে আহতগুৰি মৌজাৰ অৱস্থা যে অতি শোচনীয় এই বিষয়টোৰ প্ৰতি চৰকাৰ সজাগনে ?

(খ) গত ইং ১৭।৩।৬৯ তাৰিখৰ পিচত কোন কোন তাৰিখত স্থানীয় নিকায় সমূহৰ চৰকাৰী বিষয়াসকল আহতগুৰি মৌজা পৰিদৰ্শন কৰিবলৈ গৈছিল ?

(গ) আহতগুৰি মৌজাৰ সম্পূৰ্ণ বন্যাপীড়িত ৬ খন গাওঁ পঞ্চায়ত এলেকাৰ মানুহৰ বাবে কি পৰিমাণৰ খাদ্য-সামগ্ৰী আৰু গৃহপালিত পশু-পক্ষীৰ বাবে কিমান তুঁহ গুৰি আদি দিয়া হৈছিল ?

(ঘ) চৰকাৰে আগবঢ়োৱা সাহায্য ভিক্ষা জীৱনৰক্ষাৰ ন্যূনতম দাবীৰ সন্মুখীন হোৱা বুলি চৰকাৰে ভাবেনে ?

(ঙ) যদি নাভাবে, তেন্তে এনে সঙ্কটকালীন সাহায্যৰ ক্ষেত্ৰত চৰকাৰ তৰফৰ এনে কৃপণালিৰ কাৰণ কি ?

ৰাজহমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

২:৮। (ক) – হয়।

(খ) আহতগুৰি মৌজাত ১৮।৭।৬৯ তাৰিখৰ পৰা ২১।৭।৬৯ তাৰিখলৈ বানপানী হৈছিল। বানপানীৰ সময়ত গোলাঘাট নৰ্থ ডেভেলপমেন্ট ব্লকত এজন Extension Officer ক পৰিদৰ্শনৰ কামত নিয়োগ কৰা হৈছিল। Block Development Officer য়ে ২৫।৭।৬৯ তাৰিখৰ পৰা ২৭।৭।৬৯ তাৰিখলৈকে বানপীড়িত অঞ্চলবোৰ পৰিদৰ্শন কৰিছিল। ইয়াৰ উপৰিও গোলাঘাটৰ মহকুমাধিপতিয়ে ১০।৮।৬৯ আৰু ১১।৮।৬৯ তাৰিখে আহতগুৰি মৌজাৰ বানপীড়িত এলেকাসমূহ পৰিদৰ্শন কৰে।

(গ) আহতগুৰি মৌজাৰ বানপীড়িত লোকসকলক অৰ্থ আৰু খোৱাবস্তু বিতৰণ কৰা হৈছিল। বানপীড়িত লোকসকলক ছয় কুইন্টল চাউল আৰু ১৫ টা গড়াখহনীয়া পৰিয়ালক ২০ টকাকৈ এককালীন সাহায্য দিয়া হৈছিল। বানপীড়িত গৰু-মহৰ কাৰণে ৬০ কুইন্টল ভুছি দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বানপীড়িত লোকসকলে এই সাহায্যৰ আৱশ্যক নকৰাহেতু ভুছি বিতৰণ কৰা নহল। অভাৱগ্ৰস্ত খেতিয়ক সকলক ৬০ কুইন্টল ধানৰ বিধান বিতৰণ কৰা হৈছিল।

(ঘ) সঙ্কটাপন্ন লোকসকলক আগবঢ়োৱা এই সাহায্য মাত্ৰ এটা এককালীন জৰুৰী ব্যৱস্থা। গতিকে এই সাহায্য উচিত বুলি বেবেচনা কৰে।

(ঙ) প্ৰশ্ন নুঠে।

Shri Mahidhar Pegu – যি হেতু আঁহত গুৰি মৌজাত ৬টা গাওঁ পঞ্চায়তত প্ৰতিখনত গড়ে ৩ হাজাৰকৈ ১৮ হাজাৰ মানুহ আছে। এই ১৮ হাজাৰ বানবিধ্বস্ত লোকৰ কাৰণে ৬ কুইন্টল চাউল দিয়াটো প্ৰহশনৰ বিষয় নহয়নে ?

Shri Mahendra Mohan Choudhury—ইয়াৰ বেচি সেই সময়ত দাবী পোৱা নহৈছিল।

Shri Mahidhar Pegu—এই সম্পৰ্কে গোলাঘাটৰ খণ্ড বিষয়া হলে S. D. O. ৰ লগত চাউল কম হৈ দিয়াৰ কাৰণে কাজিয়া পেচাল কৰা স্বত্বেও মাত্ৰ ৬ কুইণ্টল চাউল দিয়াৰ মূলতে কি কথা থাকিব পাৰে ?

Shri Mohendra Mohan Choudhury—যি মান খিনিৰ প্ৰয়োজন সিমান খিনি দিয়া হৈছে।

Shri Dulal Baruha—এই কথা সত্য নেকি যে তাৰ চাৰ্জত থকা বিষয়া জনে পিড়িত লোকসকলৰ হিচাব চাবি ভাগৰ ১ অংশহে কৰিছিল আৰু তাৰ বাবে S. D. O. ধমকি দিছিল। সেই অঞ্চলত S-D.O. নিজেই গৈ তদন্ত কৰিছিল আৰু চাউল দিয়াৰ বিষয়ত B D O ৰ লগত সত্য নৈক্য হৈছিল বুলি চৰকাৰে নাজানে।

Shri Maneswar Boro—আঁহত গুৰি মৌজাৰ বান বিধ্বস্ত লোক সকলৰ উপকাৰৰ কাৰণে কিবা আঁচনি চৰকাৰে লৈছেনে ?

Shri Mohendra Mohan Choudhury—এই মৌজাৰ বানবিধ্বস্ত সকলক বিভিন্ন ঠাইত চৰকাৰে মাটি দি পুনৰ বসতি দিয়াৰ ব্যৱস্থা কৰিছে।

Shri Maneswar Boro—ব্যৱস্থা কৰিছে কিন্তু আচলতে মাটি দিয়া হৈছেনে নাই ?

Shri Mohendra Mohan Choudhury—গোটেই বিলাকৰ কথা কব নোৱাৰো কিন্তু কিছুমানক দিয়া হৈছে।

(Starred Question No. 219 was not put and answered to as the Questioner was absent)

Re : Silchar Regional Engineering College

Shri Rothindra Nath Sen asked :

*220. Will the Minister, Education be pleased to state—

(a) When the construction works of the Silchar Regional Engineering College would commence ?

(b) Whether it is a fact that the Principal of the proposed college has been working at Shillong and drawing high salary and other benefit there from.

(c) If so, why?

(d) Who are the members of the Advisory Committee or Governing Body of Silchar Regional Engineering College?

(e) The number of meetings of that Committe held at Silchar with dates?

Shri Joy Bhadra Hagjer (Minister, Education) replied:

220. (a)—The construction works will start after the Plans and Designs of the buildings are completed. The Master Plan and Survey works of the area already completed.

(b)—The Principal is working from Shillong and is making academic and other plans. The salary and benefits as per scheme of the college are being drawn by the Principal.

(c)—At this stage the Principal is required to work in frequent consultation with the State Government, the Universities and other agencies of the State Government. His headquaters will be shifted to Silchar as soon as the minimum accommodation is ready at Silchar.

(d)—As per list placed on the Table of the House.

(e)—The sixth meeting of the Board of Governors was held on 14th November, 1968 at Silchar.

Shri Rothindra Nath Sen :—May I know when final decision had been taken by the Government that a Regional Engineering College would be started at Silchar?

Shri Joy Bhadra Hagjer—I cannot actually give the year.

Shri Rothindra Nath Sen—The reason for asking my question is this: if the Hon'ble Minister takes the trouble of going through the question tabled in the past, he will find that such questions were being asked for several years now and the same replies were given. We want to know how much time Government propose to take for master plan, survey and all these things. We want to know definitely from the Hon'ble Minister when this regional enginering college will actually come under construction.

Shri Joy Bhadra Hagjer—The work has got a momentum now. It' will be in about two or three years' time.

Shri Rothindra Nath Sen—To start construction ?

Shri Joy Bhadra Hagjer – No, to complete.

Shri Rothindra Nath Sen — Then may I know what purpose is being served by the Principal-designate staying here in Shillong ? He is here for the last 4 years. Will it not be better and more expeditious if he stays at Silchar, at least for half of the year, so that he can expedite matters instead of living in a privileged position in this city ?

Shri Joy Bhadra Hagjer -The work now is being done by the Architects and not by the Principal.

Shri Rothindra Nath Sen -Who is to supervise the work ?

Shri Joy Bhadra Hagjer - Supervision is done by the Principal.

Shri Rothindra Nath Sen -- What about the staff and the employees of this institution ? Where are the employees working ? I know some clerks have been appointed. Where they are staying ?

Shri Joy Bhadra Hagjer—They are staying here.

Shri Rothindra Nath Sen—Is it a fact that a house has been rented in Silchar which belongs to Shri Nibaran Laskar, Ex-M.P. who is the only Member of the Advisory Committee from the district of Cachar, for the purpose of the regional engineering college? Who is staying in that rented house and how much rent is being paid?

Shri Joy Bhadra Hagjer—Personally I am not aware of that.

Shri Rothindra Nath Sen—Would you please be aware? You are the Minister-in-charge of this Department and you are to look to these things. You should not allow this kind of misspending of money from the State Exchequer, Viz., paying rent to a Congress Ex-M.P., who is an ex-M.L.A., as well and is drawing a fabulous amount every month by way of rent for his house at Silchar. He is the only blessed member of the Advisory Committee, where not a single member of this House has been taken. We would request the Minister to look into these things and make this business purposeful.

Shri Joy Bhadra Hagjer—The difficulty is that it is an autonomous body and Government have practically nothing to do. As for the allegation made, I will look into it. If the house has been rented but is not being used I shall see what can be done.

Shri Rothindra Nath Sen—Will the Hon'ble Minister make an enqiry what purpose there was in holding the meetings of the Advisory Committee, some time at Dibrugarh, some time at Gauhati and some time at Shillong and never at Silchar? The regional engineering college is meant mainiy for the district of Cachar and at least the children of the locality would have been more encouraged and enthused if such meetings were held there. If we call for an account of the expenditure incurred, we will find, Sir,

that several lakhs of rupees have already been spent in the name of so-called meetings and other useless things.

Shri Debeswar Sarmah - Mr. Speaker, Sir, the hon Minister of Education said if I have heard him correctly, that it was an autonomous body and Government did not have much to do with it. Are we to understand that Government creates autonomous bodies only to foot the bill and has no right to call for the tune ? My question is : is our Government really in such a position that we are simply to pay money and not call for the tune ? We have already spent about 20 Lakhs of rupees annually for the Dibrugarh University, but it seems none of the hon. members are interested in leraring what is happening there. What is the Education Minister's reply to that ?

Shri Joy Bhadra Hagjer — Normally Government should not Interfere, but if it is something very abnormal Government may interfere.

Shri Atul chandra Goswami – অধ্যক্ষ মহোদয়, এতিয়া যিটো ঘটনা ঘটি আছে, Principal, কেৰাণী ইয়াত ঘৰ ভাৰা কৰিছে ছিলচৰত, ছাত্ৰ কত কব নোৱাৰে। এইবিলাক abnormal বুলি নধৰেনেকি ?

Shri Debeswar Sarmah – অধ্যক্ষ মহোদয়, মই আগতে কওঁ যে Normal আৰু abnormal বুজা বৰ টান। সিদিনা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এটা কথা উঠিছিল তাত মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীও আছিল : যে অসমীয়া বিভাগৰ এজন অধ্যাপক নিয়োগ কৰিব লাগে। তেতিয়া শ্ৰীমালহোত্ৰ নামৰ এজন মানুহে কলে যে যদি অসমীয়া মানুহক appointment দিয়া হয়, তেতিয়াহলে এইটো দেখোন Agriculture University হব। গতিকে অসমীয়াক appointment কৰিলে যদি কৃষি বিশ্ববিদ্যালয়হে হয়, তেতিয়াহলে normal আৰু abnormal কোনটো আমাক বুজাই দিব লাগে।

Shri Joy Bhadra Hagjer—Mr. Sarma knows what is normal and what is abnormal.

Shri Dulal Chandra Barua —As the Minister stated that it is an

autonomous body, may I know whether this scheme has been sponsored by the Government of India or by the State Government? If it has been sponsored by the Government of India, whether the Government of Assam have any right to do anything about it? May I know what is the meaning of appointing the Principal along with the teaching staff and also clerical staff before starting the institution there?

Shri Joy Bhadra Hagjer The scheme was sponsoed by the Government of India.

Shri Dulal Chandra Barua—Sir, I would like to know from the hon Minister who has made the appointment of the Principal, other teaching staff and clerks etc before starting the Institution? Whether it has been done by the Assam Government or by the Central Government? If it is done by the Government of Assam, why these appointments were made before the Institution is coming into being? What is the necessity of spending so much public money?

Shri Joy Bhadra Hagjer—Appointments are made by the Board of Directors.

Shri Gaurisankar Bhattacharya—Mr. Speaker, Sir, the reply given by the hon. Minister is confusing. First of all, it appears that the Government is not sure as to whom the Institution belongs—whether it belongs to the State Government or to the Government of India or to the Autonomous Body? If it belongs to the Autonomous Body, naturally certain queries will arise, such as who are the members and who has appointed those members etc. But instead of giving this information here, the hon. Minister said that it was placed on

the Library Table. Every time we ask for certain facts, every time the honourable Minister replies that it is put on the Library Table. What is this ? Next thing, the scheme might be sponsored by the Central Government but the agency for operating the same is the State Government. The money which comes from the Government is spent by the State Government. Therefore, the State Government is in a better position to know actual position. As a Legislature and as representatives of the public, we have every right to know utilisation of public, money. Here, the Board of Directors was appointed by the Government of Assam in collaboration with the Government of India, the institution is in paper and not in actual existance, the principal and other staff were appointed long back, location for the Institution was finalised, meetings are held at Dibrugarh, Shillong, Gauhati and on some occasion in Calcutta, the office is working here in Shillong, the house rented for this purpose is at Silchar and the rent is paid to an Ex-M.P. What sort of thing is this ? Is it a Tamasha ? People of Silchar are eagerly looking for their Regional Engineering College to be established at Silchar, but here some Tamahsa is going on. We want to know what is the actual position. The House should know what is the actual state of affair. There is a feeling among the people of Cachar that they are neglected by the Government. If things are going on in this manner, they have every reason to think like that. This Regional Engineering College affair has been hanging for a long time. We want a categorical reply from the Minister. If he is not in a position to give the reply now, let him take time, but we want a detailed statement in this connection.

Shri Joy Bhadra Hagjer—Sir, day after tomorrow, I will give the statement.

Re: Vignan Mandir

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*২২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত সৰ্ব্বমুঠ কিমান বিজ্ঞান মন্দিৰ আছে আৰু ক'ত ক'ত আছে আৰু এই বিজ্ঞান মন্দিৰবোৰৰ কাম কি?

(খ) বিজ্ঞান মন্দিৰবোৰত কোন শ্ৰেণী আৰু কি পদমৰ্য্যাদাৰ বিষয়া আছে আৰু তেওঁলোকৰ প্ৰত্যেকৰে দৰমহা আৰু অন্যান্য বানচৰ নিৰিখ কোন ধৰণৰ?

(গ) বিজ্ঞান মন্দিৰবোৰৰ কাৰণে চৰকাৰে প্ৰতি বছৰে পৌন: পৌনিক আৰু নাময়িক কিমান অৰ্থব্যয় কৰে?

শিক্ষামন্ত্ৰী শ্ৰীজয়ভদ্ৰ হাগজেৰে উত্তৰ দিছে :

২২১। (ক) মুঠতে দুটা আছে। এটা ডিমৰিয়াত আৰু আনটো হাইলাকান্দিত। সেই মন্দিৰবোৰৰ কাম-কাজৰ সবিশেষ বিবৰণ ১ নং টোকাত বেলেগে দেখুৱাই সদনৰ টেবিলত ৰখা হৈছে।

(খ)—এই বিজ্ঞান-মন্দিৰ দুটাত প্ৰতি বিভাগত চাৰিটা শ্ৰেণীৰ কৰ্মচাৰী আছে আৰু প্ৰত্যেক শ্ৰেণীৰে বানচ মজুৰি ২ নং টোকাত বেলেগে দেখুৱাই সদনৰ টেবিলত ৰখা হৈছে।

(গ)—দুয়োটা মন্দিৰৰ বাবে মুঠতে প্ৰতি বছৰে ২৫,০০০ টকাৰ মজুৰী দিয়া হয়।

Shri Gaurisankar Bhattacharya – Sir, I want to known from the honourable Minister whether it is known to the Government that this matter viz. the Vignan Mandir was audited by the officers of the Accountant General? Is it a fact that scientific apparatus have been kept in a box for years together and it remains unopend even now?

Shri Joy Bhadra Hagjer—Government is not aware of the fact.

Shri Gaurisankar Bhattacharyya—Will the Government look into the report of the Public Accounts Committee in this connection ?

Shri Joy Bhadra Hagjer, Minister—It will be done.

Shri Atul Chandra Goswami—কিন্তু এই বিজ্ঞান মন্দিৰৰ বাকচ বিলাক কোনো দিনেই খোলা দেখা নাই। অথচ বাকচ বিলাক ভিতৰত কোনো সা-সৰঞ্জাম নাই। এনেই বাকচ বিলাক চীল মাৰি ৰাখিছে।

Shri Joy Bhadra Hagjer—এইটো Enquiry কৰিব লাগিব।

Shri Atul Chandra Goswami—Enquiry Comittee কৰা হবনে ?

Shri Joy Bhadra Hagjer—হব।

Shri Dulal Chandra Barua—এই ডিমৰিৱা আৰু হাইলাকান্দিত কি উদ্দেশ্য লৈ এই বিজ্ঞান মন্দিৰ পতা হৈছিল ? বাকচৰ পৰা সা-সৰঞ্জাম বিক্ৰি কৰিলে নেকি ?

Shri Joy Bhadra Hagjer—দৈনন্দিন কাম, বৈজ্ঞানিক পদ্ধতিৰে চলোৱা শিকাবলৈ।

Shri Dulal Chandra Barua—যি উদ্দেশ্য লৈ পতা হৈছিল সেই উদ্দেশ্য সফল নোহোৱাৰ উপৰিও বাকচৰ ভিতৰত থকা বস্তু বিলাক বাহিৰত বিক্ৰি কৰাৰ কথা চৰকাৰে জানেনে।

Shri Joy Bhadra Hagjer—মই Enquiry কৰিম বুলি কৈছো।

Shri Atul Chandra Goswami—এহ বিজ্ঞান মন্দিৰ বিলাকত যি সকল অফিচাৰ আছে তেওঁ বিলাকে নিয়মিত ভাৱে অফিচলৈ আহে নে নাহে, বিজ্ঞান মন্দিৰৰ দুৱাৰ খোলে নে নোখোলে, পৰি-

দৰ্শন কৰা হয় নে নহয়, আৰু যদি পৰিদৰ্শন কৰা হয় তেন্তে সেই পৰিদৰ্শনৰ টোকাৰ কথা জনাবনে?

Shri Joy Bhadra Hagjer- নকৰে।

Shri Atul Chandra Goswami- এই বিজ্ঞান মন্দিৰবোৰ পৰিদৰ্শন কৰাৰ ব্যৱস্থা নাই বুলি মন্ত্ৰী ডাঙৰীয়াই কৈছে। আমি চিলঙৰ পৰা ডিমবিৰা হৈ যাওঁতে দেখি যাওঁ, দুৱাৰ সদায় বন্ধ থাকে, কোনো দিনেই দুৱাৰ খোলা নেদেখি উৎসুক্য বশতঃ এদিন সোমাইছিলো, ৰবিবাৰ নাছিল, সোম কি মঙ্গলবাৰ কিন্তু খবৰ কৰি জানিব পাৰিলো যে দুৱাৰ কোনো দিনেই খোলা নাযায়। আকৌ পৰিদৰ্শন কৰাৰো কোনো ব্যৱস্থা নাই। কিন্তু ২৫,০০০ হাজাৰকৈ টকা চৰকাৰে খৰচ কৰাতো কি অদ্ভুত কথা। আকৌ অকল সা-সৰঞ্জামৰ কথাই নহয়, Regular Attendants আছে নে নাই এইটো জনাব লাগে।

Shri Joy Bhadra Hagjer—ডিমবিৰাৰ অফিচাৰ জনে Universityত Class Attend কৰি আছে সেই কাৰণে এতিয়া জানিব পাৰি Action লোৱা হৈছে।

Shri Pramoda Chandra Gogoi- অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে অসমত দুটা বিজ্ঞান মন্দিৰ স্থাপন কৰা হৈছে। তেখেতৰ মই জানিব বিচাৰো যে এই দুটা বিজ্ঞান মন্দিৰ কোন চনত স্থাপন কৰা হৈছিল আৰু এতিয়াকৈ বিজ্ঞান মন্দিৰ দুটাৰ নিৰ্দ্ধাৰিত কাম-কাজৰ অগ্ৰগতি কেনেকুৱা জনাবনে?

Shri Joy Bhadra Hagjer —১৯৬৩ চনত হৈছিল।

Shri Kamini Mohon Sarma- এই বিজ্ঞান মন্দিৰত আৰম্ভনিৰ পৰা এতিয়ালৈকে কিমান টকা খৰচ হৈছে আৰু তাৰ ৰক্ষণা বেক্ষণাৰ কাৰণে কিমান টকা ধৰা হৈছে?

Shri Joy Bhadra Hagjer—প্ৰতি বছৰে ২৫ হেজাৰ বুলি কৈছোৱেই এতিয়া কিমান হ'ল হিচাব কৰি লওক।

Shri Bhubeneswar Barman—ডিমৰুৱা বিজ্ঞান মন্দিৰৰ Research Officer জন Universityত পঢ়ি আছে। এই পঢ়ি থকা সময়ছোৱাত দৰমহা লৈছিল নে নাই আৰু অনুমতি লৈ University লৈ গৈছিল নে নাই?

Shri Joy Bhadra Hager—নাই লোৱা। সেই কাৰণে আমি ব্যৱস্থা লৈ আছো।

(Voice—কি ব্যৱস্থা লৈছে)

Re: Leprosy Colony at Udalguri, Barpeta

Mrs. PRANITA TALUKDAR asked:

*222. Will the Minister, Health be pleased to state—

(a) Whether Government is aware that the Leprosy Colony of Udalguri Barpeta has created a problem amongst the local people?

(b) If so, whether Government propose to abolis the Leprosy Dolony or to shift it to a remote area?

Shri CHATRASING TERON (Minister, Health) replied:

222. (a)—No.

(b)—No.

Shri Mohidhar Pegu—আধুনিক স্বাস্থ্য বিজ্ঞান মতে কুষ্ঠৰোগক সোঁচৰা ব্যাধি বুলি ধৰে নে, নোসোঁচৰা ব্যাধি বুলি ধৰে?

Shri Chatrasing Teron—মই অৱশ্যে একেবাৰে বিজ্ঞান সন্মত হিচাবে তেখেতৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিম। কিন্তু মই এইটো জানো যে Leprosy কেইবা প্ৰকাৰৰ আছে। কিছুমান সোঁচৰা বিধৰ আৰু কিছুমান নোসোচৰা বিধৰ।

Mrs. Pranita Talukdar—Sir, I want to know whether thise Leprosy Colonies are for prevehtion of the Leprosy disease or for Spreading up of the disease ?

Shri Chatrasing Teron—It is not for the spread of the disease but it is meant for treatment of the disease.

Mrs. Pranita Talukdar—Sir, whether Minister-In-charge of Public Health is aware of the fact that the patient in the said Leprosy colony are moving from place to place and thereby spreading the disease in the adjacent areas ?

Shri Chatrasing Teron—Sir, so far as the indoor patients are concerned they are to remain inside. They are not supposed to go outside. But in addition to the indoor patients some out patients. patients also attend.

Shri Dulal Chandra Barua—Sir whether it is a fact that when a patient is admitted in the hospital, he is not allowed to go outside. How the Minister-in-charge of Public Health can say that there is outdoor patients also. No Leprosy patients is allowed to go outside.

Shri Chatrasing Teron—Sir, so far as the indoor patients are concerned I have said they are not supposed to go out but they are equally conscious human beings. At the same time most of such patients are capable of movement. They are not completely invalid. But sir, usually they are prevented from going out.

Shri Moneswar Boro—এইটো কথা সচা নে যে গৱৰ্ণমেণ্টৰ ফালৰ পৰা Loprosy সকলৰ খৰছ ভালদৰে যোগাব নোৱাৰাৰ কাৰণে বাহিৰত গৈ তেওঁলোকে খাবৰ কাৰণে চাউল আদি আনিব লগা হয়। এই Udalguri আৰু Barpeta Laprosy Colony বিলাকত বছৰি কিমান টকা চৰকাৰে দিয়ে ?

Shri Chatrasing Teron—Colony ত কিমান টকা খৰছ কৰা হয় সেইটোৰ Specific প্ৰশ্ন কৰিলে কব পাৰিম।

Shri Moneswar Boro খাবলৈ নাপালে বাহিৰলৈ নিশ্চয় যাব লাগিব।

Shri Chatrasing Teron যিটো Prescribed Rate থাকে সেই মতে একোজন Patient ক দিয়া হয়।

Shri Atul Chandra Goswami এজন Laprosy ক চৰকাৰী হিচাবত চাউল, দাইল, নিমখ, মিঠাতেল দিয়াত কিমান খৰছ হয়?

Shri Chatrasing Teron—টকা হিচাবে কব পাৰিম। হাস্পাতালত যেনেকৈ ২·২৫ পঃ দিয়া হয়, তেনেকৈয়ে দিয়া হয়।

Shri Ataur Rahman—Sir, the Udalguri Leprosy asylum has become completely dilapidated so that the patients of that centre used to go for shelter elsewhere?

Shri Chatrasing Teron—Sir, if the question relates specifically about this centre I have got no information.

Shri Ataur Rahman—Whether the Minister-in-charge of Public Health know that the pathients at the asylum go un-cared for as the M.O in-charge is an acute diabatis patient?

Shri Chatrasing Teron—Sir, I have got no information about that. Whether the Medical Offcer-in-charge is in acute diabatie patient or not.

Shri Dulal Chandra Barua—Whether the Govt. take steps so that sufficient financial assistance can be given to take proper care of these patients?

Shri Chatrasing Teron Sir, according to the latest indication that we are receiving from the Govt. of India that we are not suppose to encourage the hospital treatment of Leprosy patients. At the moment the feeling is once the disease is arrested in that case it can be treated at their respective residences also. Sir, most unfortunately there is a social stigma

regarding Leprosy patients. They are unacceptable in the society. Therefore we have experience even after the treatment of several years and after the complete cure the patients refuse to leave the colony because they feel that they will not get place in the society.

Mrs. Pranita Talukdar—Sir, as no-body can control the patients, Do our Govt. feels it necessity to shift the said colony to a remote place ?

Shri Chatrasing Teron - I do not think we can find such a remote place. What is remote today it will be populas tomorrow.

(starred Question Nos. 223 and 224 were not put and answered to as the Question absent)

Re : Demarcation of boundary of Panchayats

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানিয়ে সুধিছে :

*২২৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধুবুৰী মহকুমাৰ গোলোকগঞ্জ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্ভুক্ত বিছনদৈ গাওঁসভা মটেৰঝাড় গাওঁসভাৰ সীমা পুনঃ নিৰ্দ্ধাৰণ কৰাৰ প্ৰস্তাৱ চৰকাৰে কৰিছিল নেকি ?

(খ) যদি কৰিছিল তেনেহলে কেতিয়া কাৰ্য্যকৰী হব ?

(গ) এই সীমা পুনঃ নিৰ্দ্ধাৰণ কৰাৰ অশ্বাস মন্ত্ৰী মহোদয়ে দিয়া কথাটো সচানে ?

(ঘ) যদি সঁচা হয়, ব্যৱস্থা সোনকালে হাতত লবনে ?

ৰাজ্যিক পঞ্চায়ত মন্ত্ৰী শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে :

২২৫। (ক), (খ), (গ) আৰু (ঘ)—হয়। মাননীয় সদস্য আৰু ৪ জনৰ আবেদন পাই ধুবুৰীৰ উপায়ুক্তই যি প্ৰস্তাৱ দিলে পঞ্চায়ত আইনৰ ৩ ধাৰাৰ ২ উপধাৰা মতে নোহোৱাত ১৭।৬।৬৯ তাৰিখে ঘূৰাই পঠোৱা হল। সংশ্লিষ্ট গাওঁসভাসমূহৰ মতামতেৰে উপায়ুক্তৰ পৰা প্ৰস্তাৱ পালে যথাবিহিত ব্যৱস্থা লোৱা হব।

Shri Kabir Chandra Roy Pradhani—অধ্যক্ষ মহোদয়, ইয়াৰ আগতে যি পুনৰ নিৰ্দ্ধাৰণ কৰা হৈছিল তেতিয়া এই আইনৰ বিবেচনা কৰা নাছিলনেকি ?

Shri Devendra Nath Hazarika- চাৰ, এই পঞ্চায়তৰ সীমা পুনৰ নিৰ্দ্ধাৰণ কৰা হৈছিল যোৱা পঞ্চায়ত নিৰ্ব্বাচনৰ আগে আগে। সেই সময়ত আমাৰ উপায়ুক্ত মহোদয় সকললৈ লিখা হৈছিল যে, যদি কোনো ঠাইত কাৰোবাৰ আপত্তি থাকে তেতিয়াহলে Adjustmentৰ কাৰণে প্ৰস্তাৱ দিব পাৰে। সেইমতে চৰকাৰে ধুবুৰীৰ উপায়ুক্তৰ প্ৰস্তাৱ মানি ললে। বিশেষকৈ গোৱালপাৰা জিলাৰ আগত যিবিলাক জমিদাৰী গাৱ আছিল সেই বিলাক Settlement ৰ পিচত তাৰ সীমা বিলাক অদল বদল হয়। সেই Settlement অনুক্ৰমে যিবিলাক নতুন গাওঁ হ'ল সেইমতে ভোটাৰ List সংসোধনি কৰিব লগীয়া হৈছিল। সেইকাৰণে ধুবুৰীৰ উপায়ুক্তৰ পৰা প্ৰস্তাৱ আহ্বান জনোৱা হৈছিল সেই উপায়ুক্তই মহকুমা পৰিষদৰ লগত আলোচনা কৰি নতুন সীমা নিৰ্দ্ধাৰনৰ প্ৰস্তাৱ দিছিল আৰু সেই প্ৰস্তাৱ চৰকাৰে মানি ললে।

Shri Kabir Chandra Roy Pradhani—আইনত এটা কথা আছে যে, গাওঁসভাত ৫ হাজাৰতকৈ বেচি মানুহ হলেই যিকোনো সময়তে কোনো এখন গাওঁ Exclude বা Include কৰিব পৰা কিবা এটা ধাৰা আছে। সেইটো মই নাজানো। সেই ধাৰাটো থকাস্বত্তেও কেনেকৈ নিজে নিজে এই প্ৰস্তাবটো দাঙি ধৰিছে? ইয়াৰ দ্বাৰা গাৱ সভা বিলাকক ভাঙি ছিঙি পেলোৱাৰ ব্যৱস্থা কৰা হোৱা নাইনে ?

Shri Devendra Nath Hazarika—চাৰ, ৫ হাজাৰৰ ওপৰ হলেই তুখন গাওঁ সভা কৰাৰ প্ৰস্তাৱ গাৱ সভাই দিব পাৰে, সেইটো আইনত আছে। কিন্তু মই কৈছোৱেই যে গোৱালপাৰা জিলাত আগত যি বিলাক জমিদাৰী গাওঁ আছিল সেই গাওঁ বিলাকৰ সীমা অদল বদল হোৱাৰ উপৰিও সংখ্যা বেছি হ'ল। উদাহৰণ স্বৰূপে গোলকগঞ্জ আঞ্চলিক পঞ্চায়তত যিমান গাওঁ আছে তাৰ সংখ্যা এতিয়া বাঢ়িছে।

১৯৬০ চনত ইয়াত ৭৬ খন গাওঁ আছিল আৰু এতিয়া settlementৰ পাচত ১০৯ খন হৈছে। সেইহিচাবে গাওঁসভাৰ সীমা অদল বদলত পৰামৰ্শ দিবৰ কাৰণে উপায়ুক্তক দিয়া হৈছিল। সেই অনুক্ৰমে তেওঁলোকে পৰামৰ্শ দিছিল আৰু চৰকাৰে তাকে মানি ললে। আৰু উপায়ুক্তই মহকুমা পৰিষদৰ লগত আলোচনা কৰিছে এই পৰামৰ্শ দিছিল।

Shri Kabir Chandra Roy Pradhani—এই গাওঁ সভা দুখনত পাঁচ হাজাৰতকৈ কম মানুহ আছে। ইয়াৰ আঞ্চলিক পঞ্চায়ত প্ৰেচিডেণ্ট টানি টুনি এই গাওঁ সভা দুখন দুভাগ কৰিছে এইটো দুই এজন মানুহক সুবিধা দিয়াৰ কাৰণেই কৰা হৈছে নেকি?

Shri Devendranath Hazarika—দুই এজনক বিশেষ সুবিধা দিয়া এই কথাটো নাজানো। কিন্তু আমাৰ Record ৰ পৰা জানিব পাৰিছো যে, গোলোকগঞ্জ আঞ্চলিক পঞ্চায়তত আগতে ১৮ খন গাওঁসভা আছিল আৰু এতিয়া ২০ খন গাওঁসভা হৈছে আৰু জনসংখ্যাও পঞ্চায়ত বিলাকত ৫ হাজাৰত কৈ কম হলেও মই আগতেই কৈছো যে, ইয়াত সীমা অদল বদল কৰোতে উপায়ুক্তৰ পৰামৰ্শ মতেহে কৰা হৈছিল। কিন্তু মাননীয় সদস্যই দৃষ্টিগোচৰ কৰিছে যে, বিচনদৈ খন ৩ খনত বিভক্ত হৈছে—Part-I, Part-II আৰু Part-III, বিচনদৈ Part-II গাওঁ এখন বেলেগ গাওঁসভাৰ অন্তৰ্ভুক্ত কৰিছে, প্ৰতাপগঞ্জ গাওঁ সভাত সোমোৱা হল। এতিয়া বিচনদৈত সুমুৱাবলৈ তেখেতে প্ৰস্তাৱ দিছে। সেইটো সম্পৰ্কে আমি গাওঁসভাৰ মতামত বিচাৰিছো আৰু গাওঁসভাৰ মতামত এতিয়ালৈকে পোৱা নাই। গাওঁ সভাৰ মতামত এই কাৰণেই লব লগা হৈছে যে, সীমা অদল বদল কৰিলে নিৰ্ব্বাচিত পঞ্চায়ত বিলাক বাতিল কৰিব লগীয়া হব।

Shri Biswanath Upadhaya —Sir, I want to know whether Government has taken any decision to extend the Panchayt Act to tea garden areas.

Shri Devendra Nath Hazarika—Sir, it does not arise out of this question. The present question relates to delimination of Gaon Sabha.

Shri Atul Chandra Goswami—এই প্ৰতাপগঞ্জ গাওঁ সভা যিখন নতুনকৈ কৰা হৈছে এই খনৰ জনসংখ্যা কিমান ? আৰু বিচনদৈৰ জন-সংখ্যা কিমান ?

Shri Devendra Nath Hazarika—এতিয়া যি খন গাওঁ সভা কৰিলে ১৯৬১ চনত বিচনদৈত ৩ হাজাৰ ৬১৮ জন আৰু প্ৰতাপগঞ্জত ২৬১৩ আৰু যি খন সংশ্লিষ্ট গাওঁ সভা আছে (মটেকাৰ) তাত ৩হাজাৰ ৫ জন।

Shri Kabir Chandra Roy Pradhani—অধ্যক্ষ মহোদয়, ..........

Mr. Speaker—আপোনাৰ তিনিটা হৈ গ'ল। আইন মতে আৰু নোৱাৰে।

Re : Scheme for Development of Border Road

Shri A. K. Nurul Haque asked :

*226. Will the Minister, P.W.D (R. and B.) be pleased to state—

(a) Whether there is any special scheme taken up by the Government for the development of the Border Road of Cachar District ?

(b) Whether the same has been implemented ?

(c) If so, which are the roads where the scheme has been implemented ?

Shri Altaf Hossain Mazumder [ Minister of State, P.W.D. (R. and B) ] replied :

226. (a)—Yes.

(b)—Yes.

(c)—The name of the scheme is "Improving and black-topping Hailakandi-Gharmurra Road in Mizo-Cachar Border (1st to 86th Km.) taken up under the scheme—Border Road Security Importance, Fourth Five year Plan.

Shri Rothindranath Sen Whether any scheme known as border road scheme has been taken up in Karimganj Subdivision ?

Shri Altaf Hossain Mazumder—So far as this scheme is concerned it has been taken up under the advice of the Political Deptt. besides someother districts.

Shri Rathindra Nath Sen—It is a question about the District of Cachar. May I know from the hon. Minister incharge whether any scheme for border road has been taken up for Karimganj Subdivision ?

Shri Altaf Hossain Mazumder No, Sir, in the Fourth Plan it has not been taken up.

Shri Biswanath Upadhyaya—Will the Minister be kind enough to tell us whether due to the Mizo trouble in Ratabari constituency the Govt. propose to take up any scheme for road construction in the border areas ?

Shri Altaf Hossain Mazumder—The real position is like that. We are in need of so many roads to be improved in the various borders. A long list has been submitted by the Political Deptt. but we could not cover all of them and on priority basis some of these were taken up within the amount earmarked.

Shri Autul Chandra Goswami—অধ্যক্ষ মহোদয় কাছাৰৰ কাষতে পাকিস্তান আৰু পাকিস্তানৰ লগত আমাৰ শত্রুতা আছে। এই গুৰুত্বপূর্ণ সীমান্তত কোনো নতুন ৰাস্তা বান্ধিছেনে ? যদি বন্ধা নাই, তেনেহলে নতুন ৰাস্তা বান্ধি সীমান্ত অঞ্চলত যোগাযোগ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত দাবী জনাবনে ?

Shri Altaf Hossain Mazumder – Sir, so far the Indo-Pak border road in Karimganj Subdivision is concerned in the year 1958 the Political deptt. gave a long list of roads and those were taken up and some of them have been completed.

Shri Prabhat Narayan Choudhury—The Minister has said that a long list was submitted by the Deptt. for improvement as border roads. What are the criteria for selection of the roads and what are the names of those roads with mileage ?

Shri Altaf Hossain Mazumder Sir, they are recommended by the Political Deptt. from the consideration of the security point of view and for the movement of the police force to the troubled areas bordering Mizo District and Naga Hills. The Political Dept. recommended as per list given below—

1. Hailakandi Katli-cherra charmura Road bordering Pakistan (56 K.M.)

2. (a) Ladoigarh ali bordering Nagaland under Sibsagar Subdivision ( 97·95 k.m. )

   (b) Ladoigarh ali bordering Nagalend under Jorhat Subdivision ( 10.96 k.m. )

3 Gar Ali bordering Nagaland ( 30 k.m. )

4. Improvement and Blacktopping Halidayganj Mankachar road ( 14 miles )

Administrative approval for these 4 roads has been accorded and besides these there are some more.

5. Improvement of Blacktopping Kakripara Mankachar Road (4 miles)

Apart from that there some more roads selected in the District of Goalpara and Sibsagar. They are—

6. Merapani Kachamori Harupani road bordering Nagaland ( 26.01 k.m. )

Shri Rothindra Nath Sen – It appears that the hon. Minister is going to read out a long list of roads and immediately he finishes you will give your ruling that the time is over and so on. Sir, in fact I have asked the question particularly for the Cacher District and we are not interested to know about all those roads, If the Govt. feels that only because of the armed revolution the roads are to be constructed. I have nothing to say. We have already passed 23 years and 5 years before the hon. Chief Minister in his wisdom called for a meeting of the M. L. As of bordering constituencies and assured that the border roads will be constructed as early as possible. In Karimganj subdivision decoity is going on unabitted. The Minister is talking about Nagaland and Mizo bordering roads. Hell with those roads. I want to know whether the Govt. propose to construct the border roads in the Cachar District or not ?

Shri Altaf Hossain Mazumder – As I have already said that in the year 1958 some roads were taken up and also some of them have been completed. I can give the list if the hon. Speaker so desires,

Shri Autul Chandra Goswami – কাছাৰত কেইটা ৰাস্তা কৰিলে তাক কওক .

Shri Altaf Hossain Mazumder – Yes; Sir. These emergent road projects in the Cachar District were taken up in 1958 for construction at the instance of the Political Deptt. These are :-

(1) Construction of a road from Kalkalighat-Patharkandi Mukamtilla to Adamtilla road.

(2) Construction of a foot-path linking Sandesh to Ratanpur.

(3) Construction of Nilambazar Madanpur road.

(4) Improving a link road from Kalkalighat to Patharkandi Mukamtilla road.

(5) Alternate route from Karimganj to Silchar.

(6) Construction of road from Ujanbilbari Balia.

(7) Construction of road from Karimganj-Lakhibazar to Chandshikona.

Dr Bhupen Hazarika - অধ্যক্ষ মহোদয় তেখেত মন্ত্ৰী হোৱাৰ কাৰণেই হঠাৎ কাছাৰ সীমান্ত insecure হলনে ? উত্তৰ ফাল কি হল ?

Shri Altaf Hossain Mazumder - It is entirely incorrect. This was in the year 1958 when the roads were absolutely necessary to meet the Pak aggression.

Shri Dulal Chandra Barua - Sir, my question is we have got no grudge if the amount is doubled or totally spend for the District of Cachar. Afterall it is vulnerable point and that is to be properly looked into but may I know whether is it a fact since he has become the Minister of P.W.D. he started spending all the money meant for the Northern Region, Nagaland or Sibsagar border in the District of Cachar ?

Shri Altaf Hossain Mazumder—It is absolutely incorrect.

Mr. Speaker - Starred Questiou No. 226 is kept pending.

Re : Bridge over Burha Channel

Mrs. Pranita Talukdar asked :

*227. will the Minister, P. W. D. (R. and B.) be pleased to state —

(a) Why a bridge over Burha Channel on the Sorbhog-Kahitama P.W.D. Road has not yet been constructed ?

(b) Whether Government is aware that the Staff of the Kahitama Forest Office are facing much difficulty for crossing this Burha Channel on the Sorbhog-Kahitama P. W. D. Road ?

(c) Whether Government propose to construct a bridge over this Channel ?

(d) If so, when ?

Shri Altaf Hossain Mazumder [Minister of State, P.W.D. (R. and B.)] replied :

227. (a) The bridge was not recommended by the M.L.A. Sub-Committee.

(b)—Yes.

(c)—No.

(d)—Does not arise in view of (c) above.

Mrs. Pranita Talukdar : Sir, in view of the necessity whether it would be accommodated from the State Plan ?

Shri Altaf Hossain Mazumdar—There is no scope at the moment.

Shri Ataur Rahman What would be the approximate cost of the bridge ?

Shri Altaf Hossain Mazumdar —That estimate is not with us. We had taken estimstes only of those bridges which are recommended by the M.L.A. Sub-committee.

UNSTARRED

QUESTIONS AND ANSWERS

( To which answers were laid on the table. )

Re : Directorate of Sports and Physical Education

M. SAMSUL HUDA asked :

79. Will the Minister, Education be pleased to state –

(a) Since the abolition of the Directorate of Sports and Physical Education, Assam, who has been directing the affairs concerned ?

(b) The number of persons retrenched at the abolition of the Directorate ?

(c) Whether the Government will re-emlpoy the retrenched personnel ?

(d) If so, when and what ways ?

(e) If not, why ?

Shri Joy Bhadra Hagjer (Minister, Education) replied :

79. (a)—The post of the Director of Sports and Physical Education has not been abolished. Dr. P. K. Choudhury, Deputy Director of Public Instruction, NCC, is in-charge now.

(b)—No one has been retrenched.

(c)—Does not arise.

(d)—Does not arise.

(e)—Does not arise.

Re : Art Gallery in Assam

ড: ভূপেন হাজৰীকাই সুধিছে :

৮০। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত আৰ্ট গেলেৰী এটি স্থাপনৰ বাবে কিবা আঁচনি চৰকাৰে লৈছেনেকি ?

(খ) যদি নাইলোৱা, অদূৰ-ভবিষ্যতত এনে এটি আৰ্ট গেলেৰী পতাৰ পৰিকল্পনা হাতত লবনে ?

শ্ৰীজয়ভদ্ৰ হাগজেৰ শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিছে :

৮০। (ক)—এতিয়ালৈকে চৰকাৰে তেনে কোনো আঁচনি হাতত লোৱা নাই।

(খ)—সময়তে বিবেচনা কৰা হব।

Re : Construction of Border Roads'

Shri Dulal Chandra Barua asked :

81. Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) The amount sanctioned by the Government of India under the head construction of Border Roads' during the years 1968-69 and 1969-70 ?

(b) What is the criteria for the distribution of the amount in the various border areas in Assam ?

(c) What are the amounts already sanctioned together with the names of the projects (the names of the projects and estimated cost of those projects be furnished in details ?

Shri ALTAF HOSSAIN MAZUMDER—Minister, P.W.D. (R & B) replied.

81. (a)—

| | | |
|---|---|---|
| 1968-69 | ... | Rs.283 40 lakhs. |
| 1969-70 | ... | Rs.196 26 lakhs. |

(b)—Actual requirement is the critetion for distribution of the amount.

(c)—(i) Amounts sanctioned by the Govenment of India during past years are :—

| | | |
|---|---|---|
| 1959-60 | ... | Rs.31 24 lakhs. |
| 1963-64 | ... | Rs.32·77 lakhs. |
| 1964-65 | ... | Rs.185·90 lakhs. |
| 1965-66 | ... | Rs.190 00 lakhs. |
| 1966-67 | ... | Rs.175·76 lakhs. |
| 1967-68 | ... | Rs.309 93 lakhs. |

(ii) Three statements showing the names and the estimated cost of projects have been placed on the Table of the house.

Re : Kapahbari Marketing Society

শ্ৰীৰহিম উদ্দিন আহমদে সুধিছে :

৮২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ অন্তৰ্ভুক্ত কপাহবাৰী মৌজাৰ কপাহবাৰী মাৰ্কেটিং সমাটিক চৰকাৰৰ পৰা এখন ট্ৰাক অথবা টকা দিয়া হৈছিল নেকি ?

(খ) যদি টকা দিয়া হৈছিল, কিমান টকা ?

(গ) ট্ৰাক দিয়া হৈছিল যদি ট্ৰাকৰ কিবা বন্ধকী দলিল ৰেজিষ্টাৰী কৰি দিয়া হৈছিলনেকি ?

(ঘ) এই ট্ৰাকখন নগাওঁ টাউনৰ কোনো এটা ব্যৱসায়ী কোম্পানীক বন্ধকদি টকা আনি সভাপতিয়ে আত্মসাৎ কৰা কথাটো সঁচানে ?

শ্ৰীবিমলা প্ৰসাদ চলিহা (মুখ্যমন্ত্ৰীয়ে) উত্তৰ দিছে :

৮২। (ক) ট্ৰাক কিনিবৰ কাৰণে টকা ঋণ দিয়া হৈছিল।

(খ)—৪০,০০০ টকা

(চল্লিশ হাজাৰ টকা)।

(গ)—চৰকাৰৰ তৰফৰপৰা দলিল ৰেজিষ্টাৰী কৰাৰ নিৰ্দ্দেশ দিয়া সত্বেও সমিতিৰ সভাপতিয়ে উক্ত দলিল ৰেজিষ্টাৰী কৰা নাই।

(ঘ)—সমিতিৰ সভাপতিয়ে শ্ৰীঅব্দুল মন্নান চৌধুৰীয়ে ট্ৰাকখন Hire purchase agreement ত M/S Jamunalal Nandakishore Hoibargaon ওচৰত বন্ধক দিয়াটো সঁচা।

## *Voting on Demands for Grants

Demand No. 10—"19-General Administration-I-
Heads of state and Ministers"

Demand No 11—"19 General Administration-II-
Secretaril and Attached Offices"

Demand No. 12—"19-General Administration -III-
Commissioners and District Administration."

Demand No.—13—"19—General Administration -IV-
Director of Land Records"

Demand No. 9 "18-Parliament, State/Union Territory
Legislatures—C—Elections"

*For particulars see the Appendix of debates dated the 11th May 1970

Mr. Speaker—Now, the Chief Minister will reply to the Cut Motions moved yesterday.

Shri Pramode Chandra Gogoi—মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াৰ আগতে মই এটা কথা সুধিব খুজিছো। আমাৰ তালিকা মতে প্ৰতি দিনে কিছুমান বিষয় আলোচনা কৰাৰ কাৰণে তালিকা ঠিক কৰা হৈছে। যিহেতু প্ৰতি বিষয়তে সদস্য সকলৰ যথেষ্ট কৰলগীয়া থাকে। সেই কাৰণে প্ৰতি দিনৰ বিষয়ৰ তালিকা প্ৰতি দিনে শেষ কৰাৰ কাৰণে ব্যৱস্থা কৰা দৰ্কাৰ। এই ক্ষেত্ৰত মই অনুৰোধ কৰো যাতে আলোচনাৰ সময়ত সকলোৱে সময়ৰ প্ৰতি দৃষ্টি ৰাখি, সময় নিয়ন্ত্ৰণ কৰা প্ৰয়োজন, যাতে সকলোৱে প্ৰতি বিষয়ত অংশগ্ৰহণ কৰি আলোচনা কৰিব পাৰে।

Mr. Speaker—I have not allotted any time to hon. Members who will speak on Cut Motions It will be the responsibilits of the hon. Members to adjust their time.

Shri Rothindra Nath Sen—With due apology, Sir, I should say that it should not be the responsibility of the hon. Mebers alone to adjust their time while speaking in Cut Motions. Formerly it was the convetion that each hon Member was allowed 3 minutes time minimum and 5 minutes time maximum to speak in the Cut Motions. This was also followed by your predecessor. So, unless and until the same procedure is revived, I am afraid, we will have to face guillotine of most of the Demands which are so important that some discussion must take place on some of them. So, i would request you kindly to caution the hon'ble members while speaking on Cut Motions to stick to the time so that the daily programme is closed at the end of the day. Unless this is done, Sir, it will de difficult for us to avoid guillotine.

Shri Bimala Prasad Chaliha (Chief Minister)—Mr. Speaker, Sir. In course of discussion on the vote on General Administration yesterday, hon. Members participated in the discussion thrown very important suggestion ...(interruption).....

Shri Atul Chandra Goswami—মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমীয়াত কলে ভাল হয়।

*Shri Bimala Prasad Chaliha—সাধাৰণ প্ৰশাসনৰ আলোচনাৰ সম্পৰ্কত কেইবাজনো মাননীয় সদস্যই বহু বিলাক মূল্যবান পৰামৰ্শ আগবঢ়াইছে। আৰু লগে লগে সাধাৰণ প্ৰশাসনত বৰ্ত্তমান যি বিলাক আসোঁৱাহ দেখুৱাইছে সেই সম্পৰ্কত এখেত সকলে আঙুলিয়াই দিছে। আমাৰ কথা হল আমি যদি ধৰি লওঁ, মাননীয় সদস্য সকলৰ দৰে প্ৰশাসনীয় দুৰৱস্থাৰ কথা যি দৰে কৈছে; এতিয়া প্ৰশ্ন হব লাগিব যে এই অৱস্থাৰ উন্নতি কেনেকৈ হয়। আজি সাধাৰণ প্ৰশাসনীয় আলোচনাৰ কথা যোৱা ১০।১২ বছৰে কৈ অহা হৈছে; প্ৰায়ে কয় যে Administration complete Failure হৈছে।

এই সমালোচনা বিলাক সদায়েই থাকে। কিন্তু মই আজি কব খুজিছো যে এই কথাটো যদি Seriously লোৱা হয়, আজি Administration ৰ অৱস্থা এনেকুৱা দুৰৱস্থাত পৰিনত হৈছে। আজি কেনেকৈ এই অৱস্থা ভাল হয়। মাননীয় সদস্য সকলে এই সম্পৰ্কত ভাবিছে কিজানি মনোনিত ৰাজ্যপাল থকাৰ বাবেই এই অৱস্থা হৈছে। বহুতে ভাবিছে I. A.S. অফিচাৰ সকলে বেচি থকাৰ কাৰণেই এই অৱস্থা হৈছে—আৰু বহুতে ভাবিছে দেশৰ সাধাৰণ পৰিস্থিতিৰ অৱনতি হোৱাৰ কাৰণেই দেশত এনে অৱস্থা হৈছে। ইতিমধ্যে নানা ধৰণৰ সদস্য সকলৰ মনোভাব কথা ফুটি উঠিছে।

Shri Rothindra Nath Sen—মন্ত্ৰী সকলৰো Supervision নাই।

Shri Bimala Prasad Chaliha—এইটোও মাননীয় সদস্য সকলে প্ৰকাশ কৰিছে। কিন্তু আজি আমাৰ মনত প্ৰশ্ন হোৱা উচিত যে এই অৱস্থাৰ কেনেকৈ উন্নতি কৰিব পাৰে। Degree in differnce হব পাৰে। কিন্তু এই অৱস্থাৰ উন্নতি কেনেকৈ হয় সেই টোহে আচল কথা।

অধ্যক্ষ মহোদয়, কিছুমান কথা আমাৰ সদনত আলোচনা কৰি বাত উলিয়াব নোৱাৰো যেনেকৈ ৰাজ্যপালৰ বিষয়ে। ৰাজ্যপালৰ বিষয়ে ইয়াত আলোচনা কৰি মনোনীত ৰাজ্যপাল হব লাগেনে নিৰ্ব্বাচিত ৰাজ্যপালে হব লাগে সেই বিলাক সিদ্ধান্ত কৰাৰ অধিকাৰ নাই। বা এইটো সৰ্ব্ব ভাৰতীয় সিদ্ধান্তলৈ আহিলেহে হব, সেই কাৰণে এই 'হাত' নথকা কথা বিলাক আলোচনা কৰিব

*Speech not corrected

থোজা নাই। বাকী I. A. S. অফিচাৰ সকলৰ সম্পৰ্কে যি বিলাক বক্তৃতা কৰা হৈছে যে I.A.S. অফিচাৰ বিলাকেই প্ৰশাসনীয় অৱনতিৰ গুৰি; এই কথা মই স্বীকাৰ কৰিবলৈ বাজি নহও। মাননীয় সদস্য মইনুল হক চৌধুৰীয়ে কোৱাৰ দৰে মযো কও যে ভাৰতবৰ্ষৰ নিচিনা এখন ডাঙৰ দেশত গোট খাই থাকিবলৈ হলে, Intigration maintain কৰিবলৈ হলে সৰ্বভাৰতীয় চাকৰী যিমানেই হয় সিমানেই ভাল। আমাৰ মাত্ৰ ১১৮টা Grade cadre আছে। তাৰ ভিতৰত ইয়াত আছে ১১৪ জন। তাৰ ভিতৰৰে ২৬ জন আছে ভাৰত চৰকাৰৰ Deputation ত। ১৩ জন গৈছে মেঘালয়ালৈ। এই অফিচাৰ সকলৰ ভিতৰত ৫০ জনেই এই প্ৰদেশৰ মানুহ।

১১৪ জন I. A. S. Officer ৰ ভিতৰত ৫০ জনেই হৈছে—আমাৰ প্ৰদেশৰ মানুহ। অৱশ্যে সকলো বিলাক I. A. S. অফিচাৰৰ কথা কব নোৱাৰোঁ; কিন্তু এইটো ঠিক যে বহুত বিলাক I. A. S. অফিচাৰেই ভাল কাম কৰি দেখুৱাইছে আৰু তেনেকৈ A. C. S. অফিচাৰেও ভাল কাম কৰি দেখুৱাইছে। যদি I. A. S. অফিচাৰক নাইকীয়া কৰিব লগীয়া হয়, সেইটো কৰিব পাৰো। ইয়াৰ এটা পদ্ধতি লৈ তেওঁলোকৰ সংখ্যা কমাই আনিলে নাইকীয়া হৈ যাব; কিন্তু যি খিনি আজি I. A. S. অফিচাৰ আছে, সেই সকলক আজি অসম চৰকাৰৰ প্ৰয়োজনীয়তালৈ চাইহে বখা হৈছে। আজি অসমৰ যিটো সময় হৈছে, সেইটো সময়ত এই I. A. S. অফিচাৰ সকলৰ প্ৰয়োজন আছে আৰু এতিয়া ক্ৰমান্বয়ে বাঢ়ি আহিছে। অধ্যক্ষ মহোদয় I.A.S. অফিচাৰৰ সংখ্যা আছিল ১৯৫০ চনৰ পৰা ১৯৫৫ চনলৈকে মাত্ৰ ৩৪ জন; ১৯৫৫ ৰ পৰা ১৯৫৮ লৈকে মাত্ৰ ৪১ জন; ১৯৫৮ ৰ পৰা ১৯৬১ লৈকে ৮০ জন, ১৯৬১ ৰ পৰা ১৯৬৮ চনলৈকে ১১৭ জন আৰু ১৯৬৮ চনৰ পৰা এতিয়ালৈকে ১০৮ জন।

সেই কাৰণে আজি মই এইটো কথা সদনত নিবেদন কৰিব খুজিছোঁ যে I.A.S অফিচাৰেই হওক বা যি কোনো অফিচাৰেই হওক বা কোনো Private Secretary য়েই হওক যদি সেই সকলক আপোনালোকে সম্পূৰ্ণ নিকৎসা কৰে বা নানা কথা কৈ সমালোচনা কৰে, তেতিয়াহলে তাৰ দ্বাৰা প্ৰশাসনত অনিষ্ট হোৱাৰহে সম্ভাৱনা আছে।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছোঁ যে আমি আলোচনা বা সমালোচনা কৰি কাকো নিকৎসা কৰা নাই আৰু কাকো

বেয়া ধৰণে সমালোচনা কৰি প্ৰশাসনত যোগ্য ধৰা ব্যৱস্থা কৰা নাই। মই এই কথা কৈছোঁ যে যি সকল বাহিৰৰ পৰা আমাৰ ইয়ালৈ আহিছে তেওঁলোকে আমাক যেনেদৰে ব্যৱহাৰ কৰিব লাগে, তেনেদৰে নকৰে আৰু যেনেদৰে আমাক ভাবি গ্ৰহণ কৰিব লাগে তেনেদৰে নকৰে; আৰু আমাক বেলেগ বুলিহে গ্ৰহণ কৰি লয়।

দ্বিতীয় কথা হ'ল প্ৰশাসন যন্ত্ৰত যিটো অসম চৰকাৰৰ controlling capacity থাকিব লাগে—সেইদৰে control কৰিব নোৱাৰাৰ কাৰণে তেওঁলোকৰ পৰা আমি আৱশ্যকীয় মনোবৃত্তি যি খিনি পাব লাগে সেই খিনিৰ পৰা আমি বঞ্চিত হৈছোঁ—।

তৃতীয় কথা হল যে আমাৰ কালৰ পৰা যি সকলে এই বিষয়ে সমালোচনা কৰিছিলোঁ তাত এতিয়ালৈকে চৰকাৰে জনাইছে যে ১৫০ জন I.A.S. অফিচাৰ গোটেই প্ৰদেশত আৱশ্যকতা আছে। কিন্তু কথা হল আমাৰ যি সমস্ত যিমান খিনি আৱশ্যক হয় সেই হিচাবে আমি বাহিৰৰ পৰা অফিচাৰ আনিম। কিন্তু যেতিয়া আমাৰ আৱশ্যকতা নেথাকে তেতিয়া আমি বাহিৰৰ পৰা I.A.S অফিচাৰ অনাৰ প্ৰয়োজন নেথাকে। গতিকে মোৰ পৰামৰ্শ হল যে এতিয়া আমাৰ I.A.S অফিচাৰ আৱশ্যকতা নাই কাৰণে বাহিৰৰ পৰা অফিচাৰ আনিব নেলাগে।

Shri Bimala Prashad Chaliha—অধ্যক্ষ মহোদয়, এতিয়া A.C.S অফিচাৰ সকলক দায়িত্বপূৰ্ণ পদলৈ ক্ৰমান্বয়ে 'প্ৰমোচন' দি অনা হৈছে। সেই বিলাকৰ ভিতৰত ইয়াত বৰ্ত্তমান Director of Relief and Rehabilitation Commissioner, Director of Land Record, Director of Tourism, Director of Lotteries, Director of Small Savings and Director of Municipal Administration এই বিলাকৰ দায়িত্ব পূৰ্ণ পদত A.C.S অফিচাৰকেই বহুৱা হৈছে।

Shri Debeswar Sarmah Director of Tourism ত I.A.S officer হে আছে কিজানি?

(Voice নহয় নহয়)

Shri Bimala Prashad Chaliha—নহয়, সেই কাৰণে ইয়াৰ উপৰিও আৰু চেষ্টা কৰা হৈছে যে কেনেকৈ সংখ্যা বঢ়াই A.C.S. সকলক Higher Post ৰ সুযোগ দিব পাৰি। অধ্যক্ষ মহোদয়, কালি শ্ৰীযুত ফনী বৰা ডাঙৰীয়াই কথা কৈছিল আৰু

সেইটো নীতিগত ভাবেই বৰ ডাঙৰ কথা। তেখেতে কৈছে যে Administration ভাল হবলৈ হলে এটা ভিত্তী-প্ৰদৰ্শন থাকিব লাগে। অৰ্থাৎ Rule of fear ৰ যোগেদি সৰ্বসাধাৰণ ৰাইজক আৰু চৰকাৰক এই সকলোকে এটা ভয়েৰে বুজাব লাগিব।

Shri Phani Bora—অধ্যক্ষ মহোদয়, মোৰ কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই নেলাগে—আমাৰ এই ফালৰ মাননীয় সদস্য এজনেও ঠিকমতে বুজা নাই বুলি মোৰ ধাৰণা হৈছে। মোৰ কথাটো হল এইটো যে এজন অফিচাৰে ঘোচখাই যদি promotion পায় তেতিয়া হলে দুৰ্নীতি বন্ধ হব কিয়? সেই কাৰণে মোৰ কথা হৈছে যে যি জনে ঘোচ খায় সেই জনৰ ওপৰত এনেকুৱা এটা শাস্তিৰ নিয়ম কৰিব লাগে যাতে তেওঁৰ ১৪ পুৰুষলৈকে নাপাহৰাকৈ থাকিব। সেইটোহে মই কৈছিলো আৰু যিবিলাকে দুৰ্নীতিত লিপ্ত থাকে সেই বিলাকক এনেকুৱা এটা ব্যৱস্থা কৰিব লাগে যাতে আনেও দুৰ্নীতি কৰিবলৈ ভবিষ্যতে ভয় কৰে। সেই ভয় থাকিব লাগিব যদি প্ৰশাসন থিক হব লাগে।

Shri Bimala Prashad Chaliha—এইটোকেই যদি কৈছিলে তেতিয়াহলে মই মাননীয় সদস্যক ধন্যবাদ জনাইছোঁ। কিন্তু Rule and Fear হোৱাটো গণতান্ত্ৰিক দেশত consistent কথা নহয়।

তাৰ পাছত অধ্যক্ষ মহোদয়, নক্সাল পন্থীৰ বিষয়ে কালি আলোচনা কৰিছে। কিন্তু এইটো চৰকাৰৰ attitude হৈছে যে আমি এই বিষয়ে চৰকাৰে over estimate ও কৰা নাই আৰু under estimate ও কৰা নাই আৰু যদি তেওঁ-লোকক একোৱেই কৰা নহয়, তেতিয়াহলে সদায় এই চৰকাৰকেই দায়ী কৰিব আৰু সেই নক্সাল পন্থীক ৰাজ্যত প্ৰতিপাদ্য বিস্তাৰ কৰিবলৈ দিয়াটো চৰকাৰৰ কেতিয়াও উদ্দেশ্য নহয়।

এই নক্সাল পন্থীৰ বিষয়ে যিদিনা এটা প্ৰশ্নৰ প্ৰসঙ্গত শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছিল যে চৰকাৰে এটা স্পষ্টিকৰণ নীতি লব লাগে। কিন্তু মই কৈছো যে আমাৰ সংবিধানে সকলো বিলাক স্বাধীনতা দিছে; কেৱল এটা দিয়া নাই,—সেইটো হৈছে হিংসামূলক কাৰ্য্যকলাপ। কিন্তু হিংসামূলক কাৰ্যকলাপ হলে যি দলেই নহওক সেইটো বাধা দিব লাগে আৰু সেইটোৱেই হৈছে আমাৰ constitution।

ইয়াত শ্ৰীযুত বৰা ডাঙৰীয়াই কালি কৈছিল যে কোনোৱা C.I.D. য়ে তেখেতৰ Telephone টো ধৰিলে। সেইটো মই কালি ভালকৈ বুজি নাপালো আৰু এইটো

তেখেতে কেনেকৈ C. I. D. যে Telephone ধৰিলে বুলি সন্দেহ কৰিলে। সেইটো মই ধৰিব নোৱাৰিলো।

চাৰ, Bureaucracy সম্পৰ্কে জৱহৰলাল নেহৰুৰ এটা কথা কব খুজিছো। তেখেতে কৈছে যে Socialism ৰ লগত Bureaucracy বেছি হয়। অৰ্থাৎ Socialism ৰ লগত Bureaucrtic মেচিন নহলে Socialism প্ৰৱৰ্ত্তিব নোৱাৰে। সেই কাৰণে আমাৰ ইয়াতো Bureaucratic গোট আছে, সেইটো বিশেষ ভাবে বাঢ়ি আছে বুলি মই নাভাবো।

Shri Gourisankar Bhattacharyy —এইটো জৱহৰলাল নেহৰুৰ ব্যাখ্যা বেলেগ বেলেগ ধৰণে হয়। জৱহৰলাল নেহৰুৱে Bureaucracy আৰু Bureaucrat ৰ পাৰ্থক্য কৰি কৈছিল Bureaucracy হল এনেকুৱা এটা system য'ত কিছুমান Heartless মেচিনে কাম কৰে কিন্তু Socialism ত Bureaucracy থাকিলেও অফিচাৰ সকলৰ Heart থাকিব লাগিব।

Shri Bimala Prasad Chaliha —এইটো বুজাত ভুল হব পাৰে কিন্তু এই কথা যিনি তেখেতৰ মুখৰ পৰাই শুনিছিলো, অৰ্থাৎ সৰল ভাবে কবলৈ হলে আজি যি বিলাক Means of Production আছে তাৰ পৰা যদি Private owaership গুচাই দিয়া হয় তেন্তে সেই বিলাক কাক দিব ? কিছুমান অফিচাৰৰ হাতত দিব লাগিব, আৰু তাত কিছুমান Trade Union ও থাকিব পাৰে—। এইটো এক হিচাবে Bureacracy বুলিব পাৰি।

[ Voice—(হয় এইটো এক হিচাবে Bureaucracy বুলিব পাৰি। )

মই যোৱা কালি সদনত হোৱা আলোচনা বিলাক শুনি ভাল পাইছো আৰু আটাইতকৈ বেছি ভাল পাইছো গৌৰীশংকৰ ভট্টাচাৰ্য্যৰ কথাখিনি শুনি। তেখেতে কৈছে যে এই অৱস্থা বিলাকত আমি বিভিন্ন সমস্যাৰ সন্মুখীন হব লাগিব আৰু সেইদৰে সেই সমস্যা বিলাক অতিক্ৰম কৰি আগবাঢ়ি যাব লাগিব। কিছুমান সমস্যা আহি পৰিলে সেই সমস্যা সমাধান কৰিলেও আকৌ কিছুমান সমস্যা আহি পৰে আকৌ সেইবিলাকো সমাধান কৰিলৈ আগবাঢ়িব লাগিব। এইদৰে আমি প্ৰগতি কৰিব লাগিব। কিন্তু যি সকল মাননীয় সদস্যাই নিৰাশ ভাব লৈ কৈছিল সেই বিলাক শুনি মনত দুখ পাইছো। মই ভাবোতে নিৰাশ হবলগীয়া একো নাই। হয়, আমি বৰ্ত্তমান অৰ্থ নৈতিকেই

হওক বা ৰাজনৈতিকেই হওক এটা পৰিস্থিতিত পৰিছো সেই পৰিস্থিতি বা অৱস্থাৰ পৰা আমি চেষ্টা কৰিলেই অতিক্ৰম কৰিব পাৰিম।

মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই বহুত বিলাক অভাৱ অভিযোগৰ কথা কৈছে আৰু মন্ত্ৰী সকলৰ দৰমহা আৰু T. A. ৰ সম্পৰ্কে কৈছে। প্ৰত্যেক আলোচনাতেই এইটো বিষয় থাকে।

( হৰ্ষধ্বনি )

ইয়াত বিশেষকৈ Green view অৰ্থাৎ চন্দ্ৰ ফুকনৰ Industry সম্পৰ্কে তেখেতে উল্লেখ কৰিছে। এই সম্পৰ্কত মই Industry Minister ৰ পৰা খবৰ কৰি জানিব পাৰিছো যে Small scale Industry developement Corpn. ৰ লগত তেখেতৰ অৰ্থাৎ ফুকন ডাঙৰীয়াৰ যি সম্পত্তি তাৰ মূল্য লৈ মতানৈক্য হৈছে। আৰু তাৰ কাৰণে Small scale Industry corpn. এ সেইটো লোৱা নাই। তেখেতে যি মূল্য বিচাৰিছিল সেইটো অতিৰিক্ত বুলি Small scale Industry Comission এ বৰ্ত্তমান লোৱাৰ কথা নাই বুলি Industry Minister এ জানিবলৈ দিছে।

Dr. Bhupen Hazarika Public Accounts Committeeৰ Recommendation ত এটা লাইন আছে য'ত সৰু Industry বিলাকক সহায় কৰিব লাগে বুলি কৈছে গতিকে চন্দ্ৰ ফুকনৰ সম্পত্তিত পুনৰ evaluation কৰিব নোৱাৰিনে? কাৰণ তাত ডেড় লাখ টকাৰ আনাৰস নষ্ট হৈ যাব ধৰিছে।

Shri Bimala Prasad Chaliha আমাৰ Industry Minister আহিছে তেখেতে ভালকৈয়ে কব পাৰিব।

মইকুলহক চৌধুৰীয়ে কেইটামান Constructive Suggestion আগবঢ়োৱা বাবে মই ধন্যবাদ জনাইছো। যেনেকৈ Important circular বিলাক Depa-rtmental circular বিলাক codify কৰাৰ কাৰণে পৰামৰ্শ দিছে আকৌ আইন যি বিলাক পাৰলৈ নোহোৱা হৈছে বা up-to date হৈ থকা নাই সেই বিলাকক Codify কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। সেই বিলাক পৰামৰ্শ সম-য়োপযোগী হৈছে আৰু আমি গ্ৰহণ কৰিছো। এই পৰামৰ্শ বিলাক কেনেকৈ কাৰ্য্যকৰী কৰিব পাৰি চেষ্টা কৰিম।

Recruitment Ratio বঢ়োৱা সম্পৰ্কে মই এক প্ৰকাৰ আশ্বাস দিয়াৰ

নিচিনা দিছিলো, কিন্তু বিভাগ বিলাকে পৰীক্ষা কৰি পেলাই জানিবলৈ দিলে যে এইটোৰ দ্বাৰা আমাৰ নিবনুৱা সমস্যা সমাধানত বিশেষ সহায় নহব। কাৰণ ইতিমধ্যে যিবিলাকে পাচ কৰি আছিছে সেইবিলাকৰ সমস্যা থাকি যাব। সেই কাৰণে এইটো কৰা হোৱা নাই।

আমাৰ সাধাৰণ প্ৰশাসন সম্পৰ্কত, দেশৰ অৰ্থ নৈতিক, ৰাজনৈতিক অৱস্থাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। আজি যি বিলাক দেশত অৰ্থ নৈতিক সমস্যাৰ সন্মূখীন হৈছে, অসম আৰু ভাৰতবৰ্ষ দুয়োখনেকেই দেশ বুলি কৈছো, বা যি বিলাক ৰাজনৈতিক অৱস্থাৰ সৃষ্টি হৈছে সেই বিলাকৰ ওপৰতো সাধাৰণ প্ৰশাসন ব্যৱস্থা নিৰ্ভৰ কৰে। কালি ভট্টাচাৰ্য্য ডাঙৰীয়াইও সেই বিষয়ে কিছুমান কথা কৈছে। Politician বিলাকৰ যে কিছুমান দায়িত্ব আছে সেইটো ঠিক। যদি party বিলাক তেনেকৈ নচলে indiscipline ৰ কাৰণে, আৰু Politician বিলাক যেনেকৈ চলিব লাগে তেনেকৈ নচলে তেন্তে তাৰ দ্বাৰা সাধাৰণ প্ৰশাসনীয় অৱস্থাৰ ব্যাঘাত হয়। ইয়াত যি বিলাক Anomolies আছে সেইবিলাক ঠিক কৰিবৰ কাৰণে দিয়া হৈছিল। যোৱা Pay committee ৰ পিচত তাত খবৰ লৈ জানিব পাৰিছো যে তাৰ ⅔ নিষ্পত্তি হ'ল আৰু চাৰি ভাগৰ এক থাকিল, এটা Continuity ৰাখিবৰ বাবে ধৰ্ম্মানন্দ দাস ডাঙৰীয়া Electricity Board লৈ গলেও তেখেতকে সেই বিলাক কাম কৰিবলৈ কোৱা হৈছে।

ইয়াত মাননীয় সদস্যসকলক মই কব খোজো যে যি কাৰণতে নহওক লাগিলে বৰ্ত্তমান আমাৰ প্ৰদেশত Tension চলি আছে। মাটি বাৰীৰ Tension ৰ ওপৰিও অন্য কিছুমান অবাঞ্চনীয় Tension চলি আছে? যাৰ দ্বাৰা দেশৰ ৰাজনৈতিক আৰু অৰ্থ নৈতিক উন্নতি হব নোৱাৰে। সেই বিলাক দমন কৰাটো আজি বিশেষ ভাৱে দৰকাৰ আৰু তাৰ বাবে সুস্থ ৰাজনৈতিক পৰিস্থিতি বা ৰাজনৈতিক অৱস্থা সৃষ্টি কৰাটো দৰকাৰ। তাৰ বাবে মই সকলোবোৰ সদস্যৰে সহযোগীতা কামনা কৰিছে। মোৰ ব্যক্তিগত বিষয়ে যি উল্লেখ কৰা হৈছে সেইটো ঠিকেই যে ১২ বছৰ আগতে মোৰ যিমান শক্তি বা ক্ষমতা আছিল, আজি সেই শক্তি মোৰ হাতত নাই। এইটো অস্বীকাৰ কৰিব লগীয়া কথা নহয়।

(Voice হাতত নাই নে গাত নাই)

গাত নাই। সেই কাৰণে মই অসুস্থ হোৱাৰ ফলত কামত ব্যাঘাত হৈছে সেইটো

মই জানো আৰু সেইবিলাক এতিয়া কেনেকৈ পাৰি অতি সোনকালে ঠিক কৰিবলৈ যত্ন কৰা হৈছে।

অধ্যক্ষ মহোদয়, এইটো কও যে, General Administration ৰ Cut-motion টো যেন উঠাই লয়।

Shri Sailen Medhi—আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা বিশেষকৈ শ্ৰীফনী বৰাই ডাঙৰীয়াই যি consultative কমিটি, পাৰ্লিয়ামেণ্টত আছে সেই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কি অভিমত জনাবনে?

Shri Bimala Prasad Chaliha—অধ্যক্ষ মহোদয়, সেইটোৰ এটা ষপৰাই উত্তৰ দিব খোজা নাই। কাৰণ সেই Act ৰ working কেনেকৈ হব, সেই বিলাক চাইহে বিবেচনা কৰিব লাগে। মোৰ সহকৰ্মী ৰাজহমন্ত্ৰীয়ে আগতে প্ৰশ্নৰ উত্তৰ উল্লেখ কৰিছে যে এই বিষয়টো এটা বিবেচনা যোগ্য বিষয়। সেই কাৰণে মই থাটাং উত্তৰ দিব খোজা নাই।

Dr. Bhupen Hazarika—মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে এইটো কেন্দ্ৰৰ বিষয় সেই কাৰণে তেখেতে চিন্তা কৰিব খোজা নাই। এই ৰাজ্যপাল জনক চলাবলৈ যিখিনি পইচা খৰছ হয় সেই খিনি অসম চৰকাৰে দি আছে বুলি শুনিছো, সচানে মিছা নাজানো। ওচৰ চুবুৰীয়া ৰাজ্য বা উপৰাজ্যত কাম কৰাৰ কাৰণে তেখেতে তাৰ পৰা অংশ পায় নে নাপায়?

Shri Bimala Prasad Chaliha—তাৰ অংশ পায়।

Shri Atul Chandra Goswami—ৰাজ্যপালে চিলঙৰ পৰা নাগালেণ্ড বিধান সভা উন্মোচন কৰিবলৈ যাওতে অসম চৰকাৰে চিলঙৰ পৰা ডিমাপুৰলৈ পইচা দিব লাগে আৰু ঘূৰি আহোতে ডিমাপুৰৰ পৰা চিলঙলৈ পইচা দিব লাগে এইটো হয়নে?

Shri Bimala Prasad Chaliha—সেইটো থাটাংকৈ কব নোৱাৰো। মোৰ বোধেৰে সেইটো হব নালাগে।

Shri Promode Chandra Gogoi—মই এটা চৰকাৰৰ পৰা স্পষ্টিকৰণ বিচাৰো। কালি বিতৰ্কৰ সময়ত উত্থাপন হৈছিল যে এই চৰকাৰৰ কেইজন মান মন্ত্ৰীৰ বিৰোদ্ধে দুৰ্নীতিৰ অভিযোগ আহিছে আৰু ৰাজহুৱা ভাৱে উলিয়াইছে। সেই

ক্ষেত্ৰত শ্ৰীভট্টচাৰ্য্য ডাঙৰীয়াই কৈছিল যে আমাৰ এই সদনৰ সদস্যসকল আনকি মন্ত্ৰীসকলৰ কাৰণেও code of conduct নিৰ্দ্ধাৰণ কৰা দৰকাৰ, যিটো সকলোৰে বাবে প্ৰযোজ্য। মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে যেনেকৈ কেৰেলা প্ৰদেশত এটা Public Enquery Act কৰিছে, যি Act ৰ ভিতৰত মন্ত্ৰীসকল পৰে, M.L.A. সকল পৰে; অৰ্থাৎ যিবিলাকক ৰাজহুৱা নেতা বুলি কোৱা হয় তেওঁলোকৰ ওপৰত যদি দুৰ্নীতিৰ অভিযোগ উঠে, তেওঁ লাগিলে মন্ত্ৰীয়েই হওক বা M.L.A ই হওক সেই সকলৰ বিৰুদ্ধে তদন্ত কৰিব পাৰে। এই বিষয়ে Administrative Reforms Committeeএও অনুমোদন কৰিছে। তেনেকুৱা এখন আইন প্ৰণয়নৰ কথা আমাৰ চৰকাৰে বিবেচনা কৰিবনে?

Shri Bimala Prasad Chaliha - ইয়াত অনান্য মন্ত্ৰীৰ কথা উঠা নাই। কৃষি মন্ত্ৰীৰ বিৰুদ্ধে যি অভিযোগ উঠিছিল সেই বিষয়ে তদন্ত কৰিবলৈ এই সদনেই কমিটি কৰি দিছে। গড়কাপ্তানী মন্ত্ৰীৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্ত মই কৰি আছো। তাৰ বাহিৰে আন কাৰো বিৰদ্ধে অভিযোগ আছে বুলি নেজানো। ইয়াত যি বিলৰ কথা কৈছে সেইখন Parliament ৰ Lower House এ pass কৰিছে, Upper House এ এতিয়াও পাচ কৰা নাই। তেনেকুৱা এখন আইন অনাৰ কথা আমি ভাবিছো।

Shri Dulal Chandra Barua – মূখ্য মন্ত্ৰীয়ে উত্তৰত কৈছে যে নানা ৰকমৰ কথা সদায় আলোচনা হয়। মই মূখ্য মন্ত্ৰীৰ পৰা স্পষ্ট ভাবে জানিব বিচাৰিছো মন্ত্ৰী সকলে সা-সুবিধা পোৱা ক্ষেত্ৰত নীতিগত ভাবে পাব লগাবোৰ দিব লাগিব। তাৰ বাহিৰে মন্ত্ৰীসকলে যিবিলাক খৰচ কৰে সেই বিষয়ে মূখ্য মন্ত্ৰীয়ে কি বিবেচনা কৰে? দ্বিতীয়তে হৈছে মন্ত্ৰী সভাই যি সিদ্ধান্ত কৰে সেই সিদ্ধান্তবোৰ কাৰ্য্যকৰী কৰা ক্ষেত্ৰত বেলেগ বেলেগ বিভাগলৈ পথায় দিয়ে। কিন্তু কাৰ্যাকৰী কৰাৰ বেলিকা আফিচাৰ বিলাক অৱহেলা কৰে। বিভিন্ন বিভাগত বিচাৰিলে দেখিব মন্ত্ৰী সভাৰ সিদ্ধান্ত ২০০ পৰা ৪০০ টো এতিয়াও untouch হৈ পৰি আছে। সেই সিদ্ধান্ত বিলাক কাৰ্যাকৰী কৰিবলৈ মূখ্যমন্ত্ৰীৰ ফালৰ পৰা কিবা ব্যৱস্থা লৈছেনে? আমাৰ গৱৈদেৱে কোৱাৰ দৰে মন্ত্ৰীসকল হৈছে সকলোৰে আদৰ্শ। যদি তেওঁলোক নিজৰ দায়িত্বৰ বাবে সাৱধান হয় তেতিয়া আন মানুহকো অনুপ্ৰাণিত কৰিব। যদি মন্ত্ৰী সকলে ৰাজনৈতিক ভাবে কোনো কাম কৰে বা স্বজন প্ৰীতি কৰে তাৰ বাবে নিজেও অপদস্থ হব লাগে। Code of Conduct মন্ত্ৰী সকলৰ কাৰণেও দৰকাৰ আৰু সদস্য সকলৰ কাৰণেও দৰকাৰ। এই কথা মূখ্য মন্ত্ৰীয়ে স্পষ্টিকৰণ কৰিব লাগে।

Shri Bimala Prasad Chaliha - অধ্যক্ষ মহোদয়, বক্তৃতা দিয়ে উল্লেখ কৰা কথাটোৰ আগতে, মোৰ কথা এটা কবলৈ থাকি গ'ল, যে, সিদিনা বক্তৃতা প্ৰসংগত মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা দেৱে আমাৰ প্ৰবীন Minister; State Transport ৰ কথা উল্লেখ কৰিছিল যে, তেখেত Diamond মিটাৰ কিনাত involve, মই তেখেতৰ পৰা পাইছো While discussing the Cut motion, hon Member Shri Dulal Chandra Barua alleged that I am involved in the purchase of Diamond Meters. In this connection, I may inform the House that neither myself nor the Government purchased such meters. There was a complaint from the public that the Taxi Drivers are charging exorbitant rate to the travelling public. In order to remove such complaint, Government decided that meters should be fixed in every taxi. The taxi owners on the plea that there no facility for repairing it is not possible to fit the meters. I assured the House that Government will see that taxi owners implement the decision of the Government and the Assurance Committee also pressed the Government to implement the decision. What Government did was that vehicles without meters were not allowed to run on the road and the taxi owners launched a strike against the decision of the Government. However, Government was adamant and did not concede to their request. At last the taxi owners decided to fix taxi meters and they made mutual arrangement with the Diamond Meter Company.

Shri Dulal Chandra Baruha—আমাৰ যি খিনি House ত পাৰলগীয়া আছে তাৰ স্পষ্টি কৰণ পাৰ লাগে ।

Shri Bimala Prasad Chaliha—তেখেত মাননীয় সদস্যই এটা কথা কৈছে যে যিবিলাক Cabinet Decision হয় বা Minister ৰ Order হয় সেইবিলাকৰ Execution ত বেমিয়েলি হয় বা Properly নহয় সেইটোৰ কাৰণে কি ব্যৱস্থা লৈছে । দ্বিতীয়তে এটা code of conduct ৰ বিষয়ে মাননীয় সদস্য শ্ৰীগৌৰীশঙ্কৰ

ভট্টাচাৰ্য্য ডাঙৰীয়াইও কৈছিল যে, সকলোৱে মাজত এটা code of conduct হব লাগে।

অধ্যক্ষ মহোদয়, মই ভাবো এই code of conduct খন ৰচনা কৰিবলৈ হলে বিশেষকৈ আমাৰ সদনৰ সদস্য সকলৰ বাবে উপযুক্ত লোক হব আপুনি বা আপুনি নিয়োগ কৰা কমিটি। সেই খন তেনেকুৱাকৈ গঠন কৰিলে ভাল হব।

তাৰ পাচত বাকী গৰ্ভনমেণ্টৰ যি বিলাক cabinet ৰ সিদ্ধান্ত যদি কোনো ঠাইত সেই বিলাক পালন কৰা হোৱা নাই আৰু এই বিলাক ধৰা পৰিলে উপযুক্ত কঠোৰ ব্যৱস্থা লোৱা হয়। মন্ত্ৰীৰ Order সম্পৰ্কেও তেনেকুৱা ব্যৱস্থাই লোৱা হয়।

Shri Biswadev Sarma—অধ্যক্ষ মহোদয়, মই Green-View সম্পৰ্কে অলপ কব খুজিছো। মূখ্যমন্ত্ৰীয়ে কৈছে যে, তেখেতৰ লগত আমাৰ এটা অমিল হৈছে। আমি এটা company কৰি দিব লগা হৈছে। এই company কৰি দিয়াৰ আগতে Assets and Liabilities চাব লগা হ'ল। এতিয়ালৈকে ১৯৫৪ চনৰ পৰা গৰ্ভনমেণ্টৰ পৰা ধাৰে লৈছে ৩ লাখ টকা আৰু Assets and Liabilities ৰ মূল্য ৩ লাখ ৭২ হাজাৰ টকা। ফুকন ডাঙৰীয়াৰ মতে সেই মাটিৰ মূল্য ২০ লাখ টকা। এইটো নিৰ্দ্ধাৰণ কৰাৰ পিচত দেখা গ'ল যে, তাৰ ভিতৰত বহুতো চৰকাৰী মাটি আছে। গতিকে সেই কথাখিনিৰ লগত মিল নহয়। ইয়াৰোপৰি তেওঁক এটা Remuneration লাগে বছৰি ১৫ হাজাৰ টকা। ইপিনে company ৰ অংশ আমাৰ মতে ৩৬ হাজাৰ টকা। তেওঁক যদি বছৰি এই Remuneration দিবলগা হয় তেনেহলে সেই company এ প্ৰথম বছৰতেই দেউলীয়া হ'ব। গতিকে এই company এ Profitability ৰ কাৰণে নাচায়। corporation সম্পৰ্কে সদস্যসকলে সমালোচনা কৰিছে। যোৱা ডিচেম্বৰ মাহতে তেখেতৰ লগত আমাৰ মিল হোৱা নাই কাৰণে কাম চলাব নোৱাৰিম। ডিচেম্বৰ মাহৰ Pine-apple ৰ দায়িত্ব তেওঁৰ হাতে আছে।

দ্বিতীয়তে Public accounts committee এ অলপতে এই অনুষ্ঠানটো চাবলৈ গৈছিল আৰু বিৰোধী দলৰ অন্যতম সদস্য শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়া তাৰ সভাপতি আছিল। তেখেতৰ এটা বাক্য পঢ়ি দিলেই এইটো পৰিষ্কাৰ হব।

"After considering all aspects of the matter, the Public Accounts Committee further recommends that as it is a losing concern and as there is no p ›ssibility of the concern becoming profitab!e, it would be in the fitness of things that the Government should withdraw its participation in the concern." In view of this Report we cannot participate in this concern.

Shri Phani Bora—One question is involved here. Now the Government has come to the conclusion that as a result of the recommendation of the Public Accounts Committee or on the basis of their own judgement they should withdraw their participation in the concern. Before settling all these matteis why the Government or the S.I D.C. went ahead with the investment and changed the specifications of the arrangements like machineries etc ? Why all these things were done before examining all the connected thereto and before coming to a final conclusion thereby put that gentleman in difficulty and also put our money in a place which is very difficult to be recovered ?

Shri Biswadev Sarma—চাৰ, এই কথা বিলাক মই আগতেই কৈছো। হাজৰীকা ডাঙৰীয়াই Pine apple ৰ কথা কৈছে। তেখেতৰ লগত আলোচনা কৰি Agreement ত আহিছে এই Company টো আৰম্ভ কৰিছিল। এই বস্তু বিলাক বজাৰত বিক্রি হয়। তাৰ কাৰণে Advance হিচাবে যথেষ্ঠ টকা দি টিংত ভৰাই বাচিয়া আদিলৈ Export কৰা হয়। প্রথমতে Small scale Industry commission ৰ লগত লগ লাগিয়েই কাম আৰম্ভ কৰিছিল। Finally company কে এইটো কৰিবলৈ দিয়া হ'ল। এতিয়া যি বিলাক মাননীয় সদস্যই কৈছে তাৰ কাৰণে Shri ধৰ্ম্মানন্দ দাস ডাঙৰীয়াই Arbritate কৰি পৰামৰ্শ দিব।

Shri Dulal Chandra Barua: এই বিষয়টো সদনত বহুবাৰ আলোচনা আগতেই কৰা হৈছিল। ইয়াৰ কোনো Assessment নোহোৱাকৈ at a stretch Agreementত আহিব নোৱাৰে। আৰু ইয়াত Agreement ঠিক নকৰাকৈ sign কৰিলে। আপুনি আচৰিত হব তাৰ এজন বিষয়া মোৰ সমন্ধীয়া মোৰ ভায়েই। তেওঁ এই বিলাক কথা ইয়াৰ আগতে দাঙি ধৰিছিল। তেওঁ এতিয়া suspense কৰা

হৈছে। বিষয়া জনে প্ৰকৃত সত্য কথাই কৈছিল যে, proper assessment নকৰাকৈ এই বিলাক কাম কৰিব নালাগে। আৰু ইমান Dovotion ৰে কাম কৰা বিষয়াক অন্ততঃ যি কোনো প্ৰকাৰে সাহায্য কৰি Industry বিলাক জীয়াই ৰাখিবৰ কাৰণে অনুৰোধ কৰিলো।

Shri Gauri Sankar Bhattacharyya : গোটেই বস্তুটো খিচিৰি হৈছে।

Shri Biswadev Sarma : In view of Public Aecnunts Committee's stricture we cannot participate.

Shri Gaurisankar Bhattacharyya—Sir, I am prepared to help any person who is endeavouring to do any industry in Assam. Regarding the Green View Products Kuthari, what has been found by the Accountant General will be found in the first page of the Report of the Public Accounts Committee, 1969-70, It is the finding of the Accountant General Assam in the Audit Report, 1967, paragraph 25 pages, 37-38.

"This paragraph brings out that the Government paid loans to Messrs Greenview Products, Kuthari, Nowgong for improvement of fruit preservation and canning industry and showed an example how the defaulters were treated by this (Industry) Department. The first loan of Rs. 12,500 was sanctioned on 23.2.54 The terms of the loan included (1) rate of interest at 5 per cent per annum, (2) Penal interest for default at 5 per cent per annum, (3) the loan was made payable in 5 equal yearly instalments commencing from 1.4.55. Property valued at Rs. 25,735 which was certified to be encumbrance free by the Deputy Commissioner, Nowgong was pledged as a security against this loan. The loanee, however, defaulted in repayment. The Director of Industries stated that for the first loan the Department filed Bakijai cases but in the mean time the second loan came in. After this default the Government in the Industries Department was pleased to grant another loan on 7.8.58

and this time the loan amounted to Rs. 50,000. The first and the second conditions were like those of the first loan. The terms of payment were that loans were repayable in 10 equal annual instalments commencing after a year from the date of disbursement. The previous outstanding amounts, however, were deducted from this loan. The date of the drawal of the loan was the same as that of disbursement viz 25.9.58. This time landed property valued not less than rupees one lakh unencumbered was pledged against this loan as security. This time also the loanee defaulted. Then after the second default, the loanee was sanctioned another loan of Rs 2,50,000 on 11.8.61. deducting therefrom the amounts due from him for the second loan. The rate of interest fixed for this loan was also 5 per cent per annum and in the original agreement. the penal interest also was fixed at the same rate. After objection from the Accountant General, however, the penal interest was raised to 8 per cent. This loan was made payable in 10 equal annual instalments, first instalment being due on completion of two years after disbursement of the first instalment. This loan was channelised through the Assam Financial Corporation and for this purpose the Government entered into an agreement with the said Corporation. Since the actual dates of disbursement are not available except the first one which was in August, 1961 it was not possible for the Committee to give any categorical opinion as to whether the Corporation had made on-the spot scrutiny of the construction of buildings, installations of machineries of the factory and sheds and operation of the plant. At any rate it was clear that the scheme did not achieve the desired or expected target. Therefore, and because of the bad health of the proprietor, the Government through M/s Assam small Industries Development Corporation Limited had to take over the management of the concern on 1.4.68. No formal agreement for this, however, has been entered into uptil now and M/s Assam Small

Industries Development Corporation Limited is managing the concern on an experimental basis so to say and in a capacity which is yet to be defined. The Director of Industries explaining the reasons as to why the Government had given the loans to the loanee inspite of defaulting in repayment said that Government thought that Industry was expanding further and further and it would be proper to give the loan in the interest of industrial Development.

The Committee also notes that inspite of existance of rule 370 (b) of the Assam Financial Rules according to which penal interest, if any, should be not less than 8 per cent, the Government continued to fix the penal interest only at 5 per cent till 1961 when after some correspondence with the Accountant General, the Government intimated in July, 1961 that they had decided to raise the rate of penal interest to 8 per cent.

Another point which the Committee notes is that at the time of granting the second loan, the previous dues from the loanee were adjusted and to that extent, the Government did not loss monetarily. But the face remains that the subsequent loans were sanctioned to a defaulter. This might make loanees complacent or at least not very keen for making payments of interests and instalments. Other loanees may cite this as precedent for getting similar benefits or considerations."

Government in the Industries Department did not follow the Financial Rules laid down in the Assam Financial Rules (Rule 370 (b). If anybody is at fault it is the Industries Department to take necessary action.

Mr. Speaker: Order; order please. I put the Cut Motions.—

Nos. 10, 11, 12, 13 and 9 together.

(The House divided.)

Noes—

Shri Bimala Prasad Chaliha
„ Mahendra Mohon Choudhury
„ Kamakhya Prasad Tripathy
„ Chatrasing Teron
„ J. B. Hagjer
„ Ramesh Mohon Barooah
„ Mahendra Nath Hazarika
„ Abdul Matlib Mazumder
„ Biswadev Sarma
„ Syed Ahmed Ali
Shrimati Padma Kumari Gohain
Shri Prabin Kumar Choudhury
„ Devendra Nath Hazarika
„ Altaf Hossain Mazumder
„ Ranendra Basumatary
„ Sai Sai Terrang
„ Dandi Ram Dutta
„ A. Thanglura
„ Abdul Kasem
„ Ataur Rahman
„ Azizur Rahman Choudhury
„ Bahadur Basumatary
„ Shri Biswanath Upadhyaya
„ Debeswar Sarmah
„ Dhani Ram Rongpi
„ Dharanidhar Choudhury
„ Govinda Chandra Bora
„ Golock Chandra Patgiri
„ Jadu Nath Bhuyan
„ Karuna Kanta Gogoi
Shrimati Lily Sen Gupta
Rani Manjula Devi

Shri Manik Chandra Das
,, Mathura Mohon Sinha
M. Moinul Haque Choudhury
Shri Nakul Chandra Das
,, Narayan Chandra Bhuyan
,, Paramanandra Gogoi
,, Prabhat Narayan Choudhury
,, Piafulla Choudhury
Mrs. Pranita Talukdar
Shrimati Pushpalata Das
Shri Puspadhar Chaliha
,, Ratneswar Konwar
,, Sadhan Ranjan Sarkar
,, Surendra Nath Das
,, Uttam Chandra Brahma

Ayes—

Shri Abala Kanta Goswami
,, A. N. Akram Hussain
,, Atul Chandra Goswami
,, Bhadreswar Gogoi
,, Bhubaneswar Barman
,, Bhadra Kanta Gogoi
Dr. Bhupen Hazarika
Shri Dulal Chandra Boruah
,, Gauri Sankar Bhattacharyya
,, Govinda Kalita
,, Kabir Chandra Ray Pradhani
,, Kamini Mohon Sarmah
,, Kehuram Hazarika
,, Maneswar Boro
,, Mohidhar Pegu
,, Nameswar Pegu

Shri Phani Borah
,, Promode Chandra Gogoi
,, Ramesh Mohon Kouli
,, Sailen Medhi
,, Sarat Chandra Rabha
M. Shamsul Huda
Shri Dr. Surendra Nath Das

Mr. Speaker : Noes...47.

Ayes.. 23.

The Cut-Motions are lost.

( The House then passed grant Nos. 10, 11, 12, 13 and 9 together ).

DEMAND NO. 4

"II-Taxes on Vehicles"

Shri Prabin Kumar Choudhury (Minister of state, Transport) : Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 9,94,100 be granted to the Minister-in-charge to complete the sum (Rs. 13,25,5 0, necessary to defray the charges which will come in course of payment during the year endiug the 31st day of March, 1971 for the administration of the head "II-Taxes on vehicles"

Mr. Speaker : Grant No. 4 moved.

Shri Gourisankar Bhattacharyya : Mr. Speaker, Sir, under this grant No. 4 we have got some Cut motions but we are not going to move them. However, I would like to have your permission to make some observations under this Grant, and that is mainly with a view to request the Government to make certain follow-ups in certain matters. Sir, on the 17th of March, 1969, I had

appraised the Chief Minister with certain serious matters in the Motor Vehicles Department, and I also brought to his notice that lakhs of rupees of taxes were being evaded and in many cases this was being done with the connivance of the D.T.Os or and his staff particularly at Gauhati. I also gave some specific instances to him giving the names of the vehicles. The Chief Minister was good enough to request the Vigilance Commissioner to take up the matter and make an inquiry. The Vigilance Commissioner has taken up the matter and asked the Department to make an inquiry. I am informed, of course informally, that as far as the cases investigated are concerned, they were found true and some of the officer or rather employees were put under suspension and some others were ordered to be transferred. I had specifically brought allegations against some officers and also some other touts. For example, I had brought allegation against one Motor Vehicle Inspector, one Enforcement Inspector, some clerks, Head clerks-cum-Cashiers of the Gauhati D,T.O's Office. I also alleged that some of these people working themselves in R.T.O or D.T.O's Offices were having many stage carriage or contract carriage vehicles or other type of vehicles benami. I also gave the numbers of these vehicles. Inspite of all these, that is to say, all these specific allegations which were found to be true on enquiries further follow-up has not been made, that is to say, the persons fond guilty have not been punished by the Department, and those who were transferred are now in the process of being brought back again to their rendezvous of all these corruptions. That is my complaint. I do not know, this may be still in the consideration of the Government, but what I know is that these people have not been punished uptil now. I submit, Sir, that the enquiries, if not completed by now, should be completed and those who have been found guiliy should be given proper

punishment and speedy punishment because delay defeats justice. This is my first submission.

My second submission is that Government should in certain matters be careful. Not only justice should be done but also it should appear that it has been done. For example, in this Transport Department there are some people who are in business connection with the Department. Let me give one instance, M/s Goenka Engineering of Gauhati. That is a concern which is connected with the Government in the Transport Department. They make motor bodies of our State Transport vehicles. At the time when Khan Abdul Gaffar Khan visited Gauhati and a purse was to be presented to him, from that firm a sum of Rs. 5,000/- was realised. It may be said that afterall donations may be taken from anybody. Yes. Even then, if there is a concern with which Government has business connection, why should any Government officer, or any Minister, or any Deputy Minister, or any Minister of State contact the firm for donations even for such a purpose ? Then again at the time of the Congress session in Bombay donations were collected. In one single night a sum of Rs. 18,000/- was collected with the good offices of the State Minister in charge of Transport and also D.T.Os and others. Of course his P. A. and others were there also. A substantial portion of the sum collected was from those people who have business dealings with this Department. It may be said that they are all **Congress-premies** and they are all Indicates and they are very keen for socialism of India's type and these people in one single night contributed Rs. 18,000/-. May be so. Even then it does not look very nice. These are public talks and known facts. I shall be glad if the Minister placing his hand on his chest says that these allegations are baseless. Is it not a fact that sums were collected from these people, is it not a fact that these people have business relations

with our Government in the Transport Department ? Sir, I for one, hold that simply because somebody is a Minister's brother or a Deputy Minister's son, or a Minister's clerk or a Minister's brother-in-law, he sould not be discriminated against. I am not in favour of any discrimination simply because he is in any way connected ; but at the sametime they should not be favourably treated particularly when appointments are made not on the recommendations of the Public Service Commission but ad-hoc appointments, may be under Reg. 3 (e) or 3 (f). Government should be very careful particularly those Ministers, Ministers of state or Deputy Ministers that their sons, brothers or brother-in-laws are not given this sort of ad hoc appointment. For example, there was a Minister. His brother was an Assistant Station Supcrintendent of the State Transport which is now a Corporation.

Now, he was sought to be made a D. T. O. At that time of course Mr. Barkataki was the Chairman of the Public Service Commission, and that proposal was turned down by the Public Service Commission. Now, when the tenure of that Chairman was over then again an effort was made and this time also the proposal was not supported by the Public Service Commission. Then that gentleman was made an Enforcement Officer, of course with better scale of pay and status along with some others. Now, of course thereafter ultimately he had to appear in the A.P.S.C. again and could not qualify and now probably he is in Manipur. (Voice : Now we could realise who is he.) I shall be very grateful if it can be proved that what I have said is wrong. Afterall I am subject to correction. I am not saying it with any amount of venom, but I want that not only Caesar's wife should be chaste but she should also be above suspicion. Then there was another man, he was the brother of another Minister of State

He also got the same favour. Then again another son of a Deputy Minister and another son of a State Minister and all these thing. So as many as 3 State Ministers and one Deputy Minister were fortunate enough to have either their brothers or their sons being favoured with ad-hoc appointments. I am not going to name, but if necessary I shall be able to give. I can, well give the names of the officers and also I can give the names of the Minister as well. I do not know whether the Chief Minister is aware of all these things or whether when he was ill his Deputy was aware of these facts. I am particularly willing to offer some suggestions so that the practice of offering such ad-hoc appointments is generally discouraged. And if that is to be practised then the Leader of the team should be informed and the Minister concerned should tell the Leader that the Deptt. found my brother to be fit to work and he is required to be appointed due to urgency of the situation.

Then, Sir, in July or August 1969 three D. T.Os were appointed by the window or backdoor. Because they were not brought through the P.S.C. They were brought under Regulation 3 f of the Assam Public Service Commission Regulation, and one of these was a P. A to a State Minister, another was the brother-in-law of the Secretary of the Transport Deptt and the third one was an Upper Division Assistant of the State Transport Office. These D.T.Os were picked up under Regulation 3 f). Now, ultimately however when they had to appear before the Public Service Commission none of them was considered fit to be nominated by the Assam Public Service Commission. But inspite of that they are still being allowed to continue in Servic as D T.Os instead of being released. Now, among the D T.Os one of them has made a history in Dhubri and quite a lot of correspondece including

telegram and deputations had come to Govt. I personally know about it. Of course the Chief Minister was ill and they did not disturb him but probably they met his Deputy at least at that time I know that a deputation came to Shillong but whom they met I do not know. Now, a bird whispers in my ear that the Govt. in the Transport Deptt. is not going to respect even the opinion of the P.S.C. and so not going to respect the nominations given by the A.P.SC. in this regard with the plea that those whom the A.P.S.C. have recommended none of them has got 10 years of experience in Government service. Now, in the relative advertisement in order to accommodate these people in the Transport Deptt, they had put a significant requirements that none need apply who has not at least 10 years of experience in Govt. Service. I do not understand Sir, why the D.T.Os should have 10 years of experience in Govt. service. This was done, as it appears, simply because these three persons have got qualification as prescribed in the advertisment. (Voice : It is not correct.) yes Sir, I like to be proved that I am incorrect. Let them prove it if they can ! Now, when the P.S.C. has recommended some others for these posts considering them to be more suitable the Minister of the Transport Deptt. and unfortunately when the Chief Minister himself at least in name holds the responsibility should know that the Minister-in-charge now arguing, I am told about the qualifications of the nominees of the APSC that they do not conform to the requirement of 10 years of experience in terms of the relative advertisement. Now, may I know Sir, what for is the criterion of 10 years of experience in Govt. service for D.T.Os. (Voice : That is not a fact that it is relative) I shall be accepting it sincerely and with whole of my heart, but a bird whispers in my ears. Now another thing Sir, as you know, yesterday, today and also on previous days we

were discussing about the appointment of I.A.S. Officer and all these. Now, even within three years of their appointments an I.A.S. now a-days becomes the Sub-divisional head and within 4 years they become the District head as it happend in the Sibsagar District.

ADJOURNMENT

The House then adjourned for lunch till 2 p.m.

( AFTER LUNCH )

Shri Gaurisankar Bhattacharyy—Mr. Deputy Speaker, Sir. I also want to place that more than once a score of office assistants were appointed by the Transport Commissioner in March 1970 for the district offices under him without following the usual procedure of examination and tests as done heretofore. I am not saying that he did it out of favouritism and nepotism. What I want to stress is that this was done without following the usual procedure, namely, taking the examination of candidates. I don't know why this sudden deviation from the procedure followed heretofore was made by the Transport Commissioner and I should like to know who those persons are—these 10 fortunate persons are who were so hurriedly and out of procedure appointed. Then, well, it is a known fact now that a retired IAS officer was appointed after his superannuation at the age of 58 years. Now, we have been hearing that there is a great deal of unemployment that our officers are to be retired at 55 years. Now, here there was a gentleman who had already attained 58 years and is he an officer of so unique brilliance that without him, well, the Department could not run and that he was to be re appointed in preference to all younger officers ? Is there really any dearth of qualified persons in Assam for such

jobs ? These are the things on which I have no axe to grind; but I want clarification from the Minister.

Then, with regard to defalcation of Govt. money under this Head, I am sure, Government is fully aware of the defalcation and misappropriation of huge sums of motor vehicle tax. In all the offices of the District Transport Officers and the modus operandi also, I hope, is known to the Govt. What is the modus operandi ? I had already given certain concrete instances also and even the Transport Commissioner himself had detected one such case only a few months back at Gauhati. What is the modus operandi ?

A vehicle is registered. Now, taxes are not paid; year after year this continues. Then after some years surreptitiously 'H' form is kept in the office and then after running it for about 2 or 3 years then the certificate is brought to the effect that here a new assemble is made, Chasis No. is such and such and the Engine No. is such and such and it is re-registered somewhere else. If the 'H' form is there, for example, at Gauhati the re-registration is done at Dhubri. Sometimes it is done even outside the State and this racket is going on. Such a case was detected by the Transport Commissioner himself at Gauhati itself. These are not isolated instances , such instances are galore. In this way defalcation of Govt. money goes on. Further more, I had given some concrete instances last year as to how false rubber stamps are made showing the tax paid upto such and such date, vide Treasury Chalan No. such and such. Even the treasury chalan number is put, a stamp is also given. Such cases had happened at Gauhati last year. I have placed in this very House such a case in original ; enquiries were made and it was found correct also. The racket is still continuing. There was an enquiry at the instance

of the Vigilance Commissioner. When it was investigated at the State Bank whether actually such Treasury Chalan was there or not ; it was not found. But those Head Assistant cum -Cashier and others in the D.T.O.s' office who actually manipulated these things, they have not been appropriately punished. Now, Sir, the acceptance of registration fees and others these are received at the houses of the Assistants. They take the money and record it on some chit of paper, and thereafter they come and make those entries in the office. We also see there are 'touts' hovering in the offices and they collect registration certificates and others and they keep these things with themselves for making necessary entries, and the people also generally instead of standing in the line prefer to take advantage of the services of this sort of touts. Then, Sir. hundredsof vehicles have been registered in the office. for example, of the D.T.O , Kamrup, the necessary particulars of which are not recorded in the register, not showing also whether any tax was realised in respect of such vehicles, I had given some instances last year ; there are many more. As a matter of fact, it is not possible for anybody to collect all this information from the office. If a thorough investigation is made and if Government is pleased to appoint a special audit for the purpose at least in one office, say the Gauhati transport office. they will find scores of such instances. Why Government is not doing it I at least fail to understand, specially when some cases were detected and reported. Sir, will it not be difficult for the Police to detect in case any such vehicle makes an accident and kills people on the public road, apart from non-realisation of taxes from such vehicles ? Sir, I will give a recent example. Our ex-Chief Engineer, Shri Kamaleswar Barua, had parked his vehicle on the Rehabari side. One particular vehicle had pushed his vehicle while it was parked and thereby his vehicle was damaged. He came to complain to the D.T.O.'s office and wanted to know the

particulars of that vehicle, viz., who is the owner of that vehicle, where it was registered, whether it had paid any taxes and other necessary particulars. D T.O. gave him a simple answer: "Sir, our records are clean", that is to say, nothing is entered: He of course said it in a humourous manner, but that is literally true. Here I am giving a concrete instance of Shri Kamaleswar Barua's vehicle, which was damaged by a particular truck. But when enquiries were made about that truck in the D.T.O.'s office, the humourous (though a very unkind humour) answer was that their records were literally clean. If an investigation is made and Shri Kamaleswar Barua's evidence is taken, the truth or otherwise of this assertion of mine will be found out. Does it not sound strange, Sir, that particulars of vehicles are not available in the D.T.O's office, where vehicles are registered? Is it not a clear case of defalcation and misappropriation of public money? Is it not the highest form of mal-practice and corruption? This particular case I have recorded in this note-sheet and I am going to forward this note-sheet of mine to the Minister putting my signature and taking the responsi-bility of proving whatever I can of the specific instances I have cited I take the responsibility of giving evidence to the extent I know personally and also help the Government by collecting evidence in support of the allegations I have brought. I shall forward this chit to the Minister with my signature taking the full responsibility for the charges made.

Now, with regard to the transfer of Government officers, very recently the Head Assistant of the D T.O.'s office, Shillong, was transferred to Tezpur and again sent back to Shillong after only two days! Does not this sort of transfer involve public money? For what purpose wasthis officer tran-

sferred only for a couple of days? Well, the reason is that there was somebody here in the transport office who wanted him to be here and, therefore, though he was transferred he was retransferred because he cannot leave the congenial climate of Shillong. Then one M. V. I. from Tezpur was transferred to Jorhat and in his place one was transferred from Jorhat to Tezpur. When the M. V. I. Tezpur arrived at Jorhat, the transfer order of his counterpart at Jorhat was cancelled all of a sudden. This cancellation order of the Jorhat officer was not known to the M. V. I. Tezpur. The result was that the M. V. I. Tezpur having handed over charge at Tezpur came to Jorhat only to be frustrated and to find that he was unwanted. This kind of cancellation of transfer orders takes place not for Government requirement but for other considerations. Sometimes transfers are ordered and for certain considerations (these considerations are sometimes material), the transfer orders are cancelled. If orders are cancelled like this, why transfer orders were made at all? Then, Sir, in the transfer orders, it is not specifically stated who is to move first and who is to relieve whom. And why transfer orders of Government are so frequently revised at public cost? Are these the instances of economic austerity practised by Government? These are the few questions I wanted to ask in connection with this demand. I submit, Sir, that nobody will be happier than myself to see that the instances which I have cited are proved to be false. I wish Government will be able to say that these allegations are baseless. If they can satisfy us that these are baseless I shall be only happy and grateful. I am passing this paper to the Minister after putting my signature indicating that I take full responsibility for what I have said.

Shri Debeswar Sarmah :—

Mr. Deputy Speaker, Sir, I want to make a few observations in this connection. What has been stated by hon.

Mr. Bhattacharya applies more or less to other districts also and we are looking forward to improvement of things in days, months and years to come. I would only add that there is great delay in the D.T.O.'s office in giving tokens. If the Department is short of hands, let them levy a cess of, say, one rupee per token, but let the people be spared the agony of going to the D. T. O.'s office times without number for this purpose. Every time a man goes to that office, the assistant concerned says that he has no time and the man is asked to come the next day. The next day also, the same thing happens and he has to go to the D.T.O.'s office for 5, 6, 7, 8 or 10 times. Not only that, Sir, if any man is sent to D.T.O.'s office he has to spend a small amount for pan, tambul or a packet of cigarettes which cost one rupee or one ruppee two annas. One would not mind this little expense if the assistants were a little graceful in their dealings. It is agonising to get tokens from the D.T.O.'s office. I beg of the Government that something be done. I am saying this because I have bitter experience, may not be my personal, although I am not getting my token for 15/20 days. I am not complaining on my account. I can look after myself But those people who own vehicles are tortured both ways. Their agents go to the office and come back and on the other hand they are accosted oftens than not on the way for want of the token. But the police people on the road are little merciful. If they are shown the receipts of the money then they let him off. Some years back one day, late lamented Robin Sarma was going to whip a D T.O. with a cane in his hand and that D T.O. ran out by the back door. Late Sarma was not properly treated by the officer. Now, we find complaints from every one that there is inordinate delay and torture in the sense that the clerk there would not look up. He would say,

he has no time to look through 1 or 2 or 5 thousand tokens are there and he is unable to sort them out. That way it goes on and on for months.

Another thing, our Government is trying to raise money by various means. But I find there are private taxis in number than regular taxis with black letters on. Now, it is not that the private taxis get away without paying some tax, which of course they pay, but this payment may not appear on Government records ? They have to pay a little tax, but this do not appear in records ; it does not go to the cofer of the Government. It is time that the Government rethink whether the taxes on taxis are not very heavy, If these are not very heavy why do people owning private taxis take the trouble of managing matters in a back hand way which involves both expenditure and trouble ? I know of instanes when a private taxi takes some passengers and perhaps he fails to satisfy the Goods (!) that he then choses one road or another, and goes out by another way, this instead of goingto Sibsagar he goes to Titabar. Therefore, I suggest that Govt. should re-examine the matter by considering all pros and cons whether the taxes on taxis are not very heavy and if it is one of the reasons which prompt private car owners to use these cars as taxis without registering them as such. Perhaps, if the Government scrutinises the matter properly, it would add to their cofer.

Shri Prabin Kumar Chaudhury - (Minister of State, Transport)—Mr. Deputy Speaker, Sir, if I am allowed I want to make the statement to-morrow after going through all papers and other records.

Mr. Deputy Speaker—Yes, the Minister will make the statement to-morrow. Now we pass on to Grant No. 6.

Demand No. 6

"14—Stamps."

Shri Kamakhya Prasad Tripathi—(Minister. Finance) Mr. Deputy Speaker, Sir. on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 1,84,300 be granted to the Minister in-charge to complete the sum (Rupee 2,45,700) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "14—stamps."

Mr. Deputy Speaker—Motion moved.

Shri Sailen Medhi—অধ্যক্ষ মহোদয়, মই Grant No.6 ৰ কাৰণে Cut Motion Move কৰা নাই মই মাত্র এটা কথা মুখ্য মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। আমাৰ বেংকৰ পৰা সাধাৰণ খেতিয়কে ধাৰ লওঁতে তেওঁলোকৰ property security দিব লগীয়া হয় আৰু তাৰ বাবে stamp duty দি দলিল সম্পাদন কৰিব লগা হয়। বৰ্ত্তমান ভাৰত চৰকাৰৰ নীতি মতে ১৪ টা বেংক Nationalisation কৰাৰ পিচতো খেতিয়ক ৰাইজক Loan দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰ পৰা অকল খেতিয়কেই নহয় সৰু সুৰা ব্যৱসায়ী সকলেও উপকৃত হৈছে। কিন্তু কোম্পানী Act মতে বেংকৰ পৰা loan লোৱা ক্ষেত্রত Company এ Special Adhesive stamp দি loan লব পাৰে। কিন্তু আমাৰ ইয়াত সেই ব্যৱস্থা নাই। সেই কাৰণে মই মুখ্য মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰো যেন খেতিয়ক আৰু সাধাৰণ ব্যৱসায়ী সকলেও বেংকৰ ধাৰ লওঁতে সম্পত্তি বন্ধকত দিয়াৰ ক্ষেত্রত এই special Adhesive stamp ব্যৱহাৰ কৰিব পাৰে। আৰু দ্বিতীয় কথা হৈছে এই Special Adhesive Stamp অকল শিলং Treasuryতেই পায়, গুৱাহাটি, তেজপুৰ আদিত নাপায়, ডিব্রুগড় আৰু যোৰহাটত পায় নে নাপায় মই নাজানো। গতিকে এই Stamp প্ৰত্যেক District Treasuryত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

Shri Kamakhya Prasad Tripathi—ছাৰ, মই যিমান দূৰ জানো Agriculture ঋণৰ কাৰণে Remission দিয়া হৈছে। ৫০ হেজাৰ টকা ঋণলৈকে Stamp Remission দিয়া হৈছে। ইতিমধ্যে Adhesive stamp সম্পৰ্কে অন্যান্য ঠাইত কি Rule বাহাল আছে, সেইটো চাব লাগিব। State Govt. যাতে income নকমে সেইটো চাব লাগিব। Adhasive Stamp বিলাক Treasury বিলাকত পাব, লাগে এইটো যুক্তি যুক্ত কথা আৰু এইটো চোৱা হব।

Mr. Deputy Speaker—The question is that a sum of Rs. 18,84,300 be granted to the Minister-in-charge to complete the sum (Rs. 2,45,700) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March 1971 for the adminstration of the head "14—stamps".

(The motion was adopted)

Shri Bimala Prasad Chaliha (Chief Minister): Mr. Deputy Speaker, Sir, on the recomendation of the Governer of Assam, I beg to move that a sum of Rs. 5,53,700 be granted to the Minister-in-charge to complete the sum (Rs. 7,38,200) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "15—Registration Fees."

*Shri Pitsing Konwar—উপাধ্যক্ষ মহোদয়, Registrationৰ কথাটো বাইজে বৰ সাধাৰণ কথা বুলি ভাৱে সেই কাৰণে Registrationত বহুতো খেলি মেলি চলি আছে আৰু সেই কথা সকলোৱে জানে। Land Revenue Regulation ত যি Amendment হৈ গল সেইমতে Tribal Beltৰ মাটি বিক্রি হব নোৱাৰে। কিন্তু এতিয়া গুৱাহাটীতেই এই মাটি বিলাক অবাধে Registration হৈ আছে। এই বিষয়ে মই মুখ্যমন্ত্রীৰ দৃষ্টি আকৰ্ষণ কৰিলো—যি বিলাক মাটিত Prohibitory ব্যৱস্থা আছে, সেইবিলাক মাটি আজিও Registration হৈ আছে এই কথা মুখ্য মন্ত্রী লক্ষ্য কৰিলে ভাল হয়। নগাওঁ Registraiion Officeত এটা বৰ ডাঙৰ ঘটনা ঘটিছিল। Registration কৰিবলৈ যোৱা একচনা মাটিত ম্যাদী ভাগ বহুৱাই দিয়ে। ম্যাদী পট্টাদাৰৰ নাম একচনা পট্টাত দিয়া হয়। কিন্তু এই একচনা মাটিৰ Registrationৰ Copyৰ নম্বৰ এজনে ৰাখিছিল। কিন্তু ছমাহৰ পাছত সেই মাটি ম্যাদী হিচাবে দেখুওৱা হৈছে। মই এই বিষটোৰ প্রতি মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Shri Gauri Sankar Bhattacharyya উপাধ্যক্ষ মহোদয় মৰো এনেকুৱা instance দিওঁ এতিয়া Greater গুৱাহাটীৰ ভিতৰত সেইবিলাক মাটিৰ অন্তর্ভুক্ত হল। কিন্তু আগতে এনেকুৱা ঘটনা গুৱাহাটীৰ Tribal Belt এলেকাত ঘটিছিল আৰু এই বিলাক

*Speech not corrected

কাম কৰিছিল বিৰাট বিৰাট ঘৰ সাজি থকা কোটিপতি সকলে। আজি নিস্পিখেৰাজ মাটি হলে সেই মাটি হস্তান্তৰ হব পাৰে। কিন্তু সেই মাটি পট্টা কৰোতে আগত এটা নীঃ লগাই দিলেই মাটি নিস্পিখেৰাজ বুলি বুজা যায় আৰু সেই ৰকমে Registration হয়। তাৰ পাছত সংশোধনৰ কাৰণে দৰ্খাস্ত কৰি নীঃ শব্দটো উঠাই লয় আৰু সেই মাটি খেৰাজ হৈ যায়। সেই কথা inquiry কৰিলেই greater Gauhati ত include কৰা মাটিত inclusion ৰ আগতে হোৱা বহু ঘটনা দেখিবলৈ পাব। এই মাটি বিলাক কেতিয়াবাই Belt ৰ পৰা মুক্ত কৰি দিব লাগিছিল। তাকে নকৰাৰ কাৰণে অতি কম দামত পুঁজিপতি বিলাকে মাটি বিলাক লৈ দুখীয়া Tribal ক তেওঁলোকৰ সম্পত্তিৰ পৰা আৰু প্ৰাপ্য টকাৰ পৰা বঞ্চিত কৰিলে এতিয়াও অনুসন্ধান কৰিলে, সেইটো পাব।

Shri Sarat Chandra Rava—উপাধ্যক্ষ মহোদয় Registration ক্ষেত্ৰত দেখা যায় যে কিছুমানক নামজাৰিৰ ৰচিদ দিয়ে কিছুমানক ৰচিদ নিদিয়ে। কিন্তু circle office ত আকৌ নাম জাৰি ফিজ খৰিদ্দাৰে দিব লগা হয় একেটা ফিজকে দুবাৰ দিব লাগে। সেই কাৰণে মই এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলো।

Shri Bimala Prasad Chaliha (Chief Minister) মাননীয় সদস্য শ্ৰীপিটচিং কোঁৱৰৰ দ্বিতীয় কথাটো স্পষ্ট হোৱা নাই। তেখেতে Registration অফিচৰ কিবা Forgery ৰ কথা কৈছে নে কি? সেই কথা স্পষ্ট কৰণ কৰি দিলে ভাল হয়।

Shri Atul Chandra Goswami—এই কাগজ খন দেখিলেই কথাটো বুজি পাব। মাটি বিক্ৰি কৰিলে একচনা বুলি কিন্তু কিছু দিনৰ পাছতে ম্যাদী বুলি দেখুওৱা হল এইখন কাগজ চালেই বুজিব পাৰিব।

Shri Kehoram Hazarika—উপাধ্যক্ষ মহোদয় সেই কাগজখন মই আনিছো। মাটি ডোখৰ বিক্ৰি হল একচনা বুলি ১৫।৭।৫৮ তাৰিখে সেই মাটি বিক্ৰি কৰা এক দলিলৰ এটা Certify copy মোৰ হাতত আছে। কিন্তু Final copy ত দেখা গল যে ডাক নম্বৰ পৰিবৰ্ত্তন হৈছে। এনেকুৱা দুৰ্নীতি প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*Mr. Shamsul Huda - উপাধ্যক্ষ মহোদয়, Registration ৰ ক্ষেত্ৰত দুটা কথা কব লগা হৈছে। এটা কথা মাননীয়া সদস্য হাজৰীকাদেৱে উল্লেখ কৰিছে।

*Speech not corrected

Registar হৈ যোৱাৰ পাচত Interpolotion হয়। এই সম্পৰ্কে মই প্ৰশ্নও দিছো আৰু Admit ও হৈছে। মানুহে Registar হোৱাৰ কপি লৈ গৈছে কিন্তু আজিলৈকে দলিল বা পট্টা পোৱা নাই।

অন্য এটা কথা কব খুজিছো যে Registration কৰিবলৈ যাওতে তাত ঘোচৰ ব্যৱস্থা চলাইছে। চৰকাৰৰ যি 'ৰেত' (Rate) সেইটো দিব লাগিবই তাৰোপৰি বাহিৰাকৈ ফীজ নিদিলে Registar ই নকৰে। এই সম্পৰ্কে D.C.ক মই নিজেই অভিযোগ আনি দাখিল কৰিছিলো। ধিংৰ Sub-Registar ৰ অফিচত চৰকাৰী যিটো fees তাৰ অতিৰিক্ত নিদিলে দলিলকে নিলিখে। এই বিষয়ে ৰাইজে দৰ্খাস্ত দিয়াৰ উপৰিও মই নিজে নোট দিছিলো কিন্তু আজিলৈকে একো হোৱা নাই। গতিকে এনে অৱস্থা কেৱল ধিংতেই চলানাই অন্যান্য ঠাইতো ঘটি আছে। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Shri Sarat Chandra Rava—Registar ৰ ক্ষেত্ৰত নামজাৰি হব লাগে। এই নামজাৰি হওতে মানুহে দুগুন ভৰিব লাগে। প্ৰথমতে নামজাৰি হওতে দিয়ে আৰু circle অফিচত circle অফিচাৰে পুনৰ আদায় কৰে। তাৰ ফলত মানুহে দুগুন ভৰিব লগীয়া হয়। কোনো কোনো সময়ত ৰেজিষ্টাৰ হোৱাৰ পাচতো ৰছিদ নাপায়। এই Registration যাতে ঠিকমতে হয় তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Mr Deputy Speaker—নামজাৰিৰ ফিজ মানে কি ?

Shri Sarat Chandra Rava—নামজাৰিৰ ফিজ মানে বেলেগে আদায় কৰা টকা। Ragistar ৰ ওপৰৰ পইচা ।

Shri Bimala Prasad Chaliha উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে Registration সম্পৰ্কত যি কেইটা কথা উল্লেখ কৰিছে এই কেইটা বিষয়ত এটা তদন্ত কৰা হব আৰু ইতিমধ্যে শ্ৰীছামচুল হুদা ডাঙৰীয়াৰ এটা প্ৰশ্ন আছে। এই প্ৰশ্নত দিয়া আপত্তি উল্লেখ কৰি অনা অভিযোগ সম্পৰ্কে বৰ্ত্তমানে Investigate কৰা হৈছে।

Mr. Deputy Speaker : The question is that a sum of Rs. 5,53,700 be granted to the Minister-in-charge to complete the sum of (Rs. 7,38,200) necessary to defray the charges which will come in

course of payment during the year ending the 31st day of March, 1971 for the administration of the head "15—Registration Fees".

( The motion was adopted )

Demand No. 8

"18—Parliament. State/Union Territory Legislatures (B—State Legislatures)"

Shri Bimala Prasad Chaliha (Chief Minister) ; Mr. Deputy Speaker, Sir, on the recommandation of the Governor of Assam, I beg to move that a sum of Rs. 12,74,500 be granted to the Minister in-Charge to complete the sum (Rs. 16,99,300) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March 1971 for the administration of the head "18—Parliament State/Union Territory Legislatures (B—State Legislatures)".

Mr. Deputy Speaker : Motion moved. There is no Cut Motion.

The qustion is that a sum of Rs. 12,74,500 be granted to the Minister-in-charge to complete the sum (Rs. 16,99,300) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March 1971 for the administration of the head "18—Parliament, State/Union Territory Legislatures).

(The Motion was adopted)

Demand No. 17

"23—Police"

Shri Bimala Prasad Chaliha : Mr. Deputy Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that

a sum of Rs. 8'94,03,200 be granted to the Minister-in-charge to complete the sum (Rs. 11,92,04,200) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "23—Police."

Mr. Deputy Speaker: Motion moved.

Shri Dulal Chandra Barua—Deputy Speaker, Sir, while moving our Cut Motion under this particular Head, I want to make a few observations. Sir, annually, heavy expenditure for the maintainence of the Police administration is incurred in the State, and we are expecting that with the changed circumstances of the society, this law and order machinery will come up to the mark to cope with the present situation and also that they will be in a position to give security to the life and property of the people living in the State, but to our utter disappointment they have failed to do so.

Mr. Deputy Speaker—Mr. Barua, how much time you will take ?

*Shri Dulal Chandra Barua—I will take 10/15 minutes. Now, Sir, as I have already said, they have failed completely to meet the requirements of the people of the State although we are spending crores of money for this department. Sir, this; system of Police administration remained as it was during the British regime. There need be reorientation of the entire department. We are glad that a Police Commission has been set up and we are expecting that this Police Commission will give certain recommendations through which the rotten machinery of this department can be toned up to the mark. Sir. due to the old system that has been followed by the machinery of this department, they are

★Speech not corrected

not effective in respect of detecting and preventing the crimes in the State. Therefore due to their inefficiency and due to all types of systems that are followed till today after 22 years of our Independence, this department is looked upon down by the people. They cannot become friends, philosopher and guide to the people in general ; rather till today the people are treating them as their enemies. So, we have to find out the root cause of the inefficiency in this department. Unless cooperation is received by this department from the people, this department cannot work properly for the maintenance of law and order. Let me submit to you the root cause of all these. It has been said that it is very of course from our side to criticise the Police department or any other department but it is very difficult to understand their difficulties. Sir, the first and foremost thing is the lot of the common policemen in the State is horrible. They are not provided with proper facilities ; they are not provided with proper accommodation. Sir, I have gone through the entire budget and I do not know whether any amount has been ear-marked for the housing facilities of the low-paid police staff who are the backbone of the Police department. A horrible situation has been created for not giving them sufficient facilities because the police people cannot devote their undivided attention for want of these facilities. If it would have been the case in West Bengal, the situation would have been a different one. Therefore, Sir, the first and foremost thing in my mind is that the lower strata of people who are serving under this Department and who have been neglected should be provided with adequate facilities like housing accommodation etc. improvement of their pay scales, medical facilities without any further delay. The constables are to be provided with prescribed scale of rations. We have made this suggestion long before. Therefore we must we look to the

interest of those people whom we are utilising for the maintenance of law and order and who are required to perform the arduous nature of duties. We find that at the top of this Department the number of officers has increased but it is not so at the bottom where you will find that they are the real people who are actually serving the country. That is the reason why the Department connot improve the efficiency. Unless there is overall increase from top to bottom there is no likely improvement of efficiency of the Department. Now, we find that so many big officers are at the head whereas there are few small limbs. It is something like a man having a very big head and very small limbs - it is the same thing with the Police Department. The Department has become top-heavy and for those people like Constables and A.S.Is who have been utilised for day in and day out duty facilities should be immediataly provided.

Now, Sir, there is also another thing which requires to be looked into. What is that? The Thanas are not equipped with experienced and educated personnel and with modern system of facilities like telephones, vehicles and other facilities. Therefere, in the border areas these police personnel are not in a position to cope with the situation. I, therefore, submit that in all the Thanas and the outposts there should be provision for modern amenities and experienced personnel should be postsd for detection and preventirn of crimes. Apart from that there is lack of discipline. This has become a chronic disease in the police organisation. It has started from the top. Formerly I have found that a high-ranking police officer had a strong personality. But now we have selected people in different categories like I P.S. and A.P.S but mostly their character is doubtful. Because they are mostly busy in enjoyment rather than doing their duty, and we nave found in many

places, for instanee, in Jorhat subdivision, the police high-ups are mostly engaged in enjoyment. For that reason, the entire discipline which is one of the most important things for the Police Department is lacking. This should be revised and a man of strong personality should be posted in the district as Superintendent of Police. Otherwies, from my experience, I have found that the top-ranking officer employed the subordinate officers to get money for himself. Sir, in this way corruption has started. I found one of the big officers while he was on transfer, on the last day before he left, he had to be given one thousand rupees by the O.C What happened ? The O.C. has started taking bribe from each and everyone I-can cite an instance. One Mr. T. Saikia one day went to the Police Station and at the Police Station Jorhat bribery was demanded from him. Sir, it is for this reason that I submit that there should be an overall re-oriontation of the Police machinery.

Now, I must submit to you, Sir, (bell rang) one most important thing, Now-a-days, as I have said, crimes are being committed in a modern and scientific way. As the society is changing the methods of committing crimes are also changing day by day. To meet that situation we must be equipped with trained personnel. For instance, the triple murder case that has taken place in Burapahar—the culprits there have adopted modern metheds of murdering. For that reason, the forensic laboratoy till to-day has not been able to send the report for which I am afraid even the entire case may be lost because the main evidence Mr. Upen Dutta is under polce guard. Sir, unless the report is expedited, my submission is that the case may be lost. Sir. in the year 1952 the Govt. of India has taken up a scheme to start forensic laboratory to be equipped with most modern methods of investigation of crimes. But after a lapse of 10 years only one Director has

been appointed. The Director has submitted a full-fledged scheme and after one year a sum of rupees two lakhs has been sanctioned. But even the materials necessary to equip that laboratory have not been ordered. Therefore, I submit that this laboratory is to be well equipped and the scheme that has been submitted by the Director should be accepted in toto for training our personnel to meet the demands of the situation.

## Announcement of the Result of Election to the Committee on Estimates

Mr. Deputy Speaker—Order, order. I have to announce the result of election to the Committee on Estimates. The number of candidates being equal to the number of members to be elected, the following members have been declared elected unanimously to the Committee on Estimates ;—

1. Shri Ataur Rahman.
2. Shrimati Lily Sen Gupta.
3. Shri Narayan Chandra Bhuyan.
4. Shri Mathura Mohan Singha.
5. Shri Durgeswar Saika.
6. Shri Golok Chandra Patgiri.
7. Shri Sadhan Ranjan Sarkar.
8. Shri Bhadra Kanta Gogoi.
9. Shri Bhadreswar Gogoi.
10. Shri Promode Chandra Gogoi.
11. Shri Kehoram Hazarika.

The election of members to the State Elementary Education Board will be held from 3 P. M. to-day in Room No 2 of the Assembly Building, Shillong.

## Voting on Demands for Grants—Demand No. 17—"23"—Police)

Mr. Deputy Speaker—Yes Mr. Barua. Please finish in one minute.

Shri Dulal Chandra Barua—Now, Sir, I submit the scheme is to be implemented and the experts are to be trained up so that all the main Thanas and police outposts are to be manned with experienced and able personnel.

Sir, another thing which I want to mention is a crisis which the State is facing. In the name of naxalism—in the name of communal riot throughout the State, so many things have taken place. I have found in one place in Goalpara the Naxalites are active. One Shri Bhabeswar Choudhury, then one Tekela Mahajan and one Harakanta Mahajan of the same place where they complained that the husband of a woman was murdered by his own younger brother and the case has been forwarded to the I. G .P. and the Chief Minister. My whole contention is that in the name of Naxalites crimes are being committed. Government should be careful and take strong preventive measures and the hole machinery has to be geared up. Therefore, Sir, I submit that this Govt has failed to maintain law and order because in the name of maintenance of law and order and for combat against the Naxalites, they are borrowing the C. R. P. from the Centre.

Lastly, I want to say that though there is a provision here for the River Police, but we find no River Police in our State. I want to know why that provision has been made. In this connection I would like to suggest that the case of Ladies Police Force should be taken up in right earnest. Finanlly, I request the Chief Minister that recommendations made earlier should be implemented. In the present situation, the police should know that they are the agents through which life and property of the people are saved. With this observation, Sir, I support the Cut Motion.

*Shri Kamini Mohan Sarma—উপাধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ পৰা জানিব বিচাৰিছোঁ যে cut motion ত যি বিলাকৰ নাম দিছে সেই সকলক কবলৈ সুবিধা দিব নে? মই আগতে সদনত এবাৰ নাম নথকাৰ কাৰণে কবলৈ নেপালোঁ। সেই কাৰণে আজি এই কথা স্পষ্টকৈ আজি জানিব বিচাৰিছোঁ যে মোক কবলৈ দিব নে নিদিয়ে?

*Speech not corrected

Mr. Deputy Speaker—দিব, দিব।

Shri. Paramananda Gogoi—মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ দেশত এটা অফিচ আছে যিটোৰ দুৱাৰ কোনো দিনে বন্ধ নহয়; সেইটো হৈছে—পুলিচ থানা। অইন বিলাক অফিচ বন্ধ হোৱাৰ সময়তো পুলিচ থানা বন্ধ নহয়। দিনে ৰাতিয়ে খোলা থাকে। সেই কাৰণে তাৰ দুৱাৰ ৰাখি থকা মানুহজনৰ নাম হ'ল দৰ্জা। গতিকে যিটো অফিচৰ কাম দিনে নিশাই হৈ থাকে তাৰ আলোচনা সমালোচনা আজি গভীৰ ভাবে হোৱা উচিত। কাৰণ কোনো ঠাইত গণ্ডগোল হলে তাত পুলিচ গৈ নেপালেও আমি আপত্তি কৰো। পুলিচৰ কাম নহলেও আপত্তি কৰো আৰু টকা কম হলেও আপত্তি কৰো। পুলিচৰ যিমান কাম থাকে, আমি চকুৰে দেখাতকৈ বহুত বহুত বেছি। কেতিয়াবা কেতিয়াবা পুলিচে বা চিপাহী বিলাকে নেখায় নবৈ কাম কৰিব লগীয়া হয় আৰু তেওঁলোকৰ জিৰনিও নাই। কিন্তু তেওঁলোকৰ যি আৰ্থিক অৱস্থা সেইটো বৰ দুখ জনক। সেই কাৰণে আজি বাজেটত যিমান টকা ধৰা হৈছে, সেইটো বহুত কম আৰু এই সকলো বিলাক পৰিপূৰণ কৰিবলৈ যথেষ্ট টকা লাগে। কিন্তু আমাৰ ৰাজ্যৰ অৱস্থা ভাল নহয় কাৰণে তেওঁলোকক সকলো সা-সুবিধা দিব পৰা নাই।

আজি বিজ্ঞানৰ কালত সকলোৰে আগবাঢ়ি গৈ আছে। কিন্তু পুলিচে তেনেকৈ আগবাঢ়িব পৰা নাই; নতুন নতুন পদ্ধতিলৈ আগবাঢ়িলে পুলিচক অপৰাধী কৰে। পুলিচ বিষয়া সকলে যি ধৰণে ৰাইজৰ লগত কাম কৰে, সেইটো পুৰনি-কলীয়া নীতি আৰু পুলিচৰ সাধাৰণ অৱস্থা বিলাকো পুৰণি-কলীয়া। বৰ্ত্তমান বিজ্ঞানৰ যুগত লগত কোনো ৰকমেই মিল নাই।

আজি মাননীয় সদস্য শ্ৰীদুলালচন্দ্ৰ বৰুৱা দেৱে এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি ভাল কামেই কৰিলে আৰু সকলোৱে ভালদৰে সমালোচনা কৰিবলৈ সুবিধা পালে। আশাকৰো চৰকাৰে এই বিষয়ে নজৰ দিব।

আজি কৰ্ম্মচাৰী সকলক সুখী কৰিব নোৱাৰিলে, তেওঁলোকৰ প্ৰতি আমি যিমানেই ব্যৱস্থা নকৰো, তেওঁলোকে ৰাইজৰ হকে কষ্ট কৰিলেও. সেইটো সম্ভৱ নহয় যে তেওঁলোকে সবলতাৰে কাম কৰিছে। কাৰণ অসুখী লোকে কোনো ৰকমেই সমাজক সুখী কৰিব নোৱাৰে। সেই কাৰণে আমি সাধাৰণ মানুহৰ কথাও ভাবিব লাগিব আৰু পুলিচ কৰ্ম্মচাৰীৰ কথাও ভাবিব লাগিব।

আমি দেখিছোঁ—তিনিচুকীয়াত পুলিচৰ কাৰণে যিটো ঘৰ দিছে, তাত বৰষুণ হলে পানী পৰে, তাত থাকিব নোৱাৰে। অথচ পুলিচ কনিষ্টবলে তাতেই থাকিব লাগে। এইটোৱে পুলিচ কনিষ্টবলৰ প্ৰতি অন্যায় কৰিছে। পুলিচৰ ডাঙৰ বিষয়া আৰু কনিষ্টবল সম্পৰ্কে দুটা বেলেগ কথা। আজি পুলিচৰ চাকৰিয়াল কি ধৰণে জীৱন নিৰ্ব্বাহ কৰিছে সেই বিলাক চৰকাৰে লক্ষ্য কৰিব লাগিব। আমি দেখিবলৈ পাইছো যে নতুন থানাত পুলিচৰ অপৰাধ কিছু বেছি হয়। ইয়াৰ কাৰণ হল যে পুলিচ কনিষ্টবলৰ কাৰণে আমি যিবিলাক ব্যৱস্থা কৰিব লাগে সেই বিলাক এতিয়ালৈকে কৰা হোৱা নাই। গতিকে আমি আজি পুলিচৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি দেশৰ শান্তি স্থাপনলৈ লক্ষ্য কৰি পুলিচৰ আৱশ্যকীয় ব্যৱস্থাসমূহ কৰাটো নিতান্তই বাঞ্ছনীয়।

আজি তেওঁলোকক কাম কৰাবৰ কাৰণে ডাঙৰ ডাঙৰ থানাটো এখন গাড়ী দিয়া নাই। তেওঁলোকে ২০।৩০ মাইল পৰ্য্যন্ত যাব লগীয়া হয় আৰু যোৱাৰ অসুবিধাত পলম হলে তাতো দোষাৰূপ কৰা হয়। ইফালে ৩০।৪০ মাইল দূৰ হলেও তেওঁলোকে যাবই লাগে। তাত কিবা এটা কৰিবলৈ বা তৎকালীন ব্যৱস্থা এটা কৰিবলৈকো চৰকাৰৰ গাড়ী নাই। গাড়ী requisition কৰিব লগীয়া হলেও সময় মতে বা তৎকালীন হৈ নুঠে, অন্যধৰণৰ Transport ব্যৱস্থা কৰিলেও বহু ক্ষেত্ৰত তেওঁলোকে নিজে পইছা দিব লগীয়া হয়। তদুপৰি Private গাড়ী ব্যৱহাৰ কৰিলেও মালিক জনৰ ওচৰত সংশ্লিষ্ট পুলিচৰ দুৰ্ব্বলতা থাকি যায়। আৰু বিভাগৰ দুৰ্ব্বলতাও ওলাই পৰে। গতিকে তেওঁলোকৰ আৰু আমাৰ চৰকাৰৰ দুৰ্ব্বলতা গোচাবৰ কাৰণে well equipped কৰা দৰ্কাৰ। সেই কাৰণে আজি পুলিচৰ আৱশ্যকীয় সকলো ব্যৱস্থাকেই চৰকাৰে কৰাৰ দৰ্কাৰ।

আজি দেশত যি দৰে অপৰাধ বাঢ়িছে এইদৰে ৰাজনৈতিক দুৰ্নীতিও বাঢ়িছে। সদন চলি থকা অৱস্থাটো আমাৰ ৰাজ্যখনৰ এটা কোণত নক্সাল পন্থীৰ কাম হব ধৰিছে। গতিকে এই নক্সালপন্থী বিলাক কেৱল ধৰিলেই নহয় লগে লগে Privention ৰ কাৰণে কি কৰিব লাগে, সেই সকলোৰে ব্যৱস্থা কৰি থব লাগে। তাৰ বাবে পুলিচ বিষয়াৰ বহু যোগ্যতা থকা উচিত। এই নক্সালপন্থীৰ দৰে ৰাজনৈতিক দলে যি বিলাক অপৰাধ বা হিংসা মূলক কাম সেই বিলাক নিৰ্ম্মূল কৰিব নোৱাৰিলে বা তাৰ প্ৰতি পুলিচক সাৱধান কৰি নথলে দেশত শান্তি বিৰাজ নকৰে। দেশত অশান্তি যদি সৃষ্টি হৈয়েই থাকে,—তেতিয়াহলে গোটেই অসমৰ প্ৰশাসন ব্যৱস্থাৰ ওপৰিও গোটেই অসমৰ সামাজিক

জীৱন অশান্তিময় হৈ উঠিব। সেই কাৰণে সেই বিলাক বাধা দিবৰ বাবে আমাৰ পুলিচ বিষয়া সকলক সকলো সা স্থবিধা দি তৎপৰ কৰি ৰাখিব লাগে। পুলিচ তৎপৰ হৈ থাকিলেই এই অশান্তি শেষ হব।

কিন্তু আমাৰ চৰকাৰে পুলিচৰ কাৰণে যি টকা ধাৰ্য্য কৰিছে, সেইটো পুলিচ কৰ্ম্মচাৰীৰ কাৰণে নিচেই কম হৈছে। গতিকে চৰকাৰী ব্যৱস্থাৰ বাবে পুলিচে যি বিলাক কাৰ্য্য কৰিব লগীয়া হয়, সেই কাৰ্য্য ব্যৱস্থাক পৰিপূৰণ কৰিবলৈ হলে আৰু কিছু টকা ধাৰ্য্য কৰাৰ প্ৰয়োজন। দ্বিতীয়তে পুলিচক সকলো কামতে আগবঢ়াই নিবলৈ হলে তেওঁলোকৰ সা-স্থবিধা বিলাকো কিছু বঢ়াই দিব লাগিব। আমাৰ ইয়াত পুলিচৰ যি কাম কৰাৰ পদ্ধতি আছে আৰু আমাৰ যি বিলাক Battalion ৰ কাৰ্য্য পদ্ধতি আছে, সেই বিলাক নতুনকৈ ভবাৰ সময় আহিছে। সেই ভাবিবলৈ হলে আমাৰ পুলিচ কৰ্ম্মচাৰীক নতুন ধৰণৰ উচ্চ Training দিয়াৰ ব্যৱস্থা কৰিব লাগিব। উচ্চ Training দি তেওঁলোকক কাৰ্য্য দক্ষতা সম্পন্ন কৰিব লাগিব।

কাৰণ এজন গুণ্ডাক ধৰিবলৈকে তেওঁলোকৰ সম্পূৰ্ণ যোগ্যতা থকা উচিত। তেওঁলোকৰ যোগ্যতা নেথাকিলে সেই গুণ্ডাজনক ধৰিব নোৱাৰে। গতিকে সেই গুণ্ডাক ঘেৰাও কৰিব লগীয়া হলে, অন্ততঃ ডেৰকুৰি পুলিচৰ দৰ্কাৰ। গতিকে এই বিলাকৰ কাৰণে পুলিচৰ শাৰিৰীক—যোগ্যতা আৰু মানসিক দক্ষ্যতাৰ কাৰণে আমি ভাবিব লাগিব। কাৰণ সৰু বা ক্ষীণ পুলিচ বিষয়াক গুণ্ডাবিলাকে ভয় নকৰে। সেই বাবে পুলিচ বিষয়া Select কৰোতে হৃষ্টপুষ্ট স্বাস্থ্যবান আৰু দেখিলেই সাধাৰণে ভয় লগা বিধৰ হব লাগে। তাৰোপৰি আজি কালি যেনেকৈ আধুনিক ধৰণৰ crime হব ধৰিছে--সেই কাৰণে পুলিচ বিভাগটো সকলো প্ৰকাৰে আধুনিকী কৰণ—কৰিব লাগে।

ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰিলো।

Shri Sailen Medhi—উপাধ্যক্ষ মহোদয়, পুলিচ সংক্ৰান্তত কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰ মান কব খুজিছো। আমাৰ পুলিচ প্ৰশাসনৰ কথা এই সদনতে কেইবাবাৰো আলোচনা হৈছে। কিন্তু এই পুলিচ বিভাগটো জনসাধাৰণৰ কাৰণে বিশেষ কামত লগাব পৰা নাই। এইটো বহু বাৰেই প্ৰতিপন্ন হৈছে।

ইয়াত নগা পাহাৰৰ কাৰণেও পুলিচ বাজেটত টকা দেখুৱাইছে কিন্তু নগাপাহাৰ জিলা অসমৰ পৰা ফালৰি কাটি গৈছে। গতিকে অসম চৰকাৰে

সেই টকা বৰাব্দ কৰিব লগীয়া হোৱা নাই। কিন্তু ইয়াত দেখা গৈছে যে—In connection with Naga Hostile...... expenditure on 2nd Assam Police Battalion ...... Miscellaneous expenditure in connection with Naga Hostile . . . .

সকলো বিনাক ধৰি এতিয়া আমাৰ ১ কোটি ২৩ লাখ ৮৫ হাজাৰ টকা লগা পাহাৰ সম্পৰ্কত পুলিচ বাজেটত বৰাদ্দ দেখুওৱা হৈছে। এইটো সঁচাকৈ পৰিতাপৰ কথা।

( Quorum bell )

উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ বাজেট যদি কেইবছৰমান আগৰ পৰা পৰীক্ষা কৰি চোৱা হয় তেন্তে দেখা যাব যে উন্নয়ন মূলক কামত যিমান টকা খৰচ হৈছিল এতিয়া লাহে লাহে কমি আহিছে। আনহাতে পুলিচৰ সংক্ৰান্তত বাজেটত বেছি টকা ধৰা হৈ আহিছে। তুলনামূলক ভাবে উন্নয়ণ মূলক কামতকৈ পুলিচৰ সক্ৰান্তত বেছি টকা খৰচ হৈছে। শান্তি-শৃঙ্খলা ৰক্ষাৰ কাৰণেও কোনো কাম হোৱা নাই। আমাৰ Police efficieny ৰ কথা বাৰে বাৰে কৈ থকা হৈছে সেই সম্পৰ্কত কমিশান কৰি দিয়া হৈছে আৰু তথ্য-পাতিও প্ৰকাশ কৰা হব। জনসংখ্যা বৃদ্ধিৰ লগে লগে পুলিচ বাহিনীটো আধুনিকীকৰণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত কৈছে যে Forensic laboratory এটাৰ কাৰনে ১০ লাখ টকা বৰাদ্দ কৰা হৈছে। কিন্তু এই টকাও বিভাগীয় Equipments কিনাত খৰচ হোৱা নাই ঘৰ-দুৱাৰ, এজন অফিচাৰ আৰু তলতীয়া কৰ্মচাৰী কেইজনমানৰ কাৰণেই খৰচ হৈছে। পুলিচে laboratory use কৰিব নোৱাৰা কাৰণে বাহিৰত কাম কৰিবলগীয়া হোৱা বাবে খৰচান্ত হৈছে। wireless Transport Fire Brigade এতিয়াও আগৰ দৰে আছে, তাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। পুলিচৰ wireless System টো কোনো উন্নতি হোৱা নাই। গুৱাহাটীতেই এটা পুলিচ চকীৰ পৰা আন এটা পুলিচ চকীলৈ টেলিফোন কৰাৰ বাহিৰে wireless ৰ ব্যৱস্থা কৰা হোৱা নাই। আনকি ডাঙৰ ডাঙৰ out-post ৰ লগতো Transport ৰ কোনো সুবিধা নাই। পুলিচে দহ মাইল খোজ কাঢ়ি কাম কৰিব লগা হৈছে। আন এটা কথা আমাৰ পুলিচৰ বৰমুৰীয়া বিষয়া, এজন D.I.G. অসমৰ পৰা New Delhi লৈ পৰিয়াল বৰ্গক লগত লৈ চৰকাৰী গাড়ীৰে গৈছিল। ৰেল আছে, এৰোপ্লেন আছে। কি কাৰণে এই বিষয়া জন চৰকাৰী গাড়ীৰে New Delhi লৈ যাব লগীয়া হ'ল। ইয়াকে দেখি তলতীয়া অফিচাৰ বিলাকেও নীতি বিৰোধী কাম

কৰিবলৈ ভয় নকৰিব। আমাৰ পুলিচৰ Fire Brigade ৰ যিটো অৱস্থা সেইটো ডাঙৰ চহৰৰ বাহিৰে আন ঠাইত নাই। হাজো বা গুৱালকুছি নিচিনা ঘন বসতি ঠাইত জুই লাগিলে গুৱাহাটীৰ পৰা Fire Brigade গৈ কি সহায় কৰিব নোৱাৰে সেই কাৰণে ঘন বসতি ঠাইত Fire Brigade ৰখাৰ ব্যৱস্থা হব লাগে। আৰু এটা আচৰিত কথা যে, পুলিচৰ নিজৰ workshop থকা স্বত্বেও বিভাগীয় গাড়ীবিলাকৰ মেৰামতি Private work-shop ত দিয়া হয়। ইয়াৰ কাৰণে আমি খৰচান্ত হৈছো। আজি জনসাধাৰণে পুলিচক শত্ৰু হিচাবে ভাৱে। কিন্তু পুলিচ জনসাধাৰণৰ শত্ৰু নহয় মিত্ৰহে। এইটো কিয় হবলৈ পাইছে? আজি পুলিচৰ লগত জনসংযোগ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লব পাৰিছে? মানুহৰ সুখ দুখত পুলিচে সহায় কৰাটোহে তেওঁলোকৰ কাম হব লাগে। পুলিচৰ পৰা আচল কাম নোপোৱাৰ কাৰণে জনসাধাৰণৰ পুলিচৰ প্ৰতি বিৰোপ মনোভাৱ হৈছে। সেই কাৰণে বিহু, সংক্ৰান্তি Flood Drou-ght ইত্যাদি সকলো সময়তে পুলিচে জনসাধাৰণৰ লগত কাম কৰিলেহে জন-সাধাৰণৰ চকুত পুলিচ বন্ধু হিচাবে পৰিগণিত হব। সকলোতে যদি জনসাধা-ৰণৰ লগত পুলিচে সহযোগীতা কৰি কাম কৰে, জনসাধাৰণ সামাজিক কামত তেওঁলোক আগবাঢ়ি আহে আৰু জনসাধাৰণক লগতলৈ সমস্যা সমাধান কৰাৰ চেষ্টা কৰে তেতিয়া হলে পুলিচ জনসাধাৰণৰ বন্ধু হিচাবে পৰিগণিত হব। গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট আদি ডাঙৰ চহৰ বিলাকত Traffic control ৰ বাবে পুলিচে জনসাধাৰণক লৈ, ছাত্ৰৰ প্ৰতিনিধিক লৈ বা ৰাজনৈতিক প্ৰতি-নিধি সকলক লৈ এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত সংযোগ স্থাপন কৰিব পাৰে। তেতিয়া পুলিচক জনসাধাৰণে নিশ্চয় মিত্ৰ হিচাবে ভাৱিব। আৰু এটা ডাঙৰ কথা হৈছে গণতান্ত্ৰিক অধিকাৰ সকলো অনুষ্ঠানকে দিয়া হৈছে, কিন্তু পুলিচক দিয়া নাই। ছাত্ৰ সকলে, বনুৱাসকলে তেওঁলোকে নিজে নিজে আৰু এই দাবীৰ কথা সংগঠনৰ জৰিয়তে চৰকাৰক দিব পাৰে। পুলিচ বাহি-নীয়ে Trade Union ৰ মতে আন্দোলনৰ জৰিয়তে তেওঁলোকৰ দাবী চৰকাৰৰ ওচৰত দাখিল কৰিব নোৱাৰে। তেওঁলোকৰ দুখ দুৰ্গতিৰ কথা, দৰমহাৰ কথা Trade Union সংগঠনৰ জৰিয়তে চৰকাৰক জনাব পাৰিব লাগিব। সেই কাৰণেই তেওঁলোকৰ Association ৰ ওপৰিও গণতান্ত্ৰিক আন্দোলনৰ সুবিধা যাতে দিয়া যায়, তেওঁলোকক তেতিয়া হলে পুলিচৰ ওপৰত যিটো dircrimi-nate কৰা হৈছে সেইটো নাথাকিব আৰু জনসাধাৰণৰ শত্ৰু নহৈ মিত্ৰ হিচাবে পৰিগণিত হব।

Shri Atul Chandra Goswami উপাধ্যক্ষ মহোদয় কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই

তুষাৰ কৰ খুজিছো। আমাৰ দেশৰ সমগ্ৰ বনাঞ্চল আৰু মাটিৰ খাজনাৰ পৰা যি খিনি পাও সেই খিনি ৯.৬ লাখতকৈ অলপ বেছি। কিন্তু পুলিচ বাজেটত সৰ্ব্বমুঠ ১১ কোটি ৯২ লাখ খৰছ কৰিছে। যদিও তেওঁলোকৰ অৱস্থা উন্নত হোৱা নাই। তেওঁলোকৰ থকা ঘৰৰ সমস্যা দৰ্ম্মহাৰ নিৰিখ আদি উন্নত হওক আমি ভাল পাম। পুলিছৰ পৰাও আমি জনসাধাৰনে সহযোগিতা কামনা কৰো কিন্তু ইংৰাজৰ দিনত পুলিছ বাহিনীৰ দ্বাৰা যেনেকৈ দেশৰ স্বাধীনতা আন্দোলনৰ অংশ গ্ৰহন কাৰী সকলৰ অত্যাচাৰ কৰোৱা হৈছিল এই কংগ্ৰছ চৰকাৰৰ দিনতো পুলিচ বাহিনীক কংগ্ৰেছ বিৰোধী গণতান্ত্ৰিক শক্তিক দমনৰ কাৰণে প্ৰয়োগ কৰা হৈছে। উদাহৰণ স্বৰূপে হগ্ৰাজুলীত বণাঞ্চলৰ মাটি বেদখল কাৰীৰ ওপৰত দৰঙৰ পুলিচে অত্যাচাৰ কৰিছে মানুহ মৰিয়াইছে, মূৰ ফালি দিছে, ঘৰ জলাই দিছে, ডুগৰাকী বড়ো তিৰোতাক উলঙ্গ কৰিছে। ঠিক সেই ধৰণে মৌদগুাত কৰিছে। আজি জনতাৰ শান্তিপূৰ্ণ আন্দোলন মষিমূৰ কৰিবলৈ চেষ্টা কৰা হৈছে।

আজি কৰবাত গান্ধীৰ মূৰত আল কতৰা ঘহিলেই Noxalites হৈ যায়। আমি এনে কাৰ্য্যৰ নিন্দা কৰো কিন্তু যি সকলে গান্ধীবাদী বুলি নিজে ভাৱে আৰু গান্ধীৰ প্ৰতিটো কথা প্ৰতি মূহ˚তে উফৰাই দিয়ে সেই সকলে তথা কথিত Noxalites তকৈ বেছি দায়ী। Liquor Prohibition ৰ কাৰণে পুলিচ শিতানত তিনি লাখ টকা ধৰা হৈছে। কিন্তু শতকৰা ৭৫ জন পুলিচে মদ খাই তেওঁলোকে মদপীক ধৰে কেনেকৈ। গতিকে Liquor Prohibition ৰ নামত ধৰা টকা আগ্ৰাহ্য হলে দেশ উপকৃত হব। পুলিচে নিজে মদ খাই মদপীক ধৰি আনে আৰু পইচা লৈ অভিযুক্ত সকলক এৰি দিয়ে। আমাৰ অসমত বাহিৰৰ পৰা Deputation ত অনা পুলিচৰ কাৰণে ১.৯২ কোটি টকা খৰছ হয়। C. R. P. আদিক ৰাখি এই খৰছ কৰা হৈছে। এইটো খৰছ কৰাৰ কোনো অৰ্থ নাই। পুলিচৰ যদি দৰকাৰ অসমতে নিজৰ Battlion দুটা এটা কৰি আমাৰ লৰাক চাকৰি দিব পাৰে আৰু C. R. P. ক পঠাই দিব পাৰে। ব্ৰহ্মপুত্ৰ দলংত Guard দিয়াৰ বাবত ২ লাখ ৭০ হাজাৰ খৰছ কৰা হয়। ইয়াৰ কিছু টকা Centrel গৰ্ণমেন্টৰ পৰা পাবলাগে কাৰণ ব্ৰহ্মপুত্ৰৰ দলং খনক Protection দিয়াটো অকল আমাৰেই দায়িত্ব নহয় ভাৰত চৰকাৰৰো দায়িত্ব। নাগালেণ্ড বেলেগ ৰাজ্য হোৱাৰ পিচত Hostile সকলক দমন কৰাৰ বাবত অসম চৰকাৰে ৰাজহৰ ১ কোটি ২২ লাখ টকা খৰছ কৰাৰ অৰ্থ নাই। ইয়াত ভাৰত চৰকাৰৰ সম্পূৰ্ণ কৰ্ত্তব্য আছে। নাগালেণ্ড বৰ্ডাৰত মাটি নাগালেণ্ডৰ পুলিচে দখল কৰিছে আৰু সেইটো ৰক্ষা কৰাত আমাৰ টকা খৰছ হওক। কিন্তু নগাবিদ্ৰোহীৰ নামত টকা খৰছ কৰাৰ অৰ্থ নাই।

উপাধ্যক্ষ মহোদয়, থানা পৰিচালনা কমিটিত লোকেল M. L. A. নাথাকে; সেই

কাৰণে থানা পৰিচালনা কমিটিয়ে কি কি কৰিছে কব নোৱাৰো। থানা পৰিচালনা কমিটিয়ে কি স্থপাৰিচ কৰে তাকো নাজানো। কিন্তু থানা বিলাকৰ পুলিচে কিছুমান গাৱঁৰ দালাল মানুহৰ লগত সম্বন্ধ ৰাখে। যেতিয়া মানুহ এজনক ধৰি আনিব লগা হয়, তেতিয়া সেই মানুহজনৰ অভিযোগৰ বিষয়ে এজাহাৰ দিব লাগে। O.C. এ Particular মানুহৰ হাতেৰে এজাহাৰ লিখাই আনিবলৈ কয় আৰু পিছত কেচ মোকামেলা কৰি তাৰ পইচা ভগাই লয়। অলপতে ঘটি যোৱা ভূৰবন্ধাত ঘটনাটোত সংশ্লিষ্ট অপৰাধীক Arrest কৰা নাই। ধনীয়া ঘাট P.G.R. ৰ হোৱা হত্যাকাণ্ডৰ অপৰাধীৰ নাম কোৱা স্বত্বেও পুলিচে আজিলৈকে অপৰাধীক এৰেষ্ট কৰা নাই। এই ঘটনাটো যি জন মানুহে দেখাই নাছিল তেওঁৰ হতুৱাই ৰূপহী থানাৰ পুলিচে এজাহাৰ লিখাই লৈছে, অথচ মৃত্যু হোৱা জনৰ শালপতিয়েকে নিজে ঘটনাটো দেখিছে। তথাপিতো তেওঁৰ দ্বাৰা এজাহাৰ লিখোৱা হোৱা নাই। এজাহাৰত শ্ৰীঅতুল গোস্বামীয়ে ঘটনাটো কৰিছে বুলি অন্য এজনৰ দ্বাৰা চহী কৰোৱাইছে। এইদৰেই গোটেই কেচ ধ্বংস কৰিছে। চকুৰে দেখা সাক্ষীয়ে কয় দীৰ্ঘ বাহাদুৰ কৰ্কি চেত্ৰীয়ে ধনীয়া P. G. R. ৰৰমা মোহন বাসীক হত্যা কৰিছে। এনে অৱস্থাটো পুলিচে দীৰ্ঘ বাহাদুৰক Arrest কৰা নাই। ভূৰবন্ধাৰ ঘটনা বিধান সভাত দাঙি ধৰা কাৰণে পুলিচে মোৰ বিৰুদ্ধে এনে ষৰযন্ত্ৰ কৰিছে।

উপাধ্যক্ষ মহোদয়, বিধান সভাত কথা কোৱাৰ সদস্য এজনৰ Privilege আছে। এই কাৰণতে পুলিচে ধনীয়া খুটিত ঘটা হত্যাকাণ্ডৰ আচামী সকলক নধৰি সদস্য জনক অপদস্থ কৰাৰ চেষ্টা চলাইছে। তেনেকুৱা এজন মানুহক আজিলৈকে Arrest কৰা নাই। ইয়াৰ এটা মাত্ৰ কাৰণ কলিয়াবৰ সমষ্টিৰ বিধান সভাৰ সদস্যই ভূৰবন্ধাত পুলিচৰ অত্যাচাৰৰ কথা উলিয়াই দিছে।

Shri Bimala Prasad Chaliha—মৃত্যু হোৱা মানুহ জনৰ নামটো মাননীয় সদস্যই কি বুলি কলে?

Shri Atul Chandra Gowami—মোহন বাসী, গাৱঁ ধনে থোৱা কলিয়াবৰ থানা আৰু যি জনে মাৰিছিল তেওঁৰ নাম দীৰ্ঘ বাহাদুৰ কাৰ্কী ছেত্ৰী। ইয়াকে কৈ এই পুলিচ বাজেট অগ্ৰাহ্য কৰিবলৈ এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

*Shri Promode Chandra Gogoi—মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ পুলিচ শিতানত অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব বিচাৰো যে আমাৰ ৰাজ্যত

*Speech not corrected

বা আমাৰ সমগ্ৰ প্ৰদেশখনত পুলিচ বাহিনীৰ দৃষ্টিভংগী পৰিবৰ্ত্তনৰ প্ৰয়োজনীয়তা আদি দেখা দিছে। আগতে যেতিয়া বিদেশী ৰাষ্ট্ৰই ইয়াত চৰকাৰ চলাইছিল তেতিয়া পুলিচ বাহিনী ভাৰতবৰ্ষৰ গণতান্ত্ৰিক আন্দোলন দমন কৰাৰ কাৰণে ব্যৱহাৰ কৰিছিল। সেই কাৰণে তেতিয়া পুলিচ বাহিনী জনসাধাৰণৰ মনোভাৱ প্ৰতিকুলে আছিল। কিন্তু আজিও আমাৰ প্ৰদেশত বা সমগ্ৰ দেশখনত পুলিচ বাহিনীৰ দৃষ্টিভংগী পৰিবৰ্ত্তন হোৱা নাই। আৰু চৰকাৰেও সেই ফালেদি বিশেষ দৃষ্টি এতিয়ালৈকে দিয়া নাই। কাৰণ এতিয়ালৈকে মোৰ অভিজ্ঞতাৰ পৰা দেখিছো যে, যি কোনো সমাজৰ বিকাশৰ ক্ষেত্ৰত এটা বিশেষ সামাজিক দৃষ্টি-ভংগীৰ প্ৰয়োজন। বিভিন্ন চৰকাৰী বিভাগ আৰু পুলিচ বিভাগত এটা সামাজিক দৃষ্টিভংগী থকা প্ৰয়োজন। আজি আমাৰ এই কাৰণেই মূল প্ৰশ্ন হৈছে যে, পুলিচ বাহিনীয়ে জনসাধাৰণৰ সেৱা কৰিবনে —ঠিক, গৰীব খেতিয়কৰ স্বাৰ্থ ৰক্ষা কৰিবনে, জমিদাৰৰ স্বাৰ্থ ৰক্ষা কৰিবনে, চাহবাগানৰ মালিকৰ স্বাৰ্থ ৰক্ষা কৰিবনে, সৰ্ব্ব সাধাৰণ শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰিব ? যি কোনো বিভাগতে আজি সামাজিক দৃষ্টিভংগীৰ প্ৰয়োজন। সেই কাৰণেই আজি আমাৰ প্ৰদেশ খনত পুলিচৰ দৃষ্টিভংগীৰ পৰিৱৰ্ত্তন প্ৰয়োজন।

আমি আমাৰ অভিজ্ঞতাৰ পৰা দেখিছো আজি পুলিচ বাহিনীক, সৰ্ব্ব-সাধাৰণৰ আন্দোলন, কৃষকৰ আন্দোলন, মজদুৰ বা শ্ৰমিক সকলৰ আন্দোলন দমন কৰাৰ কাৰণে চৰকাৰে এতিয়া ব্যৱহাৰ কৰে আৰু কৰি আহিছে।

উপাধ্যক্ষ ডাঙৰীয়া, মই এটা দৃষ্টান্ত দিব বিচাৰো। যোৱা মে মাহৰ ১ তাৰিখে নামৰূপৰ Fertilizer corporation ৰ শ্ৰমিক সকলে পহিলা মে দিৱস পালন কৰাৰ কাৰণে আয়োজন কৰিছিল আৰু পহিলা মে দিৱসটো আন্তৰ্জা-তিক দিৱস। সেই কাৰণেই নামৰূপত পহিলা মে তাৰিখে সভা শোভা যাত্ৰা আহ্বান কৰিলে। কিন্তু বৰ আচৰিত কথা যে, নামৰূপৰ পৰিচালনা কমিটিয়ে চৰকাৰক জনালে যে, শ্ৰমিক সকলে শোভাযাত্ৰা কৰি মিটিং কৰিলে তেওঁলোকৰ বিপদ হব পাৰে। পৰিচালনা কমিটিৰ এই কথা গম পোৱাৰ লগে লগে অসম চৰকাৰে C.R.P Civil Police, Arm, Police, D. I. G., S. P. আৰু আনকি D. C. কো তালৈ পঠালে, অৰ্থাৎ আজি দেশৰ শ্ৰমিক সকলে মে দিৱস পালনৰ বিষয়ে গুৰুত্ব দিয়া নাই। আজি আনকি লোকসভায়ো সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীক শুভেচ্ছা জনাইছিল। কিন্তু অসম চৰকাৰে নামৰূপত শ্ৰমিক সকলে মে দিৱস পালন কৰোতে এই পৰিচালনা কমিটিৰ চতুৰালিত C.R.P. D.I.G. সকলক দিছিল। যেতিয়া তেওঁলোকে চৰকাৰৰ লগত এখন যুদ্ধ হে

ঘোষণা কৰিছিল। তেওঁলোকে যুদ্ধ ঘোষণা কৰা নাছিল মাত্র সে দিবসহে পালন কৰিছিল। সেই কথা চৰকাৰে বিবেচনা কৰি চাব লাগিব। কোনোবা এটা কল কাৰখানাৰ মালিকে কিবা এটা Report দিব আৰু চৰকাৰে পুলিচ দিব। সেই Report বিলাকৰ কিমান যুক্তি-যুক্ততা আছেনে নাই সেই কথা চৰকাৰে বিবেচনা কৰা দৰকাৰ। সিদিনা ৰাজ্যপালৰ ভাষণত কৈছে গোলা-ঘাটত যেতিয়া চাহবাগানৰ শ্ৰমিক সকলে এখন আন্দোলন কৰিছিল তেতিয়া মালিকে পুলিচ বাহিনীক মতালে আৰু পুলিচে নিৰস্ত্ৰ জনতাৰ ওপৰত গুলি চলোৱাত এগৰাকী তিৰোতাৰ মৃত্যু হয়। যদি কেৱল ধনী, জমিদাৰ সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণেই যদি পুলিচ বাহিনী ব্যৱহাৰ কৰা হয় তেতিয়া হলে নিতান্তই সেই পুলিচ বাহিনীয়ে সামাজিক বিকাশৰ ক্ষেত্ৰত একো ভূমিকা পালন কৰিব নোৱাৰে। সেই কাৰণে মই চৰকাৰক দাবী কৰো যে, বহুতো ক্ষেত্ৰত দেখা গৈছে যি কোনো আন্দোলন হলেই সেই আন্দোলন দমন কৰাৰ কাৰনে চৰকাৰে পুলিচ মিলিটাৰী যি ভাৱে পঠোৱাৰ মনোভাৱ লৈছে ইয়াৰ ফলত জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰেই খৰ্ব্ব কৰা নহয়, এই মনোভাৱে ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ ৰক্ষাতো এটা বিপদত পেলোৱা বুলি বিবেচনা কৰো।

উপাধ্যক্ষ ডাঙৰীয়া আমি আৰু এটা কথালৈ লক্ষ্য কৰিব লাগিব যিটো কথা মই আগতেই উল্লেখ কৰিছো যে, আমাৰ দেশখনত বৰ্ত্তমান অৱস্থাত যিটো কথা দেখা গৈছে যে আমাৰ দেশ খনত দুৰ্নীতি বাঢ়িছে। এই দুৰ্নীতি নিবাৰণৰ কাৰণে আমাৰ অসম চৰকাৰে এটা Anti corruption Branch খুলিছে। কিন্তু সেই Anti corruption, অৰ্থাৎ দুৰ্নীতি নিবাৰণৰ যিসকল বিষয়া সেই বিলাক বিষয়াই দুৰ্নীতিৰ পৰা মুক্ত নহয়। আমাৰ যিটো অভিজ্ঞতা তাৰ পৰা দেখা যায় এই দুৰ্নীতি নিবাৰণৰ বিষয়া বিলাকৰ মাজতে দুৰ্নীতি আটাইতকৈ বেচি। আজি যদি কোনোবাই তদন্ত কৰে তেতিয়া হলেই সকলো ওলাই পৰিব। আজি দুৰ্নীতি নিবাৰণ বিভাগৰ বিষয়া সকলৰ মাজতেই এনেকুৱা দুৰ্নীতি হৈছে যে, সেই বিভাগৰ ওপৰত নিৰ্ভৰ কৰি বা কৰাটোৱেই সম্ভৱপৰ নহয়। সিদিনা এই সদনতে মই এই বিষয়টো উল্লেখ কৰিছিলো। চৰকাৰে এই বিষয়ত দৃষ্টি ৰাখিব লাগিব। যেতিয়া আমাৰ দেশ খনত দুৰ্নীতি নিবাৰণৰ কাৰণে ব্যৱস্থা কৰিব লগীয়া হয় তেতিয়া হলে পুলিচ বিভাগটো যদি দুৰ্নীতি প্ৰবল ভাৱে লিপ্ত আছে সেই কথাটো দূৰ কৰিব লাগিব।

( সময়ৰ সংকেত )

উপাধ্যক্ষ ডাঙৰীয়া এইটো অৱশ্যে প্ৰমান কৰিব নোৱাৰো । কিন্তু এইটো কথা সচা যে মাননীয় সদস্য শ্ৰীতুলাল বৰুৱা ডাঙৰীয়াই কৈ গৈছে যে প্ৰমান কৰাটো সম্ভৱপৰ নহয়। আজিকালি অসমৰ যি বিলাক গুৰুত্বপূৰ্ণ থানা তাত এটা ফিজ আছে। কোনোবা থানাত হয়তো ৫ হাজাৰ, কোনোবা থানাত হয়তো ২ হাজাৰ আৰু কোনোবা থানাত হয়তো ৩ হাজাৰ। কোনোবা এজন অফিচাৰে যাবলৈ হলে তাৰ কিবা এটা Quota দিব লাগিব । Quota দিব নোৱাৰিলে কোনো কামেই নহয়।

মোৰ অভিজ্ঞতাৰ পৰা কৈছো শিৱসাগৰৰ এজন তলতীয়া পুলিচ বিষয়াক সুধিছিলো যে আপোনালোকে কিয় পইচা খায়। তেতিয়া সেই পুলিচ বিষয়া জনে কলে যে আমাৰ প্ৰতি মাহে মাহেকীয়া 'কতা, আছে আৰু সেইটো অফিচাৰক দিব লাগে। এই দৰে যদি পুলিচৰ 'কতা, থাকে তেনেহলে পুলিচে কেতিয়াও দেশৰ নিৰাপত্তা ৰক্ষা কৰিব নোৱাৰে; শান্তি শৃঙ্খলা ৰক্ষ কৰিব নোৱাৰে। সেই কাৰনেই মই চৰকাৰক অনুৰোধ কৰো আমাৰ দেশৰ দুৰ্নীতি নিবাৰন কৰিবলৈ হলে পুলিচৰ বিষয়া আৰু কৰ্ম্মচাৰী সকল তৎপৰ হোৱা দৰকাৰ। আজি যি বিলাক অফিচাৰ দুৰ্নীতি পৰায়ন বা কুৰূপ মন্তব্য কৰা হৈছে সেই বিলাক যদি সত্য বুলি প্ৰমানিত হয় তেনে হলে তেওঁলোকক সেই দুৰ্নীতি পৰায়ণ বিষয়া সকলৰ গুৰুত্ব পূৰ্ণ পদৰ পৰা অপসাৰণ কৰিব লাগে।

Shrimati Pranita Talukdar—উপাধ্যক্ষ মহোদয়, পুলিচ শিতানত যিটো কৰ্ত্তন প্ৰস্তাব উত্থাপিত হৈছে এই প্ৰসংগত মই দুষাৰ মান কব খুজিছো। আজি আমাৰ দেশৰ আটাইতকৈ ডাঙৰ কথা হৈছে; দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰা। গান্ধীজীয়ে শান্তি আৰু অহিংসা নীতিৰে ভাৰতক এক বৃহৎ শক্তিশালী সাম্ৰাজ্যৰ পৰা ৰক্ষা কৰিলে। গতিকে আজি আমাৰ দেশৰ সমস্যা সমূহ সমাধান কৰিবলৈ শান্তি পূৰ্ণ ব্যৱস্থা লোৱাটো প্ৰয়োজনীয় কিন্তু আজি দেখা গৈছে যে সীমান্ত বৰ্ত্তী অসমত নানা বিভেদ কামী শক্তি সমূহে গা কৰি উঠিছে আৰু গাওঁ ভূইত নানা অশান্তিৰ সৃষ্টি কৰি আমাৰ জনসাধাৰনৰ দৈনন্দীন জীবনৰ শান্তি ভঙ্গ কৰাৰ উপক্ৰম ঘটিছে।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ দেশৰ শান্তি আৰু নিৰপত্তা ৰক্ষাৰ কাৰনেই পুলিচ বিভাগটো বেছি শক্তিশালী কৰাটো বিশেষ প্ৰয়োজন । আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পাচত আমি দেখিবলৈ পাইছো যে দেশৰ শান্তি আৰু নিৰপত্তা ৰক্ষাৰ কাৰনে পুলিচ বিভাগ শক্তিশালী কৰিবলৈ আমাৰ চৰকাৰে যথেষ্ট টকা ব্যয় কৰিছে। তাৰ ফলত আজি আমাৰ ৰাজ্যত থানা বিলাকৰ সংখ্যা বৃদ্ধি পাইছে আৰু পুলিচ

চকি বিলাকৰ সংখ্যাও বৃদ্ধি পাইছে কিন্তু এইটো কথা ঠিক যে আমাৰ জন সংখ্যা অনুপাতে পুলিচৰ সংখ্যা বেছি নহয়। কাৰণ আমি দেখিছো যে কোনো কোনো সময়ত পুলিচ বিষয়া সকলক সীমান্তলৈয়ো পঠাব লগীয়া হয়। আৰু তেতিয়া যদি কোনো ঠাইত দুৰ্যোগ হয় তেনে হলে তাত যি পৰিমানে পুলিচ কৰ্মচাৰীৰ প্ৰয়োজন হয় সেই পৰিমানে পোৱা নাযায়। গতিকেই মই আশা কৰো যে পুলিচৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰয়োজন।

মাননীয় সদস্য সকলে পুলিচ বিষয়া সকল দুৰ্নীতিত লিপ্ত থাকে বুলি অভিযোগ আনিছে। আজি আমি দেখিছো যে বজাৰত বস্তুৰ চৰাদাম হৈছে। এই চৰা দামৰ কাৰণে পুলিচ কৰ্মচাৰীৰ সকলক বেতন বৃদ্ধি কৰিব লাগে। তেওঁলোকৰ আৰ্থিক অৱস্থা চচ্ছল নহলে দুৰ্নীতিত লিপ্ত হব পাৰে গতিকেই মই আশা কৰো বিশেষকৈ তলৰ খাপৰ পুলিচ কৰ্ম্মচাৰীক সকলক বেতন বৃদ্ধি কৰি তেওঁলোকৰ অৰ্থিক অৱস্থা চচ্ছল কৰিব লাগে; যাতে তেওঁলোকৰ হাতত যি ক্ষমতা দিয়া হৈছে; সেই ক্ষমতা অব্যাহত ৰাখিব পাৰে।

আজি বাজেটত পুলিচ কৰ্ম্মচাৰী সকলৰ পৰিয়ালৰ কাৰণে Medical facility ত যি টকা ধৰা হৈছে সেই টকা একে বাৰেই কম, এই টকা কিছু বঢ়াই দিব লাগে। আজি আমাৰ দেশৰ শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ কাৰণে পুলিচ বিভাগ। কিন্তু আজি কিছু ক্ষেত্ৰত দেখা গৈছে Police Department এ ভাল ভাবে কাম কৰিব পৰা নাই। মোৰ সমষ্টিৰ খাতিজা বিজনী মৌজাৰ খুদনাবাৰী গাৱঁৰ এজন মানুহক কোনোবাই হত্যা কৰিলে। কিন্তু সেই কেচ তদন্ত কৰি আজিও প্ৰকৃত দোষীক ধৰিব নোৱাৰিলে।

Shri Bimala Prasad Chaliha—মাননীয় সদস্যই কোন গাৱঁত বুলি কলে?

Shrimati Pranita Talukdar—খুদনাবাৰী গাৱঁত, গতিকে মই আশা কৰো এইবিলাক তদন্ত কৰি প্ৰকৃত দোষীক দণ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু আমাৰ পুলিচৰ বিষয়া সকলৰ যি বিলাক দুৰ্নীতিৰ অভিযোগ আছে; সেই বিলাক যদি সঁচা হয়; তেনেহলে তেখেত সকলক examplary punishment দিয়াৰ ব্যৱস্থা থাকিব লাগে; যাতে অনা বিষয়া সকলে একে ধৰণৰ দুৰ্নীতিত লিপ্ত হবলৈ সাহস নকৰে। আজি দুৰ্নীতি নিবাৰণৰ কাৰণে আমাৰ যিটো শাখা আছে সেই শাখাটোৰ পুনৰ গঠন কৰা প্ৰয়োজন। আমাৰ C.I.D. বিভাগটোও পুনৰ গঠন কৰিব লাগে।

বহুতো ঠাইত শুনা যায় মহিলা পুলিচ কৰ্ম্মচাৰী আছে। আৰু তেখেত

সকলেও দেশৰ শান্তি শৃঙ্খলা ৰক্ষাৰ কাৰণে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেই কাৰণে মই আশা কৰো আমাৰ ৰাজ্যৰো মহিলা পুলিচ বাহিনী এটা গঠন কৰিব লাগে। আৰু এটা কথা যোৱা বছৰ শুনিবলৈ পাইছিলো যে Asstt. Jailor পদত মহিলা নিয়োগ কৰা হব। মই আশা কৰো এই বিলাক পদত মহিলা সকলক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ গাওঁ-ভুই বিলাকত চুৰ ডকাইত হোৱাৰ কথা শুনিবলৈ পোৱা যায়। গতিকে মই আশা কৰো পুলিচ বাহিনীৰ সহায়ৰ কাৰণে আমাৰ গাওঁ ৰক্ষী বাহিনীটোও পুনৰ গঠন কৰি শক্তিশালী কৰিব লাগে। এইটো ব্যৱস্থা থাকিব লাগে যাতে গাওঁ ৰক্ষী বাহিনী বিলাকে নিজ নিজ গাৱঁৰ শান্তি শৃঙ্খলা বজাই ৰাখিবলৈ পুলিচ বিষয়া সকলৰ লগত আলোচনা কৰিব পাৰে। আজি আমাৰ কল্যাণকামী ৰাষ্ট্ৰৰ শান্তি ৰক্ষাৰ কাৰণে পুলিচে যি ভূমিকা গ্ৰহণ কৰিছে তাক আমি ভাল পাইছো। উপাধ্যক্ষ মহোদয়, ইয়াকে কৈ মই যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে তাৰ বিৰোধীতা কৰিলো।

*M. Shamsul Huda – উপাধ্যক্ষ মহোদয়, পুলিচৰ দাবীৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো সমৰ্থন কৰি দুষাৰ মান কব খুজিছো। পুলিচ বিভাগটো আমাৰ নামত শান্তি শৃঙ্খলা ৰক্ষক হিচাপে ৰাখিছো। দৰাচলতে এইটো চৰকাৰৰ পুলিচ বাহিনী নহয়; এইটো সন্ত্ৰাস বাহিনীহে। আৰু এই পুলিচ প্ৰশাসনৰ নামত, আৰু প্ৰকৃততে যিটো পুলিচ প্ৰশাসন চলি আছে সেইটো দুৰ্ব্বলৰ ওপৰত সবলৰ অত্যাচাৰ হৈছে। তাৰ কাৰণে আমি দেখিছো পুলিচ বিভাগটো দেশৰ শান্তি শৃঙ্খলা ৰক্ষাৰ কাৰণে ৰক্ষা হৈছে। কিন্তু এই বিভাগটো ভয় আৰু ত্ৰাসৰ কাৰণ হৈ পৰিছে। তেওঁলোকক কিবা কাম কৰিবলৈ দিলে তাৰ বিপৰীতটোহে কৰা দেখা যায়। তেওঁলোকক চোৰ ধৰিবলৈ পঠালে চুৰ নধৰি যাৰ ঘৰত চুৰি হয় তাহাতৰ গিৰিহতকহে ধৰি আনে।

উপাধ্যক্ষ মহোদয়, ধিং থানা এলেকাত এটা ঘটনা ঘটিছিল। এই ঘটনাৰ বিচাৰ চলাবৰ কাৰণে এক পক্ষই ধিং থানাত কেচ দিলে আৰু ৮০ টকা ঘোচ দিয়াৰ পাছতো পুলিচে আসামী উলিয়াই নিদিলে। ইয়াৰ দ্বাৰা আমি দেখিবলৈ পাইছোঁ যে বিশেষকৈ পুলিচক দেশৰ শান্তি ৰক্ষাৰ কাৰণে ৰাখে, দেশৰ স্বাৰ্থ ৰক্ষাৰ কামত ব্যৱহাৰ কৰে; কিন্তু তেনে ক্ষেত্ৰত যি কোনো মানুহে চৰকাৰৰ

*Speech not corrected

বিৰুদ্ধে কাম কৰিলে বা কিছুমান লোকে বিক্ষোপ প্ৰদৰ্শন কৰিলে ; তাত গৈ পুলিচে জনসাধাৰণক নানা অত্যাচাৰ আৰু ৰাইজৰ ওপৰত জুলুম কৰে।

উপাধ্যক্ষ মহোদয়, ঠিক তেনে ধৰণৰ এটা ঘটনা আমাৰ ভুবৰন্ধাত ঘটিছিল আৰু তাত পুলিচে গৈ শান্তি ৰক্ষাৰ পৰিবৰ্ত্তে ৰাইজৰ ওপৰত ঠেলাহেচা কৰে আৰু লাঠি চলাই নাৰী-তিৰোতাৰ ওপৰত নানা অত্যাচাৰ কৰে। এই অভিযোগটো চৰকাৰৰ ওচৰতো দিয়া হৈছিল আৰু নগাৱঁৰ উপায়ুক্তৰ ওপৰতো Report দাখিল কৰা হৈছিল। কিন্তু দেখা গল যে পুলিচ বিভাগৰ ওপৰত চৰকাৰৰ কোনো বিচাৰ নহয়। পুলিচ বিভাগৰ ওপৰত কোনো অভিযোগ আহিলে চৰকাৰে সদায় পুলিচক Defend কৰে। তাৰ কাৰণে আজি দেখা যায় যে এই পুলিচ বিভাগটোৰ প্ৰতি জনসাধাৰণৰ একেবাৰে আস্থা নোহোৱা হৈ পৰিছে। পুলিচে জনসাধাৰণক যি দৰে আদৰ্শ দেখুৱাব লাগে বা জনসাধাৰণক সহায় কৰিব লাগে, সেইদৰে আদৰ্শ নেদেখুৱাই নানা বেমেজালিহে সৃষ্টি কৰে। আৰু তাৰ ফলত পুলিচে জনসাধাৰণৰ পৰা যি খিনি আদৰ বা সহানুভুতি পাব লাগিছিল সেই খিনি পোৱাৰ পৰা বঞ্চিত হয়। বৰং পুলিচৰ প্ৰতি জনসাধাৰণৰ মনত এটা ঘৃননীয় ভাব আৰু ভয়ৰ কাৰণ সৃষ্টি হৈছে। সেই কাৰণে আজি পুলিচৰ কৰ্ত্তব্যত বহুতো দোষ ত্ৰুটি থাকি যায়।

তদুপৰি এইটো কথা কেতিয়াও সম্ভৱ হব নোৱাৰে যে এজন পুলিচৰ বিৰুদ্ধে কোনো অভিযোগ আনিলে, আন এজন পুলিচক সেইটো অনুসন্ধান কৰিবলৈ দিয়ে। গতিকে অনুসন্ধান কৰাৰ পাছত পুলিচটোৱে বিটো Report দিয়ে সেইটো কেতিয়াও সঁচা হব নোৱাৰে। কাৰণ চৰকাৰে সদায় পুলিচক Defend কৰি আহিছে আৰু তেনে ক্ষেত্ৰত এজন পুলিচে কেতিয়াও তেওঁৰ লগত আন এজনৰ বিৰুদ্ধে বেয়া গোচৰ নিদিয়ে। গতিকে পুলিচৰ যি নিয়ম কানুন বৰ্ত্তমান চলি আছে সেইটো সংশোধন কৰিব লাগে। যদি এইটো সংশোধন কৰা নহয়, তেতিয়াহলে এইদৰেই ভুলনীতিৰে পুলিচ বিভাগটো চলি থাকিব। আৰু আজি যি দৰে জনসাধাৰণে পুলিচৰ ওপৰত আস্থা হেৰুৱাইছে, সেইটো ভৱিষ্যতে আৰু বেছিহে হব। তাৰ ফলত পুলিচ সকলোৰে ওচৰত Unefficient হব। আৰু ভাল মানুহ বিলাকে কেতিয়াও পুলিচৰ ওচৰলৈ নাহিব। অন্য ৰাজ্যত পুলিচে বহুতো ক্ষেত্ৰতে জনসাধাৰণৰ লগত সহযোগ কৰে ; কিন্তু আমাৰ ৰাজ্যত পুলিচে তেনে সহযোগ কৰাটো দূৰৰ কথা, আনকি জনসাধাৰণক বিপদত পেলাই কেৱল চুৰি-ডকাইটিৰ লগতহে হাত মিলায়। গতিকে পুলিচে যে নিজেই চুৰি কৰে তাৰ প্ৰমাণ সকলোৱে নোপোৱা নহয়।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কওঁ যে উচ্ছেদ কাৰ্য্যত চৰকাৰে পুলিচ ব্যৱহাৰ কৰে; কিন্তু পুলিচে এই কাৰ্য্য যিদৰে উচ্ছেদ কৰিব লাগিছিল সেইদৰে উচ্ছেদ নকৰি নিৰ্ম্মম ভাবে অত্যাচাৰ কৰে। শষ্য আদি নষ্ট কৰে। এইটো বৰ অন্যায় হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীমইনুলহক চৌধুৰী ডাঙৰীয়াই এটা Telegram পাইছে যে লতাকটাত পুলিচে মানুহক মাৰ-ধৰ কৰিছে। ঘৰ দুৱাৰ ভাঙি নষ্ট কৰিছে। উচ্ছেদ কৰিবলৈ গৈ মানুহৰ বুকু বেওনেটেৰে খুচিছে। তাৰ ওপৰিও যি বিলাকক গ্ৰেপ্তাৰ কৰি আনে সেই বিলাকক এনেকুৱা হিচাবে লাঠিৰ কোব দিয়ে যে মাৰোতে মাৰোতে কোনোবা এজনৰ হেনো জেইলৰ ভিতৰতে তেজ বমি কৰিলে। উচ্ছেদৰ কাৰণেহে পঠাইছিল। কিন্তু তাত মাৰ-ধৰ কৰিবলৈ পঠোৱা নাছিল।

তাৰ পাছত কেতিয়াবা পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ গৈ নানা বেমেজালিৰ সৃষ্টি কৰে। এইটো কিয় হব লাগে যে গ্ৰেপ্তাৰ কৰিবলৈ গৈ মানুহৰ ওপৰত জুলুম কৰিছে? উদাহৰন স্বৰূপে কওঁ যে লতাকটাত ১৯ জন মানুহৰ বিৰুদ্ধে গ্ৰেপ্তাৰ চলালে আৰু সেই মানুহ কেইজনৰ পৰা পুলিচে ৭৫০্ টকা বিচাৰিলে। কিন্তু সেই মানুহ কেইজনে টকা দিব নোৱাৰাত সিহতৰ ওপৰত জুলুম চলালে।

তাৰ পাছত ১১ এপ্ৰিলৰ দিনা মিকিৰ পাহাৰ জিলাত এটা উচ্ছেদ কাৰ্য্য চলিলে। অৱশ্যে তাত মোৰ কবলগীয়া একো নাই। কিন্তু উচ্ছেদ কৰিবলৈ গৈ তাৰ মানুহৰ যিটো "মছজিদ" আছিল, সেইটো ভাঙি পেলাইছে আৰু সেইটো ভঙাৰ উদ্দেশ্য কি আছিল? তাৰোপৰি 'মছজিদত' যি কোৰাণ আছিল সেইটোকো কাটি পেলাইছে। এই ধৰ্ম গ্ৰন্থবোৰ কাটিবলৈকে পুলিচক পঠাইছিলনে কি? গতিকে পুলিচৰ এই অন্যায়ৰ বিচাৰ হব লাগে। এই উদ্দেশ্যে D.C. ক Report দিয়া স্বত্বেও চৰকাৰৰ পুলিচৰ ওপৰত আজিলকৈ বিচাৰ নহল।

মই আৰু এটা কথা কওঁযে পুলিচৰ শিতানত বহুতো টকা দিছে। সেই টকাৰ পৰা source money হিচাবে কিছু টকা পুলিচ অফিচাৰে খৰচ কৰিব পাৰে যদিও সেই বিলাক সাক্ষীবাদী কিনিবৰ কাৰণে বা চুৰি ডকাইতক ধৰিবৰ কাৰণে ব্যৱহাৰ নকৰে, সেই বিলাকৰ পৰিবৰ্ত্তে পুলিচ অফিচাৰে নিজে টকাখিনি খায়। গতিকে এই টকাবোৰ সঠিক কামত খৰচ হয় নে নহয় চৰকাৰে চকু ৰাখিব লাগে।

তাৰ পাছত C.R.Pৰ কথাত মই কৈছোঁ যে C.R.P বিলাক আমাৰ ৰাজ্যৰ পৰা আঁতৰাই দিব লাগে। আমি দেখিছো যে কৰবাত কাজিয়া ওলালেই অসম চৰকাৰে C.R.P আনে।

Shri Bimala Prasad Chaliha—ৰাজ্যৰ পৰা যে C.R.P গোচাই দিব লাগে তেনেকুৱা আমাৰ কোনো সিদ্ধান্ত নাই।

M. Shamsul Huda—অধ্যক্ষ মহোদয় বহুতো টকা খৰচ কৰি C.R.P ইয়াত ৰখাৰ কোনো যুক্তি নাই। দৰ্কাৰ হলে আমাৰ ৰাজ্যতে পুলিচৰ সংখ্যা বঢ়াই দিব লাগে নাইবা আমাৰ পুলিচ বিলাককে effiecient কৰি তুলিব লাগে এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Kamini Mohan Sarma—উপাধ্যক্ষ মহোদয়, মই পুলিচ বিভাগত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো এই কাৰণেই যে আমাৰ ৰাজ্যৰ পুলিচ বিভাগটো যি ধৰণে পৰিচালিত হব লাগিছিল, সেই ধৰণে পৰিচালিত হোৱা নাই। পুলিচ বিভাগে প্ৰকৃততে জনসাধৰণৰ সমস্যা সমাধান কৰিব পৰা নাই। বাস্তৱ ক্ষেত্ৰত শান্তি শৃঙ্খলা ৰক্ষা কৰিব পৰা নাই। বৰঞ্চ জনসাধাৰণৰ মাজত অশান্তিৰহে সৃষ্টি কৰিছে। ভয়ত পেপুৱা লাগি জনসাধাৰণে পুলিচ দেখিলেই পলায় ইংৰেজ দুখ লগা কথা আগৰ বৃটিচৰ দিনত কথা বেলেগ আছিল। গাওঁত চুৰি ডকাইটি হলে Enquiry কৰাৰ কাৰণে পুলিচ নাযায়। এজাহাৰ দিলেও নাযায় যদিহে টকা পইচা দিব নোৱাৰে। ফলত যি ঘৰত চুৰি হয়, সিন্ধি খান্দি চোৰ সোমোৱা গাতটো বন্ধ কৰিব নোৱাৰে পুলিচে Enquriy নকৰাকৈ, ফলত পিচদিনাও পহৰা দি থাকোতে গৃহস্থৰ টোপনি খতি হয়। গতিকে পুলিচে চুৰি ডকাইটি, মাৰ পিট ৰোধ কৰাত কোনো সহায়ি দেখুওৱা নাই।

যান বাহনৰ ক্ষেত্ৰতো সেই একেই অৱহেলা পৰিলক্ষিত হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি সময় কম দিছে গতিকে বেছি কথা নকওঁ, মাত্ৰ কেইটামান Suggestion দিব বিচাৰিছো। ব্ৰহ্মপুত্ৰৰ ওপৰত এটা নৌ-পুলিচ বাহিনী সোনকালে তৈয়াৰ কৰিব লাগে। কিয়নো ব্ৰহ্মপুত্ৰৰ ওপৰেদি বহুত চোৰাং মাল চালান হয় আৰু নাও বুৰি বহুতৰ অপমৃত্যু হয়। নৌ পুলিচ বাহিনী থকা হলে এই চোৰাং কাৰবাৰ বন্ধ হব. আৰু অপমৃত্যু হোৱা লোক সকলক উদ্ধাৰ কৰিব পৰা যাব। অলপতে দেড়গাওঁৰ ওচৰত ব্ৰহ্মপুত্ৰত নাও বুৰি বিবাহ-যাত্ৰীৰ অপমৃত্যু হোৱা খবৰো পাইছো।

দ্বিতীয় কথা হৈছে আমাৰ ৰাজ্যত এটা মহিলা পুলিচ বাহিনী লাগে। কিয়নো আমি দ্বিতীয় তেল শোধানাগাৰৰ কাৰণে আন্দোলন কৰোতে ৰাজ্যৰ ছাত্ৰীসকলেও যোগদান কৰিছিল সেইসকলক গ্ৰেপ্তাৰ কৰাৰ কাৰণে মাত্ৰ এগৰাকী

মহিলা ওৱাৰ্ডাৰ গুৱাহাটীলৈ অনা হৈছিল। গতিকে অতি সোনকালে ৰাজ্যত এটা মহিলা পুলিচ বাহিনী গঠন কৰিব লাগে। তেতিয়াহলে আমাৰ নিবনুৱা বহুত যুৱতী কামত সোমাব পাৰিব।

গাওঁৰক্ষী বাহিনীটো এটা অকামিলা বাহিনী হৈছে এইটো গুচাই দি তাৰ ঠাইত এটা বিকল্প বাহিনী কৰিব লাগে।

ৰঙিয়াৰ পৰা হাজো এই ১৭ মাইলত কোনো Outpost নাই আকৌ কমলপুৰৰ পৰা নলবাৰীলৈকে এই খিনিৰ মাজতো কোনো Outpost নাই, কমলপুৰ গবোৰা ৰাস্তাৰ মাজত কোনো থানা নাই। গতিকে ৰঙিয়া-হাজো ৰাস্তাৰ, ভোৰোক চাৰি আলী ৰাস্তাৰ মাজত একোটাকৈ পুলিচ Outpost লাগে। মুকাপুৰ চকতো এটা, পুলিচ Outpost অতি সোনকালে লাগে। কিয়নো তাত সঘনে ডকাইতি হৈ থাকে। এই ৰাস্তাৰে চোৰাং কাৰবাৰ চলি থাকে।

ৰাস্তাত চোৰাং বস্তু অহা-যোৱা যাতে কৰিব নোৱাৰে তাৰ বাবে Mobile Police force লাগে।

উপাধ্যক্ষ মহোদয়, আমি দেখিছো বৃটিচৰ দিনৰ যিবোৰ থানা, সেই বিলাকত দুটা কম আছিল আৰু আজি ২২ বছৰেও তাক উন্নত কৰিব পৰা নাই। এটা কোঠাত O.C. থাকে আনটো কোঠাত মানুহ সোমাবলৈ ঠায়েই নাথাকে। ৰঙিয়া আৰু কমলপুৰতো সেই একেই অৱস্থা। গোৱেশ্বৰত এটা Police out post খোলা হৈছে কিন্তু মানুহৰ ঘৰ ভাড়া কৰিহে আছে, বিভাগীয় ঘৰ বান্ধিবও পৰা নাই।

আজি পুলিচ অফিচাৰ বিলাকৰ Accomodation ৰ কাৰণে ঘৰ নাই। তেওঁবিলাকে নিত্য-নৈমিত্তিক কাম কৰি আহি ৰাতিতো যাতে শান্তিৰে শুব পাৰে, তাৰ কাৰণে quarter ৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

প্ৰত্যেক পুলিচ ষ্টেচনতে এজন জন সম্পৰ্ক-ৰক্ষী অফিচাৰৰ বৰ দৰকাৰ হৈ পৰিছে। পুলিচ আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক ৰখাৰ বাবে। যাতে এজাহাৰ আদি লিখি দিব পাৰে—। নহলে জনসাধাৰণে এজাহাৰ দিবলৈ গৈ থানাত একো কৰ নোৱাৰে—আকৌ এজাহাৰ দিও টকা-পইচা দিব নোৱাৰিলে পুলিচে Euquiry কৰিবলৈ নাহে। গতিকে পুলিচ বিভাগটো জনসাধাৰণৰ যাতে উপকাৰত আহে তাৰেহে ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

**Dr. Shri Surendra Nath Das** —মাননীয় উপাধ্যক্ষ মহোদয়, মই পুলিচ শিতানৰ কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি দুআষাৰ মান কব খুজিছো। বৃটিছ শাসক সকলে তেওঁলোকৰ সুবিধাৰ কাৰনে পুলিচ বাহিনীক যিদৰে গঢ়ি লৈছিল সেই ধৰনতেই বৃটিচ শাসক সকল ভাৰত এৰি যোৱাৰ আজি ২৩ বছৰৰ পিছতো পুলিচ বাহিনীৰ কোনো পৰিবৰ্ত্তন নহল। সেই সম্পৰ্কত মই কেইটা মান পৰামৰ্শ আগবঢ়াব খুজিছো। এই মৰ্ম্মে এই কথা কব খুজিছো যে আমাৰ যিটো পুলিচ ট্ৰেইনিং কলেজ আছে সেইটোৰ যি 'চিলেবাচ' সেইচিলেবাচ অতিকৈ পুৰনা আৰু স্বাধীন ভাৰতৰ অৱস্থাৰ লগত খাপ নোখোৱা। গতিকে অনতিপলমে ইয়াৰ পৰিবৰ্ত্তন কৰিব লাগে। তাৰোপৰি পুলিচক আজি যি সা-সুবিধা দিছো সেইটো আচৰিত ভাবে কম। সেইকাৰনে তেওঁলোকৰ পৰা আমি প্ৰকৃত কাম পাবলৈ আশা কৰিব নোৱাৰো। তাৰ পিচত, পুলিচ থানা বিলাকত সকলো প্ৰকাৰৰ আধুনিক সা-সুবিধা দিব লাগে যাতে তেওঁলোকে সকলো কাম সমধান কৰিব পাৰে।

P. W. D. অথবা ব্লক বিলাকত 'জীপ' আদি দিয়া হয়। এইদৰে পুলিচ থানা বিলাকতো 'জীপ' আদি দিব লাগে। Prevention is better then cure — সেইদৰে আমাৰ ৰাজ্যত বা দেশত যাতে কু-কাম হব নোৱাৰে আমাৰ C. I. D. বিভাগটো সক্ৰিয় কৰিব লাগে। আমি এই কথা বুজিব পাৰিছো যে এটা C. I. D. বিভাগত কাম কৰা কৰ্ম্মচাৰি বিলাক অবহেলীত লোক আৰু পুলিচ বিভাগত যি বেয়া কাম কৰে তেওঁলোককেই C. I. D ত দিয়ে। এতেকে এই ধৰনৰ লোকৰ পৰা আমি কেনেকৈ ভাল কাম আশা কৰিব পাৰো? গতিকে C. I. D বিভাগটো ভাল মানুহ দি উন্নত কৰিব লাগে।

তাৰ পিচত Village Defence পাৰ্টি অনুষ্ঠানটো যদি বৰ্ত্তমানৰ দৰে চলি থাকে তেন্তে সেইটো উঠাই দিয়াই ভাল বুলি শ্ৰীশৰ্ম্মা ডাঙৰীয়াই কৈছে। কিন্তু মই কব খুজিছো এই অনুষ্ঠানটো শক্তিশালী কৰিব লাগে আৰু তাত প্ৰয়োজনীয় Financial help দি কামত লগাব লাগে। তাৰ পিচত, এই কথা কব খুজিছো যে Interstate Police ৰ Coordination নাই। আমাৰ পুলিচে ইয়াত কিবা জানিব খুজিলে অন্য State ৰ পুলিচ বিভাগে সহায় নকৰে। আমাৰ অঞ্চলৰ এটা চাঞ্চল্যকৰ হত্যাকাণ্ডৰ কথা কও এই হত্যাকাণ্ডত লিপ্ত থকা ডকাইতৰ দলৰ ভিতৰত এজন উত্তৰ প্ৰদেশৰ লোকক ধৰা হৈছিল আৰু আজি ১॥ বছৰ ধৰি বৰপেটা হাজতে এই মানুহজন আছে আৰু সেই ডকাইত জনে কোৱা মতে উত্তৰ প্ৰদেশত আৰু দলৰ মানুহৰ কথাত উত্তৰ প্ৰদেশলৈ লেখাত তাৰ পুলিচে উত্তৰ নিদিয়ে। গতিকে এই বিলাক ক্ষেত্ৰত Interstate Police ৰ Coordination যাতে থাকে তাৰ কাৰনে আমাৰ চৰকাৰে ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত মই কব খুজিছো যে মদ নিবাৰন কাৰ্য্য হোৱাৰ ফলত Excise পুলিচৰ সংখ্যা কমাব পাৰে আৰু এই মৰ্মে এতিয়াই শতকৰা ৫০ ভাগ কমাব পাৰে। এই কথা থিনি লৈয়েই মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

★Shri Debeswar Sarma—Mr. Deputy Speaker, Sir, in the demands for grants for the Police Department, various views have been raised. Firstly I have to say with regret that the Police Commission is not the best that could be had, and our Government, I am constrained to say, has not done justice to itself or to the State. Since it is there, I need not much criticise. Unfortunately, the Chief Minister is away. When I said the other day that we should have a senior officer as Liaison Officer in Delhi, he said that the Hon. Member may see the civil list and point out as to whom he would suggest. If he were here this afternoon, I would have asked why did Shri Sarat Kagti refuse to be associated in the Police Commission. Why ? I need not say but certainly I would repeat that this Police Commission is not the best that our Government could find. There are other difficulties also or other complaints about it also. But it is hardly any use crying over spilt milk. The next point comes—we often forget and for historical reasons that the police people are also our people, and furthermore, they are also men of flesh and blood. We criticise them for inaction; we criticise them for action ; we criticise them for their presence and we criticise them for their absence. We forget that in that position, perhaps any one of us also would have found ourselves open to criticism in various ways. I do not say that the police should not be criticised ; they should be criticised. But I would also say at the same time when there are various departments of our State, if I may say so,-in India today, who have successfully competed with the Police department in the matter

★Speech not correcred

of taking bribes, dereliction of duty and such other things, that is not to be desired and it can never be commended ; it is to be condemned. But things being what they are, we cannot shut our eyes to the realities.

The hon. Member, Shri Dulal Chandra Barua talked of a high-ranking police officer that at the time of his going, he collected as bribe a sum of Rs. 4000/- I have not heard about it. I may not have heard. I do not challenge this statement because I have no knowledge about it. But I have no hesitation in saying that being a man of Jorhat and knowing almost every D. C. and Police Superintendent of Jorhat since our Independence—let us say from 1947 ( I know it personally ) I have nevar heard of any Police Superintendent or D. C. taking bribe. They may have faults and other deficiencies. Five fingers of our hands are not of the same length but people may have different measures of efficiency and standard and adequacy. But we have to concede that finding fault with police in season and out of season would not help anybody.

Sir, several other members have stated that the police are insufficiently fed, insufficiently clothed and most inadequately equipped. Sometimes I had occasion to go to see the Armed Police Battalion at Dergaon to meet people. Sometimes on invitation I go. I have heard that there is a large number of T.B patients and it is also being said that these people suffer from T. B. for malnutrition, for inadequate food. The food that is given to the police Constables armed and unarmed. the Havildars is indeed very poor and insufficient considered frum the standpoint of their hard work. Most of them are young man ; they are just between the age of 20 and 30 and 35 years and they should have sufficient and

nutritious food, the balanced diet so that they can be physically fit. As regards their clothing, I do not have much to say. Parhaps it is adequate; perhaps it is not. But for this police force belonging to a poor State like ours they cannot be given better. But, Sir, I would cretainly say that in this Apollo age we are equipping our police force with bullock carts. They do not have quick means of transport; they do not have adequate wirelese sets; they do not have the other paraphernalia which are the sine qua non for the efficiency of the police force these days. And I should humbly caution the Government that we are neglecting our police force and even army at our own peril

As regards the police we come and talk here. If there is any trouble and when thay take some serious action we criticise them. When they commit excess they have to be criticised. But normally standing or sitting here and talking of an excess is qujte a different thing from what it is at the spot where there are 'fekras' or rioting or hooliganism or some such things. I hope I will not be taken smies. If there were a statistician who takes statistics and computes in all the Indian Legialatures, perhaps from the criticisms what are advanced by the hon. Members of the Legislatures many of the persons themselves could have been shown by the computer in such a statistics. I heard some of my friends who said that there should be public relations. I do advocate that there should be public relations. The difficulty we have is that during the British regime if the police force were engaged in suppressjng the nationalist movement and beating our volunteers, it is not their fault. They served the British Government of efficiently Why ? Can we not ask ourselves ? Why the samè police force are not efficient to the same extent ? There

are good reasons and it is for the Government and those who are interested for the efficieny of the police force to critically find out. This is not the time. I am looking at the clock and an almost hearing the echo of the bell. sir, some of our friends said that the people have gone and occupied forest reserves. The police come and maltreat the encroachers. I am understating the case both ways. I fail to understand, Sir, when there is the question of law and order, the police have to use the minimum violence that is necessary to maintain law the order. In my humble opinion we should all support the police in maintenance of law and order. (Shri Phani Bora — But law and order is a 'Gulmalia Katta') Therefore, it is 'Gulmalia Katta'. When my friend, Shri Phani Bora led a procession of 1000 encroachers to a reserve forest, I do not know whether the police can use the sticks or can kiss the encroachers ? I do not know, Sir. Therfore, if there is any case for creating fear in the minds of the miscreants, as he has said earlier, that has to be done· But I do repeat that our police should use the minimum violence absolutely minimum to maintain law and order. Another friend has said that there should be trade unions among the police, God help us We have seen enough of trade unions in other spheres. Let my friends spare the police from the trade unionism. There may be some rioting somewhere and the rasolution will not be finished, and we ourselves will be worse in that force. Therefore, discipline in the police force is absolutely necessary. No one should be excused. If there is lack of discipline among the police force I said that the police force are 'opriyakatta' that they are unpopular to the people. We have not been able to forget the rancour that we had against the police during the British days just as we say now. When there is scarcity of kerosene, when sugar is selling at a very high price. That is a mental hang-over from the British days.

Siimlarly we have that hang-over on the police or dislike for the police force. I hope by conscious efforts from both sides, disaffection or this lack of affection towards the police in our minds should be removed.

Lastly, Sir, people are talking about some police 'mad-khawa'. I want to ask who does not take 'mad'? How many who do not take this intoxicant? It is a fashion of the day that anyone who does not take wine is not considered up to-day. Therefore, if police drink let them drink. I hope they have to be excused. I think we should not lightly bring the charge of 'Nari Dharshan'. And even prohibition Bill is more ridiculously brought about - that there should be only 5 per cent prohibition. In my life I cannot understand what is the meaning of this Bill. What is the sense? Either you abolish it or enforce prohibition of liquor. Or if you allow it let them drink. If the majority of the people want to drink let them drink.

Lastly sir, the C.R.P. I am one who would very much like our own police force to be raised rather than bring the C.R.P. The C.R.P. is welcome in emergency. But several battalions or a number of C.R.P. platoons, at any rate, are stationed in Assam. I would very much desire that we would raise - effiectively and efficiently train and properly equip-our own police battalions.

Without equipment we cannot expect our police to do what is required of them to do today. Another difficulty is about investigation of cases for which there is not enough officers. Formerly, there were 6 or 7 thousands people in a Thana and could be managed by 3 or 4 officers But now there is an increase of population even in our Jorhat we have about 60,000 people under 4 or 5 Thanas - and 3 or

4 officers are inadequate to manage properly. Therefore, we have to equip our police force properly if we do not do so, we cannot but bargain for our own trouble.

Shri Dulal Chandra Barua – Mr. Deputy Speaker, Sir, the hon Member Shri Debeswar Sarmah has said that the charge that I have brought against a top ranking police at Jorhat was not known to him. Sir, for the information of the hon Member, I would like to say that high ranking police officer who was recently transferred from Jorhat has taken everything including the cost of Dhobi also from other sources

Mr. Dy. Speaker Mr. Barua, please sit down It is not your turn.

Shri Dulal chandra Barua : Sir, I am only giving the information to the honourable member. Sir. you will be surprised to hear that that high ranking police officer has collected Rs. 40,000 from the O.C.

Shri Phani Bora—Mr. Deputy Speaker, Sir, I thought that I would not speak But now I am tempted to speak. Sir, I know that it is the duty of the police to maintain law and order in the land. Now the difficulty is that law is to be used by the capitalist and the rich and the order is to be maintained by the poor. We have no grudge against any police officer as person But these police officers are the tools of the capitalist and the rich. If the country is ruled by the capitalist class, the police, the representatives of the capitalist will exploit the common people. If we are to defend the case of the poor we are to fight the capitalist class and landlord class of the country. As a matter of fact police are taught like that. They are trained in every Reserve and even in front of Shri Deb Kant Barooa' s house at Nowgog. They are taught how to put bayonet in the heart of the innocent and poor people,

but not against the corrupt black-marketeers They are given training to use force and to make lathi-charge on innocent people and to treat them rudely just like dogs. We are to criticise them and to fight with them. How can we love them ? I do not believe that there can be a rule of love in a class society. We can not love a black-marketeers. We have to instill fear in him. So long capitalism and landlordism remains class struggle will continue and in that struggle whoever wins they survive.

Shri A. N. Akram Hussain : উপাধ্যক্ষ মহোদয়, অসমত পুলিচ আৰু গোৱেন্দা বিভাগৰ কাৰণে যিমান টকা ব্যয় কৰিছে তাত আমি হতাশ হৈ পৰিছো। পুলিচ বিভাগে দেশ ৰক্ষাৰ কাৰণে জন সাধাৰণক যেনে ধৰণেৰে ৰক্ষনা বেক্ষন দিব লাগে তেনে ধৰণেৰে দিব পৰা নাই। আৰু তাৰ বাবেই আজি আমি দেখিছো যে জন সাধাৰন ৰাইজ আৰু পুলিচৰ মাজত যিটো মধুৰ সম্বন্ধ গঢ়ি উঠিব লাগে সেইটো গঢ়ি উঠা নাই। তাৰ পৰিবৰ্ত্তে দেখা পাইছো ৰাইজৰ এই বিৰোপ মনোভাব বৃদ্ধিহে পাইছে। তাৰ কাৰনে মই পুলিচ বিষয়া আৰু কৰ্মচাৰী সকলৰ দোষাৰূপ কৰিব খোজো কাৰণ তেখেত সকলে আজি যিটো মনোভাব পোষন কৰিছে তাত দেখা গৈছে শান্তি শৃঙ্খলা ৰক্ষাৰ নামত দেশক শোষন কৰি আহিছে কেও ফালে অশান্তিৰ সৃষ্টি কৰিছে। তেখেত সকলে এই মনোভাব অতি সোনকালে পৰিবৰ্ত্তন কৰিব লাগিব। তেহে আমাৰ পুলিচ আৰু ৰাইজৰ মাজত ভাতৃত্বৰ ভাব গঢ়ি উঠিব।

উপাধ্যক্ষ মহোদয়, আমাৰ C. R. P. ৰ বিষয়ে ইতিমধ্যে বহুতো আলোচনা হৈ গৈছে। এই C. R P. বিলাকৰ আমাৰ প্ৰতি একে বাৰেই ভাল মনোভাব নাই। আমাৰ প্ৰতি তেখেত সকলোৰ প্ৰতিহিংসাৰ মনোভাব আছে। প্ৰমান হিচাপে নগালেণ্ড সিমান্তত যি বিলাক C. R. P. ৰখা হৈছে সেই বিলাকে আমাৰ বিৰোদ্ধেই কাৰ্য্য কলাপ চলাই আছে। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰো আমাৰ ইয়াৰ পৰা C. R. P. ক বিদায় দি তাৰ ঠাইত কিছুমান অসমীয়া লৰা লৈ এটা বাহিনী গঠন কৰিব লাগে আৰু সেই বাহিনীকো শক্তিশালী কৰিব লাগে। তেতিয়া হলে আমাৰ সিমান্তৰ সমস্যাও বহুপৰিমানে সমাধান হব। আৰু এটা অতি আচৰিত লাগে যে আকৌ টা বেটেলিয়ন নতুন কৈ নতুন দিল্লীৰ পৰা পঠাব বুলি জনাইছো। আশা কৰো এই মনোভাব পৰিবৰ্ত্তন কৰিব।

পুলিচ কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহা দিয়াৰ ক্ষেত্ৰত মই কও যে যি বিলাক কৰ্ম্মচাৰীক দৰ্ম্মহা তেনেই কম সেই বিলাকৰ দৰ্ম্মহা বঢ়াই দিব লাগে। আৰু তেওঁ লোকৰ সন্তান সকলৰ পঢ়াৰ সুবিধাৰ কাৰনে স্কুলৰ ফিজ মাফ দিব লাগে।

আৰু যি বিলাকৰ মাটি ১০ বিঘা ২০ বিঘাৰ কম আছে তেওঁ লোকৰ খাজানা মাফ দিব লাগে। পুলিচ সকলক যি খাদ্য দিয়া হৈছে সেই সকলক খাদ্যৰ সলনি অখাদ্য খুৱাইছে। কিছুমান contractor ৰ মাৰ্ফটে এই খাদ্য বিলাক দিয়া হৈছে। আৰু সেই contractor বিলাকে মাহৰৰ অযোগ্য কিমান খাদ্য যোগান দিয়ে আৰু সেই বিলাককে তলতিয়া পুলিচ কৰ্মচাৰিক খাবলৈ ration হিছাবে দিয়ে। এনে অভিযোগ আমাৰ ওচৰলৈ প্ৰায়েই আহি আছে।

তাৰ পাছত পুলিচৰ বাবে যিটো ইউনিফৰ্ম supply দিয়ে, সেই ইউনিফৰ্মৰ কাপোৰ বিলাক একেবাৰে বজাৰৰ সস্তীয়া দামৰ কাপোৰ। বজাৰৰ পৰা এই কম দামৰ কাপোৰ বিলাক কিনি আনি পুলিচৰ বাবে ইউনিফৰ্ম চিলাই কৰি দিয়ে। কিন্তু এই সস্তীয়া কাপোৰৰ দ্বাৰা পুলিচৰ যি ইউনিফৰ্ম বনাই দিয়া হৈছে সেই ইউনিফৰ্ম দুই তিনি মাহৰ পাছতে ফাটি যায় আৰু একেবাৰে discolour হৈ যায় গতিকে তেওঁ লোকক ভাল uniform দিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো।

(সময়ৰ সঙ্কেত)

তাৰ পাছত পুলিচৰ হাতত যি লাঠি দিছে সেইটো বেছি দীঘল হৈছে। সেইটোৰে পুলিচে একো কাম কৰিব পৰা নাই। গতিকে পুলিচৰ ১২ হাত দীঘল লাঠিডাল ৪ হাত হব লাগে।

Mr. Dy. Speaker : You are given only 5 minutes time.

Smti. Rani Manjula Devi—Mr. Speaker Sir, my time is very limited and the subject is very important and long one. I do not know how to confine myself to these few minutes. The very word police used to bring a sense of security to the people apprehension and fear to the criminals. This very word police now gives a sense of disgust and distrust in the minds of the people. What is the reason I do not know Sir. This demoralisation such corruption andlack of morale and initiative, from the police is there. The police are the custodians of peace and tranquility. Sir, I would like to speak about a few personal matter. Usually I do not like to speak on personal matter. But as an instance I am giving it. There was recently a burglary in my ancestral home of Bidyapur and from my ancestral home an ancient diety of Goddess Durga

was stolen. This ancient Durga was very sacred to us. There were some suspects. Sir, these suspect some refugees living there with no income of their own and are notorious in character also ex-convicts. The name of the suspects have been personally given to the I. G. P. But no action was taken at all This is one of the instances. Sometime back very valuable elephant tusk worth several thousands of rupees were stolen away. In Gouripur also the family dities were stolen. But inspite of several reports nothing has been done and no culprits have been caught. Sir, the whole belt is well known to the police Deptt. The whole belt from Sidli to Bangaigaon, Bidyapur Basugaon, Dhontolee, Bhoitamari Chapor Bahalpur are invested with criminals, dacoits and murderers. Inspite of that nothing is being done The other day when I was returning Amtola De-reserved area with my collegue near Bidyapur we come across many red pamphlets and poster. It is one of the centres of the naxalites. I like to call them anti-social elements. Now the question is how these anti-national and anti-social elements are to be properly dealt with. Shri Kanu Shanyal who was supposed to be an Naxal was in Shillong, in the heart of the city for two days For two days he was living in the house of a clerk of A. G.'s office which fact is known to the police but for want of some technical point they did not arrest him. The police knowing it fully well that culprit was in Shillong for 2 days but did not arrest him. This information was brought to me today. I do not know the reasons why he is not arrested whatever anti-national and anti-social activities or Naxalites or other activities these must be dealt with by iron hand Some times the police are not given proper onus for defence and security. Sir, our Chief Minister had admitted about some centres of the Naxalites in Goalpara District. If they found out that some "addas" of the Naxalites are there what steps are taken to remove these "addas". Mere answering the qustion is not sufficient but what steps

were actually taken to stop the Anti-social activities. The police have some difficulties. I have for them certain sympathy, may be for the lack of facilities, may be for want of proper housing facilltics. They are frustrated. They have not sufficient arms. also their children have to get proper educational facilities, and there are no healths service for them. There is some sorts of frustration among the police and as there is some frustration among the youths. We must remove them. We are seeking help from the centre for the C. R. P. when hundaeds of youth in our country are crying out for employment. Let us give them a sense of responsibility to defend our country from these anti-social activities by employing them.

Shri Kabir Chandra Ray Prodhani—অধ্যক্ষ মহোদয়, এই পুলিচ বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে, সেইটো সমৰ্থন কৰি মই কেইটামান Point আগবঢ়াব খুজিছোঁ।

প্ৰথম Point টো হল যে পুলিচে কোনো এটা case ললেই তাত দুৰ্নীতিৰ কাম কৰে আৰু ফলত সেই সাধাৰণ case টোৰ কাৰণে বেছি খৰচ কৰিব লগীয়া হয়। কোনোবাই পুলিচ থানা কিবা কাৰণত আপত্তি কৰিলেই পুলিচে সেইটো inquiry কৰি যিটো ধৰিব লগীয়া মানুহ বা দুষ্ট লোক যি জন, সেই জন গাৱঁত থকা স্বত্বেও নধৰি কোনোবা ভাল মানুহ এজনক—ধৰি আনে আৰু তেওঁলোকৰ পৰা ঘোচ্ খাবলৈ বিচাৰে—। তাৰ পাছত কিছুমান ক্ষেত্ৰত দেখা যায় যে দুষ্ট জনক ধৰিলেও ঘোচ খায় এৰি থৈ আহে আৰু অফিচত নেপালোঁ বুলি Report দিয়ে। গতিকে এই দুৰ্নীতিৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।।

দ্বিতীয় point টো হল যে আমাৰ Village Defence Party ৰ কাৰণে বহুতো টকা খৰচ কৰে আৰু পুলিচক সহায় কৰিবৰ কাৰণে নানা ধৰণে Trainingদিয়া হয়। অধ্যক্ষ মহোদয় আমি জনাত যেতিয়া পাকিস্তান সীমান্তত গুলিয়া গুলি চলিছিল পাকিস্তানৰ আক্ৰমণৰ সময়ত তেতিয়া এই Village Defence Party য়ে Military পাৰ্টিক সকলো ফালৰ পৰাই সহায় কৰিছিল আৰু পুলিচকো সহায়কৰিছিল। কিন্তু এই গাওঁৰক্ষী বাহিনীৰ লগত কাম কৰিলেই ভাল হয়;—কিন্তু পুলিচে

যেতিয়াই অকলে চায় তেতিয়াই নানা গণ্ডগোলৰ সৃষ্টি হয়। V.D.P. মানুহে ভাল কাম কৰিছিল। গতিকে মই এই পৰামৰ্শ আগবঢ়াও যে এনেকুৱা বিলাক পুলিচৰ কামত পুলিচে গাওঁ পঞ্চায়ত আৰু V.D.P. ৰ পৰামৰ্শ লব লাগে আৰু এই মৰ্ম্মে পুলিচ বিভাগত চৰকাৰে নিৰ্দ্দেশ দিব লাগে। পুলিচ দেখিলে তাহানিখন বৃটিচ চৰকাৰৰ দিনত মানুহে ভয় কৰিছিল। সেই পুলিচ দেখিলে কৰা ভয়, স্বাধীনতাৰ আজি ২৩ বছৰৰ পিচতো মানুহৰ মনত বিদ্যমান। এই ভয়ৰ কাৰণ হল পুলিচক ৰখা হৈছে সেৱক হিচাবে — কিন্তু তেওঁলোকে বিচাৰে সেৱা — তাৰ কাৰণেই। আজি কিছুমান হত্যাকাণ্ড হৈছে উদাহৰণ স্বৰূপে তুষাকাটি গাওঁ সভাৰ, প্ৰেচিডেণ্টক দেখ দেখকৈ মাতি নি হত্যা কৰিছে। তেওঁৰ নাম শ্ৰীচৰকাৰ।

Shri Bimala Prasad Chaliha—কোন গাওঁ সভা—গাওঁ সভাখনৰ নাম কি ?

Shri Kabir Chandra Ray Prodhani —তুষাকাটি গাওঁ সভা; আনমাই আ: পঞ্চায়তৰ অন্তৰ্গত। তেখেতৰ নাম মিঃ চৰকাৰ। এই বিলাক কাৰণত মানুহৰ মাজত অবিশ্বাস জন্মিছে। তাৰ পিচত মৃতদেহ পষ্ট মৰটেম কৰোতে পুলিচৰ লগত যোগ হৈ ডাক্তৰে আৰু পুলিচে সমানে টকা খাই সচা ঘটনা কিছুমান মিচা কৰি ৰাইজৰ মাজত' বিশ্বাস হেৰোৱাইছে। এই বিলাক ঘটনাৰ তদন্ত ক্ষেত্ৰত, inspector D.S.P. আদিয়েও এনে ধৰনোৰ নথি কৰি টকা খাই হোৱাটো নোহোৱা কৰে।

( সময়ৰ সংকেত )

তাৰ পিচত, .....

Mr. Speaker—আপুনি শেষ কৰক।

Shri Kabir Chandra Ray Pradhani —মই আন এটা কথা কব খুজিছো আমাৰ যি বিলাক ডেকা লৰা তেওঁবিলাকক কামত ভৰ্ত্তি কৰিব লাগে। কিন্তু ইয়াৰ কাৰণ application fee হল ৬ টকা। চৰকাৰে এই বিষয়ে চাব লাগে। তাৰ পিচত এই কথা কব খুজিছো যে এই কনিষ্টবল বিলাকক অফিচাৰে ঘৰোৱা কামত লগাই আৰু তাত ভাল নাপালে কামৰ পৰা নাম কাটি দিয়ে। এই উৎপীড়নৰ অন্ত হব লাগে।

( সময়ৰ সংকেত )

Shri Bhubaneswar Barman—মই এই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি দুআষাৰ

মান কব খুজিছো। পুলিচ বিভাগটো আমাৰ আইন আৰু শৃঙ্খলা ৰক্ষাৰ কাৰণে। কিন্তু আমি কি পাইছো? আইন আৰু শৃঙ্খলাৰ নামত জনসাধাৰণৰ ওপৰত পুলিচে অত্যাচাৰ, জুলুম চলাইছে। গাঁও অঞ্চলত যি বিলাক সৰু ডাঙৰ ঘটনা হয় সেই বিলাক তদন্তৰ নামত পুলিচে মধে মধে মানুহ বিলাক ধৰি 'লকআপ'ত ৰাখে আৰু জামিনত দিয়া কাৰ্য্যত দামদৰ কৰি সেইমতে টকা-পয়চা পালেহে জামিনত দিয়ে আৰু এই দৰে ভেটিখাই একালে গাৱালীয়া জন সাধাৰণক জুলুম-অত্যাচাৰ কৰিছে আৰু আনহাতে সচাক মিছা কৰি দুৰ্নীতিক প্ৰশ্ৰয় দিছে। এই দুৰ্নীতি যদি চলিয়েই থাকে তেনেহলে কেনেকৈ পুলিচে জন সেৱা কৰিব? এই মৰ্ম্মে চৰকাৰে দৃষ্টি দিব লাগে। দুৰ্নীতি নিবাৰণৰ কাৰণে যিটো anti-corruption বিভাগ আছে সেই বিভাগৰ কৰ্ম্মচাৰী সকলেই দুৰ্নীতি বেচিকৈ কৰে আৰু এটা অজুহাত দেখুৱাই দামদৰ কৰি দুৰ্নীতি নামত অন্য দুৰ্নীতি কৰি সচাক মিছা কৰে। গতিকে এই বিভাগটোৰ কাৰণে যি টকা ব্যয় কৰা হৈছে সেই খিনি অপচয়।

( সময়ৰ সংকেত )

তাৰ পিচত মই এই কথা কব খুজিছো যে পুলিচ বিভাগটো সুকলমে চলিবৰ কাৰণে তাত থকা অসুবিধা বিলাক দূৰ কৰিব লাগে। আমাৰ ৰাজ্যত এনেকুৱা কিছুমান থানা যত 'কনভেয়েন্সৰ' সা-সুবিধা নাই, কৰ্ম্মচাৰী থাকিবলৈ উপযুক্ত ঘৰ নাই। উদাহৰণ স্বৰূপে পাটাচাৰকুচিত যি খন থানা আছে তাত 'অফিচাৰ ইনচাৰ্জ' এনেকুৱা ঘৰত থাকিব লগা হৈছে যিটো একেবাৰে বাসৰ অনুপযোগী। এই বিলাক অসুবিধা দূৰ কৰি, 'জীপ' আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু দুৰ্নীতি দমন কৰি শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাত চৰকাৰে দৃষ্টি দিব লাগে। যিবিলাক দূৰ্নীতি পৰায়ণলোক কামত আছে সেইবিলাকক ধৰি শাস্তি দিব লাগে।

Mr. Speaker—It is 5 P. M. now and therefore I close the debate at this point. The Minister will reply tomorrow at 11 A.M.

Shri Rothindra Nath Sen—If the Chief Minister is ready to reply we may sit for some more time and continue it.

( Voices: No. no we cannot sit any more now.)

Mr. Speaker : Then tomorrow he will reply.

( Voices : Yes. yes )

Committee relating to the arrest of Shri Nameswar Pegu M.L.A.

Mr. Speaker : Now, Mr. Nameswar Pegu Item No. 3.

Shri Debeswar Sarmah : I want to mention something. Mr. Speaker about that Zero Hour business.

Mr. Speaker : We will take it up afterwards.

Shri Debeswar Sarmah : But Sir. when the Chief Minister is there I would request you to take it up now.

Mr. Speaker : No Shri Pegu will speak first.

Shri Nameswar Pegu : Mr. Speaker, Sir. I beg to move the following Motion under Rule 248 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. "That this House do now take into consideration the report of the Committee of Privileges presented on the 7 th May, 1970 in connection with the arrest of Shri Nameswar Pegu M.L.A.,,

Sir, in moving my motion, I want to make few observations in this connection. Sir, when I moved the motion of Privelege I stated that the action of arrest was unwarranted and done with sole motive to serve their selfish interest in colluson with vested interested persons .

Shri Gaurisankar Bhattacharyya : Sir, are we going to utilise the Zero Hour ? What we are discussing ?

Mr. Speaker : We are taking up Item No. 3. The Rule 248 says that "After the report been presented, the Chairman or any member of the Committee or any other member may move that the report be taken into consideration. whereupon the Speaker may put the question to the Assembly. Before putting the question the Speaker may permit a debate on the motion, not exceeding half an hour in duration and such debate shall not refer to the details of the report further then is necessary to

make out a case for the consideration of the report by the House."

Shri Nameswar Pegu — And as such the high ranking officers concerned got involved and became instrumental to initiate litigation with false charges violating all norms of conduct of a public servant of high responsibility pledged to a Govt. of a welfare state. By this type of unwarranted actions of these officers hundreds of persons had to face repression and harrasment and the process has been continuing since 1965.

Mr. Speaker — Mr. Pegu, I think you have said these things while moving the Privilege Motion and already this was considered by the Privilege Committee and the Privilege Committee sent a report here. Only you may move the report for consideration by the House.

Shri Nameswar Pegu — Yes Sir I am coming to that. Then Sir a gang of social exploiters has been functioning to take back whatever gain the people achieved. And to achieve this objective they have been adopting all sorts of neferious games and tactice and those who are in authority in this respect have also been drawn to their aid as if they became instrumental of actions.

Mr. Speaker — Mr. Pegu you are repeating what you have said at the time of moving the motion.

Shri Mohendra Mohan Choudhury ( Minister Parliamentary Affairs ) Sir, he is going to the merit of the case.

Shri Nameswar Pegu – I am coming to the main point, Sir. The type of litigations which have been instituted cannot solve a problem of law and order situation arising out of selfish and vested interested actions. Such kind of litigations are antagonistic and animical to the principles of a Govt. of a welfare state. To come with an excuse of regret by the concerning Minister for the misdeeds of his officers is to get a sanction for them to act in a different way in the affairs.

As stated, while moving the motion of breach of Privilege my whole intention was to bring out these facts here for an effective action of this august House. Sir, I will have nothing to say further if the majority of the House do not approve of my contention the problem will remain as it is. the problem of corrupt practices and problem of naked exploitation by use of force vis-a-vis the forces of anti corruption anti exploitation, and anti repression. With these I commend my motion for consideration of the House.

Mr. Speaker—The motion moved. I want to put it before the House, 'That this House do now take into consideration the report of the Committee of Privileges presented on the 7th May, 1970 in connection with the arrest of Shri Nameswar Pegu M. L. A." Those who are in favour say' Ayes' ....

Shri Mohendra Mohan Choudhury—Sir, there is no question of taking the sense of the House. The motion is moved for consideration of the House and now if anybody wants to speak he may speak on this motion.

Shri Dulal Chandra Barua Sir, I want to add something here. The question is that the matter has been referred to the Privilege Committee and the Privilege Committee after taking into consideration all facts placed the report for consideration by the august House. The whole contention is that the Officers who are serving in different offices should know about the Rules of Procedure of the Assam Legislative Assembly and therefore I request the to make it compulsory that the officers should know about the Rules and Regulations of this Assembly, No. 2. I think the House will agree with me that it is a very serious matter and it should not be in a light-hearted manner. After all we are responsible Members of this

House. There should be certain procedure and there should be certain formalities that to be observed by the Officer. In case of arrest of Shri Nameswar Pegu, the circumstances under which he was arrested is really a sorrowful affair. Sir, I personally know the area, I was born in that locality. The way people had been pushed and the atrocities committed by the Police there is really a deplorable one. Police should not be used as 'Bharatia. The Mahaldars they used to take Police help by paying certain rent. Therefore, they can use the police force as they like. Government should adopt certain definite policy in respect of deploying the police force. They should be placed at the disposal of an ordinary man who does not know the head or tail of the law and order situation. Govt. Therefore, I suggest that Govt. should change its policy and its outlook in respect of controlling or giving assistance to such kind of lessee.

Shir Biswanath Upadhya - Mr. Speaker, I beg to move the Motion under Rule 248 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly :

Motion -This Assembly agrees with the recommendation contained in the report of the Committee of Privileges presented on the 7th May, 1970 in connection with the arrest of Shri Nameswar Pegu, MLA.

Sir, the recommendation of the Committee is as follows (A voice—Report has been presented to the House. No need of reading. it )

( the motion was adopted )

Re : Working of the Posts and Telegraphs Department in the State.

Shri Debeswar Sarmah Mr. Speaker, Sir, I beg to invite the attention of the Government to the most deplorable condition of

postal, telegraphs and telephones services in Assam and particularly to my knowledge in the two Upper Assam districts of Lakhimpur and Sibsagar. At one time we acclaimed that postal services were the best of all the services that we experienced in Assam. But I regret very much to have to say that since this Assam Circle was raised to that of Postmaster General and in place of formerly a Director of Post and Telegraphs for the whole state or rasted the area included in the circle, we have 3 officers now Post Master General and two lieutenants - Director of Postal Service and the Director of Telegraphs. Sir, I have received a letter today which was posted at Dibrugarh on the morning of 9th. Yesterday I got a letter from Dibrugarh after 6 days and these are not solitary instances. From Jorhat to Dibrugarh and from Dibrugarh to Jorhat a letter normally takes 4 days to reach : and our complaints mostly go unheeded.

Now, Sir, as regards telephones these are in most agonising condition. From Jorhat to Airport (Rowriah) which is at a distance of 4 miles, Rowriah Airport is one of the closest to the town in, perhaps, all over India, one cannot get telephone connection easily because one has to go through another local exchange, i. e. Nefabari Exchange, and out of every three case one would not get that connection within half an-hour in two cases. In one out of three, the caller may not get the air-port at all. Now, within a radius of 30 miles Dibrugarh and Tinsukia I think there are 6 or 7 small exchanges. Almost everyday, one would find that one or the other of the lines to these telephone exchanges are not in order. In Upper Assam, I do not know personally of the state of affairs in the North Bank, the telephone is really synonymous with 'Jalatan' (trouble) (interruption)... why can not central automatic telephones be at Jorhat, Dibrugarh and Tinsukia to serve the surrounding areas, abolishing small ex-changes aroundt these 3 towns ?

I have heard that 'Teer' gamblers can get the line very soon. I am also told, I have no personal knowledge, that certain business house in every town in Assam get trunk connections very quickly to Calcutta and other places in India, mostly at midnight but these calls do not appear on record and of course in small co-operation fees are paid. But for other people it is very difficult to get trunk connections even after repeated efforts. Further, monopoly business of the worst character is evidenced in telephone billing business. But in India today no body blush for inefficiency which is colossal in Upper Assam telephone system The Post Master General is such a big officer that he would not care to reply to letters. He has got his P. A. or Private Secretary—he has got all the paraphernalia, high class furnitures and amenities of the Central Ministers. His P. A. does not receive a letter for the Postmaster General. He directs the bearer of the letter to take it to another office of the P.M.G near by. If he does not receive the letter for PMG, what for the P A. is there. Now, as regard telegraphs one has to depend upon his luck. Telegram, if one gets he is lucky. As for an ordinary telegram one does not know when it comes or if it comes at all. Now as regards telephone bills inspite of writing letters I do not get bills in time that is during succeeding month. Bills are given after several months. What is worst, if any mistake is observed in the bill and if you point it out, one is told "you first pay bill and we will enquire about it". But that enquiry never comes At best one can go for the Civil suit. But those who have the experience of instituting a suit, will understand what it is to do so, it is tragic The post and telegraph Department ; perhaps think that their duty is done if they satisfy the Shillong Gods and kow-tow to Delhi. I can speak on the vagaries of the Deptt for hours and hours but would not take the time of the House and would request the Chief Minister to take up this matter with the Central Government at New Delhi.

Shri Mahendra Mohan Choudhury (Minister Parliamentary Affaeirs) Sir, the best procedure will be in this case to send the part of the proceedings of this discussion to the Minister for Communication, Govt. of India, New Delhi for necessary action and let us see what is his reaction.

(Voice—Let us move a resolution)

Shri Debeswar Sarmah—I think we should accept the suggestion of the hon. Minister. The resolution of the House is very important. Therefore, we should reserve it for fnture occasion.

Re : Hunger Strike by the Employees of Khadi Board

Shri Dulal Chandra Barua—Sir. I want to draw the attention of the Minister - in - charge of khadi & Village Industries . We have received information that the employees of the khadi & village Industries have resorted to hunger strike for non- fulfilment of their long felt grievances . They approached the authority but without any result . So . finding no other way left for fulfilment of their grievances they have resorted to strike which will be followed by continuous strike and hunger strike. There-fore , it is a serious matter and our government should look into it immediately . I want to know whether the Government is aware of fact and if so whether they are going to take some prompt action in the matter .

Shri Mohendra Mohan Choudhury (Minister) Sir. about this matter I have no information. At the moment the Minister - in-charge is absent from the House. The matter is dealt by him. Therefore, this matter may be defferred so that he may give a statement day after tomorrow. ( Shri Dulal Chandra Barua—why he is absent from the Honse ) It may take some-time to get the information, and therefore I suggested that a

statement may be given by the Minister-in-charge day after tomorrow. Because the information will have to be collected from the head of the office at Gauhati.

Mr. Speaker — Yes the Minister-in-charge of Khadi & Village industries will make the statement day after tomorrow.

The house stands adjourned till 10 A. M. tomorrow the 13th May, 1970.

Adjournment

The Assembly then adjourned till 10 A.M. on Wednesday, the 13th May 1970.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong,
The 12th May, 1970.